নৱ বৰ্ষৰ শুভেচ্ছাৰে আমাৰ চৰিলে

বিনম্ৰ শইকীয়া

মাহেকীয়া
# জনজীৱন

প্ৰথম বছৰ, প্ৰথম সংখ্যা, জানুৱাৰী '২০০৪



আমাক উৎসাহ-উদ্দীপনা যোগোৱা প্ৰতিগৰাকী লেখক-লেখিকা তথা শুভাকাংক্ষী ৰাইজলৈ নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো -

সম্পাদক
মাহেকীয়া জনজীৱন







## মানুহৰ তেজেৰে ৰাঙলী হ'ল ভূটান পাহাৰ

## প্ৰসংগঃ গুপ্তধন, থান-বান হৈ গ'ল এটা পৰিয়াল

## অনাদৃত কুশল কোঁৱৰ ঃ উদাসীন মন্ত্ৰী কুৰ্মী

## 'মামা'ই প্ৰকৃততে আত্মসমৰ্পণ কৰিলেনে ?

## ৰজাবাৰীত কাহিনীৰ নায়ক তুলসীৰাম বৰা

### অহা সংখ্যাত প্ৰকাশ পাব

☞ 'অসমৰ জনগোষ্ঠীয় সংঘাত আৰু সংগ্ৰাম'ৰ ওপৰত শান্তনু বৰুৱাৰ নিবন্ধ।

☞ অধ্যাপক মহম্মদ মহছিনৰ এখন ভিন্নসুৱী ৰচনা 'কুকুৰ'।

☞ অসম সাহিত্য সভাৰ দ্বাৰাপুৰস্কৃত লেখক মানিক শইকীয়াই নতুন আংগিকেৰে ৰচনা কৰা কিশোৰ জীৱন ভিত্তিক ধাৰাবাহিক উপন্যাসৰ প্ৰথম অংশ।

☞ প্ৰণৱ প্ৰিয়াংকুশ দত্তৰ গুৱাহাটীৰ ডায়েৰী।

☞ উমা শইকীয়াৰ মৌপালনৰ ওপৰত বিশেষ লেখা।

☞ প্ৰবোধ বাচাকৰ চাহ জনগোষ্ঠীৰ ওপৰত বিশেষ নিবন্ধ।

☞ 'জনমত' শিতানত থাকিব "মুখ্যমন্ত্ৰী সমষ্টিলৈ উন্নয়ন আহিছেনে?" উক্ত বিষয়বস্তুৰ ওপৰত তিতাবৰৰ বিশিষ্ট ব্যক্তি আৰু সাধাৰণ জনসাধাৰণৰ মতামত।

☞ লগতে থাকিব নিয়মীয়া শিতান সমূহ।

উন্মোচনৰ প্ৰাৰম্ভিক অনুভৱ

## সেই অচিনাকি মানুহজন....

সেই অচিনাকিজন কোন হ'ব পাৰে বাৰু? আমি নাজানো। জনাহলে যে তেওঁ আমাৰ চিনাকিয়েই হ'লহেতেন। অথচ তেওঁৰ বিষয়ে তিলমানো নাজানো কাৰণেই তেওঁ অচিনাকি। আমি নাজানো তেওঁৰ নাম কি অথবা তেওঁৰ জাতি-ধৰ্মই বা কি? তেওঁ হিন্দু নে মুছলিম, বিহাৰী নে অসমীয়া-এইবোৰ আমি একোৱেই নাজানো। হয়, তেওঁ হ'ব পাৰে কোনোবা শোষক-কোটিপতি অথবা শুকান জেং খৰিত পৰিণত হোৱা কোনোবা শোষিত। হ'ব পাৰে তেওঁ কোনোবা বিধ্বস্ত প্ৰেমিক-সৈনিক অথবা তেওঁবো থাকিব পাৰে নৰকত জীৱন-যাপন কৰাৰ সাংঘাতিক অভিজ্ঞতা। কিন্তু তেওঁ যিয়েই নহওক তেওঁক আমি লগ পাম। অহা এক জানুৱাৰী তাৰিখে ঠিক সূৰ্যোদয়ৰ লগে লগে...।

আমাৰ সতে লগ হ'বলগীয়া অচিনাকিজন বাৰু ক'ৰ পৰা আহিব পাৰে? আহিব নেকি বাৰু উদ্বাস্তু হৈ তেওঁ যুদ্ধভূমিৰ পৰা। অথবা ক'ৰবাত আছেনেকি সেই শান্তিৰ সেউজীয়া প্ৰেমৰ শইচময় সোণালী উপত্যকা? য'ৰ পৰা তেওঁ আহি আমাক দি যাব পাৰে আশাৰ বতৰা। আচলতে তেওঁ বাৰু কোন হ'ব পাৰে? ৰাষ্ট্ৰদ্ৰোহী নে ৰাষ্ট্ৰসেৱী? সেই অচিনাকীজন তেওঁ বাৰু মূলসুঁতিৰ হ'বনে উপসুঁতিৰ হ'ব? তেওঁ হ'বনে সংস্কৃতিকাৰী? নে হ'ব দুস্কৃতিকাৰী?

এই যে অচিনাকিজন আহিব, তেওঁৰ হাতত বাৰু কি থাকিব? তেওঁ জেপত লৈ আনিব নেকি নৱ বৰ্ষৰ শুভেচ্ছাৰে এপাহ প্ৰেমৰ সতেজ গোলাপ? নে আনিব এটা ৰিভলভাৰ? ঠিক সূৰ্যোদয়ৰ লগে লগে এক জানুৱাৰীত তেওঁ আহিব...।

তেওঁ আহিব। কিন্তু প্ৰশ্ন হয় - তেওঁৰ পোচাকৰ ৰং বাৰু কি হ'ব? দুখৰ শেলুৱৈয়ে আবৰি থাকিব নেকি তেওঁৰ পোচাক-পৰিচ্ছদ, অথবা সুখৰ ৰ'দেৰে স্বজ্যোতিষ্মান হৈ আহিবনে তেওঁ।

তেওঁ যিয়েই নহওক - তেওঁ আহিবই। কাৰণ তেওঁ মানুহ। আমি তেওঁক কেৱল মানুহ হিচাপেই চিনি পাওঁ। সকলো মানুহৰ দৰেই তেওঁৰো আছে কিছুমান নিজস্ব দোষ-গুণ, মানুহৰ কিছুমান সহজাত প্ৰবৃত্তি। তেওঁৰো আছে এখন হৃদয়। য'ত অনুভূত হয় দুখ আৰু সুখৰ ছাঁ - পোহৰ। সকলো মানুহৰ দৰেই তেওঁৰো আছে সূৰ্যৰ সতে সম্বন্ধ। অহা এক জানুৱাৰীত ঠিক সূৰ্যোদয়ৰ লগে লগে তেওঁ আহিব...।

তেওঁ আহিব। আন্ধাৰৰ পৰা পোহৰলৈ। ৰাতিৰ পৰা দিনলৈ। ঠিক সূৰ্যোদয়ৰ লগে লগেই আমি তেওঁক লগ পাম তিতাবৰ চাৰিআলিত। কুঁৱলিৰে আবৰি থাকিব লগা এক জানুৱাৰীৰ পুৱা ঠিক ৫-৪৫ বজাৰ লগে লগেই এই অচিনাকী জনৰ দ্বাৰা তিতাবৰৰ জনপথত উন্মোচিত হ'ব "মাহেকীয়া জনজীৱন।"❑





নমস্কাৰ জনালো।

খৰিকটীয়াৰ পৰা আপোনালোকে 'জনজীৱন'প্ৰকাশ কৰিবলৈ লোৱা প্ৰস্তুতিৰ বাৰ্তা পাই বৰ সুখানুভৱ কৰিলোঁ। অসমীয়া ভাষা-সাহিত্য সমাজ-সংস্কৃতি-দৰ্শনৰ প্ৰতিনিধিত্ব-মূলক এখন গভীৰ আলোচনী খুবেই আৱশ্যক। আপোনালোকৰ লক্ষ্য আৰু উদ্দেশ্য নিশ্চয় সফল সবল ভাবেই হ'ব বুলি ভাবিছোঁ। জনসাধাৰণ সমাজ নিশ্চয় ইয়াৰ বাবে পিছৱল হ'ব।

গ্ৰাম্য অঞ্চলৰ পৰা প্ৰকাশ পোৱা 'জনজীৱনে' বাস্তৱক্ষেত্ৰত জনজীৱনৰ সৰ্বহাৰা সমাজৰ কেঁচা মাটিৰ গোন্ধ পোৱা বোকা-পানীৰ মাজৰ সঁচা শ্ৰমশীল কৃষিজীৱি কেঁচা মাটিৰ মানুহ চামৰ প্ৰতিনিধিত্ব কৰিব পাৰিব, সৰ্বতোদিশে সৰ্বতোপ্ৰকাৰে 'জনজীৱনে' সমাজ দেশ বিশ্বৰ সৰ্বমানৱক উদ্বুদ্ধ কৰিব, সুস্থ-সবল-স্বচ্ছ-গহীন-মধুৰ নৈতিক মানসিকতাৰ সমাৱেশ পৰিবেশ গঢ়ক এই কামনাৰে।

ইতি

জয়তু জনজীৱন

চাও দেবেন্দ্ৰচৰণ বৰবৰুৱা,

তিতাবৰ, যোৰহাট

---

প্ৰিয় সম্পাদক,

নমস্কাৰ। খৰিকটীয়াৰ পৰা এখন মাহেকীয়া বাৰ্তালোচনী উলিওৱাৰ সজ প্ৰচেষ্টাৰ শলাগ লৈছোঁ। স্থানীয় ভিত্তিত প্ৰকাশিত বাৰ্তালোচনী সমূহত বৰ্ণাশুদ্ধিৰ দৌৰাত্ম্যই হতাশ কৰে। এই ক্ষেত্ৰত জনজীৱনে গুৰুত্ব দিব বুলি আশা কৰিলো।

*প্ৰদীপ গগৈ, জ্যেষ্ঠ সাংবাদিক*

*ৰঙাজান, তিতাবৰ*

### জনজীৱন, জনজীৱন...

*চাও দেবেন্দ্ৰচৰণ বৰবৰুৱা*

'জনজীৱনে' চেতনাৰ ছন্দ কৰিব জাগ্ৰত
উঠিব জাগি জনজীৱনৰ
সুষুপ্তি মন।
নৱ জ্যোতি সৃষ্টিৰ সুস্থ পৰিধি ৰচিব
গঢ়ি কৰিব তাৰেই একপণ
মহাপণ।।
জীৱন চেষ্টাৰ জয় ৰণৰৰ উঠিব গুঞ্জৰি
দশোদিশ জুৰি মুক্ত-শুদ্ধ-স্বচ্ছ
কৰিব পথ।
বলিব-জ্বলিব ঘূৰিব জনক্ৰান্তিৰ
ঘনঘূৰ্ণী
আগ্ৰহসত্ত্বে চলিব চক্ৰ
চলিব মহাৰথ।।
নতুন সুৰৰ জন্ম হ'ব নাশিব অন্যায়-
অনীতি
অনাচাৰ-ব্যভিচাৰ-কদাচাৰ
আছে যতবোৰ হ'ব মমিযুৰ
তাৰে ঘটিব অৱসান।
'জনজীৱনে' তুলিব শ্ৰমশীল,
কৃষিজীৱি মাটিৰ
সঁচা মানুহৰ জী থাকিবৰ কেঁচা
মাটিৰ মানুহৰ বিজয়ী সুৰ
গাব গানে মহাগান।।

### তোৰ লাজ ভাঙিবৰ হ'ল

*পহৰ (দ'দাই)*

তোৰ লাজ ভাঙিবৰ হ'ল।
তই ওলাই আহিবৰ হ'ল।
দেশৰ উন্নতিৰ হকে
ইতিবাচক মনেৰে আগবাঢ়ি
নৱৱৰ্ষত শ্ৰমক মৰ্যাদা দি
আগেয়ে নকৰা বহু
আজি কৰিবৰ হ'ল।
আমি যুৱক যুৱতী বুলি
হাত সাৱটি বহি নাথাকি
ঘৰৰ তামোলখিনি, ছাগলীটো
নিজে বিক্ৰী কৰিবৰ হ'ল।।
তই অকলেই হওঁক বা
চাৰি জনে মিলি,
কামৰ শিতান বিলাক
ল' বাছি বাছি।
যিবোৰ কামত তইতৰ লাজ লাগিছিল
বা সমাজে যাক ঘৃণা কৰিছিল
এতিয়া মূল্যবোধক গুৰুত্ব
দিয়াৰ সময় আহিল।
তোৰ লাজ ভাঙিবৰ হ'ল।।
অ' টেম্পো চলাবলৈ যিদৰে
ওলাল যুৱকৰ দল,
বেংকৰ ধাৰখিনি সিদৰে
সময়মতেই দিবৰ হ'ল।
যিজনে বন্দুক বাৰুদৰে খেলি
পাহাৰ হাবিকে নিজ ঘৰ কৰিলে
বিপ্লৱীক চমক খুৱাই
তেওঁ ওলাই আহিবৰ হ'ল
নতুন বছৰ আদৰিবৰ হ'ল,
তোৰ লাজ ভাঙিবৰ হ'ল।।



GKDL

জনজীৱনৰ প্ৰতিবেদন

# মানুহৰ তেজেৰে ৰাঙলী হ'ল ভূটান পাহাৰ

## "কোনটো সঁচা, কোনটো মিছা?" - বাতৰিক লৈ ৰাইজৰ মাজত বিভ্ৰান্তি। অসমলৈ শান্তি আহিব কোন বাটেৰে?

ভূটানৰ সেউজীয়া পাহাৰ মানুহৰ তেজেৰে ৰাঙলী হৈ গ'ল। প্ৰকৃত তথ্যজনাৰ কোনো উপায় নাই - কিন্তু এইটো নিশ্চিত যে ভূটানত চলিছে এতিয়া প্ৰচণ্ড গুলীয়া-গুলী, বহুজনৰ মৃত্যু হৈছে, আপোনজনক হেৰুৱাই উদ্বাস্তু হৈ অসহায় নাৰী-শিশুৱে আৰু নিৰুপায় বিধ্বস্ত বিদ্ৰোহী-কেডাৰে ভূটানৰ ৰাজকীয় সেনাৰ হাতত বন্দীত্ব স্বীকাৰ কৰি অসমলৈ উভতিব লগা হৈছে। এই প্ৰতিবেদন যুগুতাই থকালৈকে ভূটানৰ ৰয়েল আৰ্মিয়ে বিদ্ৰোহী সংগঠন আলফা, এন.ডি.এফ.বি, আৰু কে.এল.অ'ৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিছে। আনহাতে বিদ্ৰোহী সংগঠন সমূহে ভূটানৰ ৰয়েল আৰ্মীৰ ব্যাপক ক্ষয়-ক্ষতি কৰিছে বুলি প্ৰকাশ পাইছে।

আনহাতে অভিযোগ উঠিছে যে ভূটানৰ ৰয়েল আৰ্মিৰ বৰ্বৰতাৰ বলি হৈছে বিদ্ৰোহী পৰিয়ালৰ শিশু আৰু নাৰীসকল। যোৱা ২৪ ডিচেম্বৰ তাৰিখে ভূটান কৰ্তৃপক্ষই বিদ্ৰোহী পৰিয়ালৰ ৩৭ গৰাকী মহিলা আৰু ১৭ টি শিশুক অসম আৰক্ষীৰ হাতত গটাই দিয়ে। সেই দলটিত থকা শ্যামল কছাৰী নামৰ দুবছৰীয়া শিশুটি ভূটানী সেনাৰ গুলীত আঘাত প্ৰাপ্ত বুলি জানিব পৰা গৈছে। সেইদৰে শ্যামলৰ সন্মুখতেই হত্যা কৰা হৈছিল তাৰ মাকক। দেউতাকৰ সম্পৰ্কে সি হেনো একোৱেই নাজানে। অকল শ্যামলেই নহয়, অংকুৰ দত্ত (৬) ৰাজা (৫) কাৰেং (৮) ভেনাছ (৩) হঁতেও নাজানে সিহঁতৰ দেউতাক



### আপোচবিহীন কবি মেগন

হে বাধ্য মানুহ, হে ৰজাৰ চাকৰ
আহা, আহা এবাৰ এবাৰকৈ তুমি
মোৰ
সৰ্বাঙ্গিত সৌকাৰে গণি গণি দহবাৰ
বেত্ৰাঘাত কৰা, চিৰি চিৰি দেহৰ
চাল বোৱাই দিয়া তেজ
হলেও মই কিন্তু কৈয়ে থাকিম
অপমান সহ্য কৰা বৰ টান।

*- মেগন কছাৰী*

যুৱক জনৰ নাম আছিল দীপক কছাৰী। বৰমাৰ নিজজুলুকি গাঁৱৰ অন্য দহজনৰ যুৱকৰ দৰে দীপকও আছিল এজন সাধাৰণ যুৱক। অথচ তাৰ বুকুত আছিল সৃষ্টিৰ আকাংক্ষা। সি কবিতা লিখিছিল। ওচৰৰ মৰা পাগলাদিয়া মাটিৰে কেনভাছত ছবি আঁকি পাৰ হৈছিল তাৰ শৈশৱৰ দিনবোৰ ...।

১৯৮৯ চন। সেই সময়ৰ আলফাৰ প্ৰচাৰ সচিব 'মোৰ ৰক্তবৰ্ণ প্ৰতিজ্ঞা'ৰ কবি উদ্দীপ্ত হাজৰিকাৰ সংস্পৰ্শলৈ আহি দীপকে যোগদান কৰিলে 'সংযুক্ত মুক্তি বাহিনী' চমুকৈ আলফাত। এদিন দীপক কছাৰী জনাজাত হৈ পৰিল

*৩৫ পৃষ্ঠাত চাওক*

এতিয়া গ'ল ক'লৈ। উল্লেখযোগ্য যে, এই ৬৪ জনীয়া দলটোত আলফাৰ অন্যতম নেতা অশান্ত বাঘফুকন,বেনিং ৰাভাৰ পৰিবাৰ আৰু সন্তান থকা বুলিও বাতৰি কাকতত প্ৰকাশ পাইছে। এতিয়ালৈকে ভূটান ৰয়েল আৰ্মিয়ে বন্দী কৰি ভাৰতীয় সেনালৈ প্ৰত্যাৰ্পণ কৰা সকলৰ ভিতৰত আলফাৰ প্ৰচাৰ সচিব মিথিংগা দৈমাৰী, উপদেষ্টা 'মামা' ওৰফে ভীমকান্ত বুঢ়াগোঁহাই, তিনিজন মেজৰ ক্ৰমে ৰবীন সন্দিকৈ, ডাঃ অমৰজিৎ গগৈ আৰু বলীন দাস ও আছে। উল্লেখযোগ্য যে ছানদ্ৰুপ ঝংখাৰৰ এটা গোপন শিবিৰত ১৪ জন সহযোগীৰ সৈতে আলফাৰ প্ৰচাৰ সচিব মিথিংগা দৈমাৰী ওৰফে দীপক কছাৰীক ভূটানী সেনাই গ্ৰেপ্তাৰ কৰিছিল। আনহাতে 'মামা' ভীমকান্ত বুঢ়াগোহাঁইৰ মৃত্যু সম্পৰ্কীয় সকলোবোৰ বিভ্ৰান্তিকৰ বা-বাতৰি ইতিমধ্যে অন্ত পৰিছে আৰু ভূটানী সেনাই কৰায়ত্ব কৰা 'মামা' আৰু আন তিনিজন সহযোগী ৰবীন সন্দিকৈ, বলীন দাস আৰু ডা° অমৰজিৎ গগৈক ভাৰতীয় সেনাৰ হাতত গটাই দিছে। বৰ্তমান এই চাৰিজন আলফা নেতা তেজপুৰৰ আৰক্ষীৰ বেষ্টনীত আছে বুলি জানিব পৰা গৈছে।

আনহাতে সংগঠনটোৰ গেৰিলা গোটৰ নেতা বেনিং ৰাভা, বিজু ডেকা, শতাব্দ কুমাৰৰ বিষয়ে এতিয়াও স্পষ্টকৈ জানিব পৰা হোৱা নাই। তেওঁলোক প্ৰকৃততে মৃত নে জীৱিত সেই সম্পৰ্কে প্ৰশ্ন উঠিছে। আনহাতে জি, এইচ, কিউৰ সুৰক্ষাৰ দায়িত্বত থকা ভূটান আৰ্মিৰ



হাতত কৰায়ত্ব হোৱা ১৯ জন গেৰিলাক ভাৰতীয় ভাৰতীয় সেনাই ২৭ চেপ্তেম্বৰ পুৱতি নিশা দৰঙৰ আৰক্ষীৰ হাতত গটাই দিছে বুলি জানিব পৰা গৈছে। জি.এইচ.কিউৰ সুৰক্ষাৰ দায়িত্বত থকা আলফাৰ নেতা বেনিং ৰাভাৰ সম্পৰ্কে উপযুক্ত তথ্য এই গেৰিলা কেইজনেও দিব পৰা নাই বুলি প্ৰকাশ। আনহাতে বেনিংৰাভা আৰু বিজু ডেকা গ্ৰেপ্তাৰ হোৱা নাই বুলি আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই পূৰ্বে দাবী কৰিছিল। সেইদৰে দৃষ্টি ৰাজখোৱাৰ মৃত্যু হৈছে বুলি প্ৰকাশিত বাতৰিও তেওঁ অস্বীকাৰ কৰিছে।

শেহতীয়াকৈ জানিব পৰা মতে, আলফাৰ নেতা ভীমকান্ত বুঢ়াগোঁহাই ওৰফে মামাক লৈ আলোচনাৰ পাতনি মেলিবৰ কাৰণে চৰকাৰী পক্ষৰ মাজত ব্যাপক গুণাগথা চলিছে। ইতিমধ্যে পৰেশ বৰুৱাও আলোচনাৰ কাৰণে সন্মত হৈছে বুলি জানিব পৰা গৈছে আৰু এই সংক্ৰান্তত আলফাই নিৰ্ধাৰণ কৰা পূৰ্বচৰ্ত কেইটা পুনৰ দোহাৰিছে। আনপিনে চৰকাৰী পক্ষই ইতিমধ্যে আলফাই আৰোপ কৰা পূৰ্বচৰ্তকেইটা এৰিলেহে আলোচনা সম্ভৱ বুলি স্পষ্ট কৰি দিয়াটোৱে গোটেই সমস্যাটোক অধিক জটিলতাৰ মাজলৈ ঠেলি দিছে।

সি যি কি নহওঁক, অসমৰ ৰাইজে চৰকাৰ আৰু আলফা দুয়োপক্ষই এৰাধৰাৰ মাজেদি আলোচনাৰ মেজলৈ অহাটো বিচাৰিছে। আত্মসমৰ্পণ আৰু আক্ৰমণতকৈ চৰকাৰী পক্ষই আলোচনাতহে গুৰুত্ব দিয়াটো ৰাইজে কামনা কৰিছে। অন্যথা, অসমৰ পৰিস্থিতি যে অধিক ভয়াবহ হৈ উঠিব সেইটো নিশ্চিত।



# কোনটো সঁচা, কোনটো মিছা

## মামাই প্ৰকৃততে আত্মসমৰ্পণ কৰিলেনে?

চৌদিশে ধুঁৱলি-কুঁৱলী পৰিৱেশ। প্ৰকৃততে কোনেও নাজানে ভূটান পাহাৰত কি ঘটিছে। বিদ্ৰোহী আৰু ভূটান ৰয়েল আৰ্মিৰ সংঘৰ্ষত কিমান জন হতাহত হৈছে, কিমানজন বিদ্ৰোহী সেনাৰ হাতত কৰায়ত্ব হৈছে। সীমান্তত থকা ভাৰতীয় সেনাই সাংবাদিক সকলোকো ভূটানৰ ভিতৰত প্ৰবেশ কৰিবলৈ দিয়া নাই। এদিন যদি খবৰ কাকতত ওলাইছে বেনিং ৰাভাক কৰায়ত্ব হৈছে, আকৌ পিছৰ দিনা ওলাইছে বেনিং ৰাভাই যুদ্ধ চলাইয়ে আছে। ইত্যাদি ইত্যাদি ...। স্বাভাৱিকতেই উদ্বেগ আৰু উৎকণ্ঠাৰ সৃষ্টি হৈছে অসমৰ জনজীৱনত। হঠাতে ১৮ ডিচেম্বৰৰ দিনা সন্ধ্যা ৮ বজাত কোনো সূত্ৰৰ উদ্ধৃতি নিদিয়াকৈ 'আজটক' নামৰ ইংৰাজী চেনেলৰ 'হেডলাইনছ টুদে'ত ব্ৰেকিং নিউজত প্ৰচাৰিত হ'ল আলফাৰ উপদেষ্টা 'মামা' ভীমকান্ত বুঢ়াগোঁহাইৰ মৃত্যু হৈছে। ১৯ ডিচেম্বৰত আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাইও বাতৰি কাকতক ক'লে, "হাতত শুকুলা পতাকা লৈ আত্মসমৰ্পণৰ বাবে আগুৱাই যাওঁতে মামাক গুলীয়াই হত্যা কৰিছে"। 'মামা'ৰ মৃত্যুক কেন্দ্ৰ কৰি নানা ধৰণৰ বাতৰি প্ৰচাৰিত হ'ল। নানা প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল।

সকলো জল্পনা কল্পনা অন্ত পৰিলে ২৬ ডিচেম্বৰ তাৰিখে। খবৰ ওলাল 'মামা' জীৱিত। ভাৰতীয় সামৰিক বাহিনীয়ে সাংবাদিকৰ আগত প্ৰদৰ্শন কৰিলে আলফাৰ ৰাজনৈতিক উপদেষ্টা "মামা"ক ওৰফে ভীমকান্ত বুঢ়াগোঁহাইক। কেৱল মামাকে নহয় আলফাৰ মেজৰ ৰবীন সন্দিকৈক, বলীন দাস আৰু ডাঃ অমৰজিৎ গগৈকো সেনাই প্ৰদৰ্শন কৰিলে সাংবাদিকৰ আগত। সেনা বাহিনীৰ দ্বাৰা কোৱা হ'ল মামা আৰু আন তিনিজন সদস্যই আত্মসমৰ্পণ কৰিলে। মামাই পাঠ কৰিলে আগতীয়াকৈ প্ৰস্তুত কৰি থোৱা লিখিত ভাষণ। এই প্ৰতিবেদন প্ৰস্তুত কৰি থাকোতেই হঠাতে আকৌ খবৰ ওলাল আলফাৰ অন্যতম প্ৰতিষ্ঠাপক 'মামা' ভীমকান্তই আত্ম সমৰ্পণ কৰা নাই। এখন বহুল প্ৰচাৰিত অসমীয়া এখন দৈনিক কাকতত মামাই কৈ উঠিল "আমিতো ভাৰত চৰকাৰৰ ওচৰত আত্ম সমৰ্পণ কৰা নাই, আত্মসমৰ্পণ কৰাৰ কথা ভবাও নাই।" ২৮ ডিচেম্বৰত তেজপুৰৰ দণ্ডাধীশৰ বাসভৱনত হাজিৰ হোৱা মামাই কেইবাটাও কবিতা পাঠ কৰি তেওঁৰ মনোবল এতিয়াও অটুত আছে বুলি দাবী কৰিলে।

*- প্ৰতিবেদক*





OKDISCD

# প্ৰসংগ ঃ গুপ্তধন, থান-বান হৈ গল এটা পৰিয়াল

## ৮৬ লাখ টকাৰ ৰহস্য ক'ত শেষ হ'ল?

'সেইদিনা আছিল মাঘৰ উৰুকাৰ নিশা। প্ৰথম বাৰৰ বাবে তিনিজন যুৱক আহিছিল আমাৰ ঘৰলৈ। ল'ৰাকেইজনে হাঁহি-মাতি আমি ৰাতি বিহুখোৱা মানুহ বুলি নিজকে পৰিচয় দিছিল। যাবৰ সময়ত ল'ৰা কেইজনে কৈ গৈছিল আপোনালোকৰ ঘৰত আমাৰ এটা বেগ্ আছে; বেগ্‌টো আমাক ঘূৰাই দিয়ক।" আমি বেগ্‌টোৰ সম্পৰ্কে অজ্ঞতা প্ৰকাশ কৰাত যুৱক কেইজনে আমাক কাঢ়াকৈ কৈছিল "যদিহে বেগ্‌টো আমাক ঘূৰাই নিদিয়ে, তেন্তে আপোনালোকৰ পৰিয়ালটোলৈ ট্ৰচাৰ নামি আহিব।" এয়াই আছিল ঘটনাটোৰ আৰম্ভণি।

- এয়া মৰিয়নি নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত্বত নগা নগা পাহাৰৰ নিচেই গাতে লাগি থকা অনগ্ৰসৰ বাহনি অঞ্চলৰ খেৰমিয়া গাঁৱৰ ধূমকলা ব্যক্তি গোবিন গগৈ (ভুটোক) ৰ অষ্টম পুত্ৰ মইনা অৰ্থাৎ অমূল্য গগৈৰ ভাষ্য। উল্লেখযোগ্য যে ২০০২ চনৰ মাজভাগত সংঘটিত হোৱা 'গুপ্তধন' সম্পৰ্কীয় এক চাঞ্চল্যকৰ ঘটনাক্ৰমে উক্ত গাওঁখন আৰু পৰিয়ালটো বাতৰি কাকতৰ শিৰোনামালৈ আহে।

### ৰহস্যজনক সেই বেগ্‌টো

নগাপাহাৰৰ নিচেই গাতে লাগি থকা খেৰমিয়া গাঁৱৰ ভৌগলিক অৱস্থানৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি সেইসময়ৰ তনু চুতীয়া ওৰফে ভদীয়া, উদয়ন গোঁহাইৰ দৰে আলফাৰ নেতা সকলে মুক্ত বিচৰণ কৰিছিল বুলি জানিব পৰা গৈছে। সেই সূত্ৰে, গোবিন গগৈৰ (ভুটোক) ৰ পৰিয়ালৰ সতে সু-সম্পৰ্ক গঢ়ি উঠা সেইসময়ৰ আলফাৰ ধনশিৰি আঞ্চলিক পৰিষদৰ বিত্ত সচিব তনু চুতীয়াই মত্যুৰ দুদিনৰ আগতে এটা টকা ভৰ্ত্তি বেগ্ গোবিন গগৈৰ ঘৰত থৈ গৈছিল বুলি জানিব পৰা গৈছে। প্ৰথমতে; ৰাইজৰ আগত গোবিন গগৈৰ পৰিয়ালে এই বেগ্‌টোৰ সম্পৰ্কে অজ্ঞতা প্ৰকাশ কৰিছিল যদিও, পিছত বেগ্‌টোৰ কথা স্বীকাৰ কৰিছিল। গোবিন গগৈৰ পুত্ৰ অমূল্য গগৈৰ মতে বেইগটোত ডেৰলাখ টকাহে আছিল আৰু সেইখিনি পৰিয়ালটোৱে বিভিন্ন কাম-বনত খৰচ কৰি পেলায় আৰু পিছত বেগ্‌টো খুজি অহা দুষ্কৃতিকাৰীহঁতৰ আগত ভয়তেই পৰিয়ালটোৱে বেগ্‌টোৰ সম্পৰ্কে অজ্ঞতা প্ৰকাশ কৰিব লগা হয়। অমূল্য গগৈৰ মতে বাতৰি কাকতত প্ৰকাশ পোৱাৰ দৰেবেগ্‌টোত ৮৬ লাখ টকা নাছিল। সি যিকি নহওঁক উক্ত বেগ্‌টোৰ কাৰণেই দৰিদ্ৰ, কোনো মতে পেটে ভাতে খাই থকা গোবিন গগৈৰ পৰিয়ালটোলৈ নামি আহিল অমানুষিক অত্যাচাৰ। 'গুপ্তধন' ৰ ধুমুহাই থান বান কৰি পেলালে সহজ-সৰল গোবিনৰ পৰিয়ালটো। 'গুপ্তধন' বিচাৰি অহা 'আলফা' নামধাৰী দুষ্কৃতিকাৰীহঁতে এটাৰ পিছত আনটোকৈ উপৰ্যুপৰি পৰিয়ালটোৰ ওপৰত চলাই গ'ল অত্যাচাৰ।

### অপহৰণৰ সেই শ্বাসৰুদ্ধ ঘটনাটো

২০০২ চনৰ ৫ চেপ্তেম্বৰৰ সন্ধ্যা, মুখত ক'লা কাপোৰ বান্ধি অস্ত্ৰ শস্ত্ৰৰে সু-সজ্জিত হৈ প্ৰায়ে অহাৰ দৰে আকৌ আহিল দুষ্কৃতিকাৰীহঁত। আহিয়েই সিহঁতে বিচাৰিলে গোবিন গগৈৰ কনিষ্ঠ সন্তান অচ্যুত গগৈৰ সন্ধান। উল্লেখযোগ্য অচ্যুত গগৈৰ সতে ভদীয়াৰ সু-সম্পৰ্ক আছিল বুলি জানিব পৰা গৈছে। অচ্যুত গগৈক নোপোৱাত মুখত কাপোৰ বন্ধা যুৱক কেইজনে পৰিয়ালটোৰ সদস্য সকলক মাৰ-পিট কৰাকে ধৰি, নানা ধৰণৰ অবাইচ মাত-কথাৰে ব্যতিব্যস্ত কৰি তোলে আৰু অচ্যুতক নাপায় ককায়েক অমূল্যকে দুষ্কৃতিকাৰীহঁতে ধৰি বান্ধি, মাৰ-পিট কৰি কোনো অজ্ঞাত স্থানলৈ উঠাই লৈ যায়।

অমূল্য গগৈৰ পৰা জানিব পৰা মতে তেওঁক নগা পাহাৰত এজোপা বাঁহ গছৰ তলত শিকলিৰে বান্ধি ৰখা হৈছিল আৰু এটা আঁঠুৰা তৰি কলপাতৰ ওপৰত শুবলৈ দিয়া হৈছিল। প্ৰতিদিনাই চলোৱা হৈছিল তেওঁৰ ওপৰত অকথ্য নিৰ্যাতন। বাৰে বাৰে সোধা হৈছিল, অচ্যুত গগৈ আৰু সেই টকা খিনিৰ বিষয়ে। ঘটনাক্ৰমে এদিন পাহাৰৰ পৰা খহি পৰাত অমূল্যৰ ভৰিৰ শিকলি চিঙি যায় আৰু প্ৰাণৰ মমতাত কোনো মতে আহি ঘৰ পায়হি।

২৩চেপ্তেম্বৰৰদিনা দুষ্কৃতিকাৰীহঁতে পুনৰ অমূল্যহঁতৰ প্ৰতিবেশী যুৱক বকুল গগৈক অপহৰণ কৰি লৈ যায়। প্ৰায় এমাহৰ পিছত, মেলেৰিয়া ৰোগত আক্ৰান্ত হোৱা বকুলক দুষ্কৃতিকাৰীহঁতে উপায়হীন হৈ মুকলাই দিবলৈ বাধ্য হয় বুলি প্ৰকাশ।

### "জীয়াই থাকিবলৈ বহুতো ইচ্ছা আছিল..."

"জীয়াই থাকিবলৈ বহুটো ইচ্ছা আছিল মোমাইদেউ, কিন্তু সিঁহতে আমাক জীয়াই থাকিবলৈ নিদিব চাগে।" মৃত্যুৰ কেইদিন মানৰ আগতে গোবিন গগৈৰ একমাত্ৰ কন্যা এলিজা গগৈয়ে সম্বন্ধীয় মোমায়েক এজনৰ আগত এনেদৰে মনৰ কথা প্ৰকাশ কৰিছিল। ইতিমধ্যে দুষ্কৃতিকাৰীহঁতৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গৈছিল। দুষ্কৃতিকাৰীহঁতে এলিজাৰ ককায়েক গোলাপ গগৈৰ ঘৰত অগ্নি-সংযোগ কৰিছিল। সেইৰাতি গোলাপ গগৈৰ পত্নীয়ে মূল ঘৰৰ শলখা খুলিব বিচৰা দুষ্কৃতিকাৰী এজনৰ হাতত দাৰে ঘপিয়াই আহত কৰে। ভয়-শংকাত ত্ৰস্তমান হৈ পৰিছিল এলিজা, অমূল্যহঁতৰ ওচৰ চুবুৰীয়াসকল। গধূলি আহিলেই খেৰমিয়া গাঁৱলৈ নামি আহিছিল বিপদৰ শংকা। প্ৰায় প্ৰতিটো গধূলিতেই দুষ্কৃতিকাৰীহঁত আহি এলিজাহঁতৰ ঘৰত উপদ্ৰৱ চলাইছিল বুলি জানিব পৰা গৈছে। আনহাতে বিপদত পৰা আশংকাতেই এলিজাহঁতৰ পৰিয়ালৰ সদস্য-সকলক নিশা আশ্ৰয় প্ৰদান কৰিবলৈ অমান্তি হৈছিল ওচৰ-চুবুৰীয়া সকল।

অত্যাচাৰে ভাঙি পেলাইছিলে এলিজাৰ মন। প্ৰায় ২১/২২বছৰীয়া এই পাটগাভৰুজনীক, (মৃত্যুৰ দুদিনমানৰ আগতে) দুষ্কৃতিকাৰীহঁত আহি টকাৰ সন্ধান বিচাৰি এটা কোঠাৰ পৰা আনটো কোঠালৈ চোঁচৰাই টানি লৈ ফুৰিছিল বুলি ওচৰ চুবুৰীয়াই প্ৰকাশ কৰিছে। উপৰ্যুপৰি এটাৰ পিছত আনটোকৈ চলি থকা এই অমানুষিক নিৰ্যাতন সহিব নোৱাৰি পাটগাভৰু এলিজাই ২০০২ চনৰ ৯ চেপ্তেম্বৰ তাৰিখে গাত কেৰাচিন ঢালি জুই লগাই আত্মহত্যা কৰে।

### নিৰুদ্দিষ্ট হ'ল অচ্যুত আজিও নাই খবৰ!

আগতেই কোৱা হৈছে, গোবিন গগৈৰ কনিষ্ঠতম সন্তান অচ্যুত গগৈৰ সতে সেই সময়ৰ আলফাৰ ধনশিৰি আঞ্চলিক পৰিষদৰ বিত্ত সচিব তনু চুতীয়াৰ সু-সম্পৰ্ক আছিল। সেইসূত্ৰে আলফাৰ নেতাজনে টকাভৰ্তি বেগ্‌টো অচ্যুতৰ জিম্মাত থৈ গৈছিল বুলি জানিব পৰা গৈছে। কিন্তু প্ৰকৃততে বেগ্‌টোত কিমান পৰিমাণৰ টকা আছিল সেয়া স্পষ্টকৈ আজিও জনা নগ'ল। সি যি নহওঁক, যেতিয়াই দুষ্কৃতিকাৰীহঁতে অচ্যুতহঁতৰ পৰিয়ালটোৰ ওপৰত আলফাৰ টকা বিচাৰি বাৰম্বাৰ অত্যাচাৰ চলালে - তেতিয়া অচ্যুত গগৈ ঘৰ এৰি, গাওঁ এৰি পলাই যাব লগীয়া হ'ল। সেই যে পলাই গ'ল, আজিলৈকে অচ্যুতৰ কোনো সন্ধান নাই। অমূল্যহঁতে নাজানে ভায়েক অচ্যুত কলৈ পলাই গল।

### দুষ্কৃতিকাৰীহঁত প্ৰকৃততে কোন ?

দুষ্কৃতিকাৰীহঁত প্ৰকৃততে কোন? সেই প্ৰশ্নৰ স্পষ্ট উত্তৰ আজিও খেৰমিয়াবাসী ৰাইজে নাজানিলে। আজিও ৰাইজে নাজানিলে সেই দুস্কৃতিকাৰীহঁত প্ৰকৃততে আলফা নে আন কোনোবা। এই ক্ষেত্ৰত আলফাৰ তৰফৰ পৰাও বিগত সময়ছোৱাত কোনো ধৰণৰ স্পষ্টীকৰণ পোৱা নগল।

দুষ্কৃতিকাৰী যিয়েই নহওঁক লাগিলে, এই অমানৱীয়,বৰ্বৰোচিত কাৰ্যকলাপে থান-বান কৰি থৈ গ'ল গোবিন গগৈৰ পৰিয়ালটো। ধূমকলা ব্যক্তি গোবিন গগৈয়ে প্ৰকৃততে আজিও সঠিককৈ নাজানে মৰমৰ একমাত্ৰ কন্যাই কিয় মৃত্যুক সাৱটি ল'ব লগা হ'ল? কিয় জ্বলি উঠিছিল গোলাপ গগৈৰ ঘৰ? অথবা নাজানে, কনিষ্ঠ পুত্ৰ অচ্যুত গ'ল কলৈ?

*- প্ৰতিবেদক*

### বেদখলৰ কবলত 'গিবন'

**জনজীৱনৰ প্ৰতিবেদনঃ** মৰিয়নিৰ মেলেং অঞ্চলত অৱস্থিত ভাৰত বিখ্যাত গিবন অভয়াৰণ্য সম্প্ৰতি বেদখলৰ কৱলত পৰিছে বুলি জানিব পৰা গৈছে। এই বনাঞ্চলখনৰ নাম হোলোঙাপাৰ সংৰক্ষিত বনাঞ্চল হৈ থাকোতেই তেতিয়া নিয়োজিত দুজন মান বন-বিষয়া তথা কৰ্মচাৰীৰ অমনোযোগিতাৰ সুযোগ লৈ এচাম লোকে গছ-গছনি কাটি খৰি বিক্ৰী কৰাৰ লগতে দাঁতিকাষৰীয়া চাহ-বাগিছা কেইখনেও অভয়াৰণ্যখনৰ বহুবিঘা মাটি বেদখল কৰিলে বুলি অভিযোগ উঠিছে। গিবন অভয়াৰণ্য খনৰ মুঠ মাটিকালি ১৯১৫.৬০ হেক্টৰ আছিল যদিও সম্প্ৰতি ভেলাগুৰি চাহ বাগিছা আৰু কঠালগুৰি চাহ-বাগিছাই বহু বিঘা মাটি বেদখল কৰাত অভয়াৰণ্যখনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। স্মৰ্তব্য যে ২০০২ বৰ্ষত এই অভয়াৰণ্যখন বিভাগীয় কৰ্তৃপক্ষই জৰীপ কাৰ্য চলাইছিল যদিও কিবা এক ৰহস্যজনক কাৰণত এই জৰীপ কাৰ্য আজিলৈকে সম্পূৰ্ণ হৈ নুঠিল। ইতিমধ্যে অভয়াৰণ্যখনৰ সীমা নিৰ্ধাৰণৰ বাবে ৯০,০০০.০০ (নব্বৈ হাজাৰ) টকা চৰকাৰে অনুমোদন কৰিছে বুলি জানিব পাৰা গৈছে। কোনো ধৰণৰ সীমা নিৰ্ধাৰণ নকৰাকৈ, বিজ্ঞানসন্মতভাৱে জৰীপ কাৰ্য নচলোৱাকৈ বিভাগীয় কতৃপক্ষই ইতিমধ্যে খুটাসমূহ স্থাপন কৰাত সচেতন মহলে আশ্বৰ্য প্ৰকাশ কৰিছে।

# পৌৰ নিৰ্বাচনে কিহৰ ইংগিত দি থৈ গ'ল?

জনজীৱনৰ প্ৰতিবেদন ঃ

ৰাজ্যৰ হৈ যোৱা পৌৰ নিৰ্বাচনৰ সামগ্ৰিক ফলাফল স্বাভাৱিকতে তৰুণ গগৈৰ নেতৃত্বাধীন কংগ্ৰেছ (ই) দলত উল্লাসৰ সৃষ্টি কৰিছে। সাধাৰণতে, ক্ষমতাত অধিষ্ঠিত দলটোৰ প্ৰতি জনসাধাৰণে নিৰ্বাচনত অনীহা ভাৱ প্ৰকাশ কৰাটোহে দেখা যায় যদিও এইবাৰ অসমৰ নগৰীয়া ৰাইজে তাৰ ওলোটা প্ৰতিক্ৰিয়াহে প্ৰকাশ কৰিলে। ইয়াৰ মূল কাৰণ হৈছে ৰাজ্যৰ প্ৰধান বিৰোধী দল অ.গ.প. আৰু বি.জে.পি.ৰ দুৰ্বল সাংগঠনিক স্থিতি আৰু মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নিকা আৰু স্বচ্ছ ভাৱমূৰ্ত্তি। এইবাৰ পৌৰ নিৰ্বাচনৰ অন্য এটা মন কৰিবলগীয়া দিশ হৈছে নিৰ্দলীয় প্ৰাৰ্থীৰ সফলতা। উল্লেখ্য যে ৰাজ্যখনৰ ২৩ খন পৌৰসভা আৰু ৩১খন নগৰ সমিতিৰ সৰ্বমুঠ ৫২৭ ৱাৰ্ডৰ ভিতৰত কংগ্ৰেছে ২৮১ খন, অ.গ.প. ই ১০৬, বি.জে.পি. ই ৭৯, এন.চি.পি.য়ে ৮ খন, চি.পি.আই.(এম) য়ে ১ খন নিৰ্দলীয় তথা অন্যান্য দলে ৫২ খন আসন লাভ কৰে।

**অধিক বিপৰ্যয়ৰ সন্মুখীন হ'ব পাৰে অ.গ.প.**


পৌৰ নিৰ্বাচনৰ পৰা উপযুক্ত শিক্ষা গ্ৰহণ নকৰিলে ভৱিষতে অধিক বিপৰ্যয়ৰ সন্মুখীন হ'ব পাৰে ৰাজ্যৰ প্ৰধান বিৰোধী দল অ.গ.প.। 'গুপ্তঘাটক' ক্ষমতাৰ দন্দকে ধৰি একাধিক অভিযোগৰ প্ৰভাৱৰ পৰা আজিও মুক্ত হ'ব পৰা নাই এসময়ৰ ৰাইজৰ চকুৰমণি, বুকুৰ কুটুম স্বৰূপ এই আঞ্চলিক দলটোৰ নেতৃত্ব। আনহাতে নেতৃত্বৰ মাজত ঘটি থকা ক্ষমতাৰ অৰিয়া-অৰিয়ে দলটোক বাৰুকৈয়ে ক্ষতিগ্ৰস্থ কৰিছে। উল্লেখ্য যে এইবাৰ পৌৰ নিৰ্বাচনত অ.গ.প.ৰ মূল নেতাদ্বয় সভাপতি বৃন্দাবন গোস্বামী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ গৃহ জিলা কেইখনতো দলটোৱে বিশেষ সফলতা অৰ্জন কৰিব নোৱাৰিলে। সেইদৰে এসময়ৰ অ.গ.প. দুৰ্গস্বৰূপ যোৰহাট নগৰতো পৌৰসভা নিৰ্বাচনে অ.গ.প.ৰ বিপৰ্যয়ৰ সূচনা কৰিলে। সেয়ে, নেতৃত্বই উপযুক্ত সময়ত উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে আঞ্চলিক দলটোৱে অনাগত সময়ত অধিক লোকচান ভৰিবলগীয়া যে হ'ব - সেইটো নিশ্চিত।

**বি.জে.পি. ৰ উৎসাজনক স্থিতি . . . কিন্তু স্থায়ীত্ব কিমান?**

পৌৰ নিৰ্বাচনত বি.জে.পি. দলে নিজৰ দলীয় স্থিতিক কিছু সবল ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হোৱা স্বতেও দেখা যায় যে অসমৰ ৰাইজে দলটোক এতিয়াও সহজভাৱে ল'ব পৰা নাই। বিহাৰী আৰু অসমীয়াৰ সংঘৰ্ষৰ মাজত দলটোৰ কিছু সংখ্যক নেতাই দায়িত্বহীনভাৱে কৰা কিছুমান বিস্ফোৰক মন্তব্যই দলটোৰ প্ৰতি সাধাৰণ মানুহক অধিক সন্দিহানহে কৰি তুলিলে। সাম্প্ৰদায়িকতাবাদী বুলি চাপ থকা গেৰুৱা দলটোৰ নেতৃত্বক সেয়ে ভোটাৰ ৰাইজে তেওঁলোকে আশা কৰাৰ বিপৰীত প্ৰতিক্ৰিয়া দেখুওৱালে।

**মৰিয়নিত কংগ্ৰেছৰ বিপৰ্যয়**

ৰাজ্যৰ পৌৰ নিৰ্বাচনৰ সামগ্ৰিক ফলাফল কংগ্ৰেছ (ই) ৰ সপক্ষে গলেও মৰিয়নিৰ নিচিনা মফচলীয়া নগৰ এখনত সমষ্টিটোৰ বিধায়িকা তথা অসম চৰকাৰৰ এগৰাকী কেবিনেট পৰ্যায়ৰ মন্ত্ৰী ৰূপম কুৰ্মীৰ অকৰ্মণ্যতা আৰু জন সম্পৰ্কহীনতাৰ বাবেই দলটোৱে বিপৰ্যয় সন্মুখীন হ'বলগীয়া হ'ল বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। তাৰ বিপৰীতে একাধিক জনহিতকৰ কাৰ্যসূচীৰে মৰিয়নিৰ ৰাজনৈতিক আকাশত চমক সৃষ্টি কৰি অলক ঘোষে এন.চি.পি. দলটোৱে সফলতাৰ ফালে লৈ যাবলৈ সক্ষম হৈছে। উল্লেখ্য যে মৰিয়নি নগৰ সমিতিৰ আটাইকেইখন আসন এইবাৰ এন.চি.পি. দলে দখল কৰিলে। ❑



গোষ্ঠীগত সংঘৰ্ষৰ আগত . . .    . . . পিছত



# অনাদৃত কুশল কোঁৱৰ

নগেন গগৈ

এখন দেশৰ উন্নতি আৰু অৱনতিৰ মুল কাৰণ হৈছে সেই দেশৰ ৰাজনৈতিক নেতাসকল। নেতাসকল যদি দুৰ্নীতি পৰায়ণ, ভ্ৰষ্টাচাৰী, গুপ্তঘাতক, বিলাসপ্ৰিয় হয়, দেশৰ নাগৰিকৰ জনমতৰ প্ৰতি যদি তিলমানো গুৰুত্ব নিদিয়ে তেন্তে সেই দেশৰ ধ্বংস অনিবাৰ্য হৈ পৰে যদিও জনগণ সচেতন হ'লে সেই দেশৰ উন্নতিও সম্ভৱ। একোজন ৰাজনৈতিক নেতা বা নেত্ৰীৰ ওপৰতেই তেওঁ নেতৃত্ব দিয়া অঞ্চলটোৰ বা সমষ্টিটোৰ উন্নতি নিৰ্ভৰ কৰে। তাৰ পৰিবৰ্তে নেতা বা নেত্ৰী গৰাকীৰ চৰম অমনোযোগিতাৰ ফলত কেনেকৈ একোটা সমষ্টি বাৰে কুৰি সমস্যাৰে ভাৰাক্ৰান্ত হৈ উঠিব পাৰে তাৰ জ্বলন্ত উদাহৰণ হৈছে মৰিয়নি বিধানসভা সমষ্টিতো। মৰিয়নিৰ বিধায়িকা তথা বৰ্তমান চৰকাৰৰ নিয়োগ মন্ত্ৰী ৰূপম কুৰ্মী সমষ্টিটোৰ পৰা কংগ্ৰেছ দ'লৰ প্ৰতীক চিহ্ন লৈ কেইবাৰো বিজয়ী হৈ আহিছে যদিও প্ৰতিবাৰেই নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতিবোৰ ফুটুকাৰ ফেন হোৱাত স্বাভাৱিকতেই সমষ্টিটোৰ ৰাইজৰ মনত ক্ষোভৰ সৃষ্টি হৈছে। ইতিপূৰ্বে তাৰ উদ্গীৰণ ঘটিল শেহতীয়াকৈ হৈ যোৱা নগৰ সমিতিৰ নিৰ্বাচনত। এই বাৰ নগৰ-সমিতিৰ নিৰ্বাচনত বিধায়িকা গৰাকীৰ জন-সম্পৰ্কহীনতা আৰু অকৰ্মণ্যতাৰ বাবেই মৰিয়নি নগৰত কংগ্ৰেছ দলে এখনো আসন দখল কৰিব নোৱাৰিলেবুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। ইতিমধ্যে মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অকৰ্মণ্য মন্ত্ৰীৰ তালিকাত দুই নম্বৰ স্থান পোৱা ৰূপম কুৰ্মীৰ দুৰ্বল নেতৃত্বৰ বাবেই অনাগত সময়ত সমগ্ৰ মৰিয়নি সমষ্টিটোতেই কংগ্ৰেছ (ই) দলৰ ভেটি কঁপি উঠাৰ আশংকাই দেখা দিছে। মন্ত্ৰী কুৰ্মীৰ অৱহেলাৰ অন্যতম উদাহৰণ হৈছে কুশল কোঁৱৰ গাওঁ পঞ্চায়ত। স্বাধীনোত্তৰ ৫৬ বছৰ অতিক্ৰম কৰাৰ পিছতো প্ৰতিজন ৰাজনৈতিক নেতা তথা চৰকাৰী আমোলাৰ অৱহেলাৰ ক্ষেত্ৰবুলি পৰিচিত কুশল কোঁৱৰ গাওঁ-পঞ্চায়তৰ সমস্যা সমূহ সমাধান কৰাৰ ক্ষেত্ৰত মন্ত্ৰী কুৰ্মীয়ে আজিলৈকে কোনো ধৰণৰ আগ্ৰহ নেদেখুৱালে।



বাহনী-নগাধুলী সংযোগী পথৰ নাহৰভাগী জানৰ ওপৰত থকা দলংখন আজিও পথৰ সতে সংযোগবিহীন।

**জৰাজীৰ্ণ পথ-দলং ঃ মন্ত্ৰী কুৰ্মী উদাসীন ঃ** কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ কেন্দ্ৰবিন্দুৰপৰা যাতায়ত কৰিবৰ বাবে চাৰিটাকৈ ৰাস্তা আছে যদিও কোনো এটা ৰাস্তাকে সুচল বুলি ক'ব নোৱাৰি। কেইবাদশক জুৰি এই জৰাজীৰ্ণ বাট পথেৰেই কুশল কোঁৱৰ বাসীয়ে বহিঃজগতৰ লগত সম্পৰ্ক স্থাপন কৰি আহিবলগীয়া হৈছে। বাঁহনি-নিউসোণোৱাল পথচোৱাত গটঙা খৃষ্টান বস্তিৰ সমীপৰ দলং দুখন চৰকাৰে নিৰ্মাণ নকৰাত অঞ্চলটোৰ ৰাইজে বাঁহেৰে উক্ত দলং দুখন সাজি বছৰ বছৰ ধৰি আহ-যাহ কৰি থাকিব লগীয়া হৈছে। আনহাতে পথটোৰ ওপৰত থকা প্ৰকাণ্ড প্ৰকাণ্ড গাঁত সমুহ পুতি নিদিয়াত সাধাৰণ পদচাৰীৰ কাৰণেও এই পথচোৱা বিপদজ্জনক হৈ পৰিছে। আনহাতে বাহনি খৰিকটীয়া পথচোৱা দ-লাহিং গাঁৱৰ মাজত মদাৰজানৰ খহনীয়াই নিচিন্ন কৰি পেলোৱাৰ উপক্ৰম হৈছে। বাহনিৰ পৰা খেৰমিয়া হৈ তিতাবৰ সংলগ্নকাৰী পথটো খেৰমিয়া সীমান্ত নিৰীক্ষণ চকীৰ সমীপৰ কাচজান নৈৰ ওপৰৰ দলংখন (৩/২নং) ২০০২ চনৰ জুন মাহত খেৰমিয়া বাগানৰ পৰা কেঁচা-চাহপাত কঢ়িওৱা এখন ট্ৰেক্টৰ সতে ভাগি পৰাত এজন বনুৱাৰ থিতাতে মৃত্যু হয়। উক্ত দলঙখন আজিও নিৰ্মাণ নোহোৱাত অঞ্চলটোৰ ৰাইজে যথেষ্ট সমস্যা সন্মুখীন হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে অঞ্চলটোৰ যাতায়তৰ সমস্যা সমুহ দুৰ কৰাত আজিলৈকে মন্ত্ৰী কুৰ্মীয়ে কোনো ধৰণৰ তৎপৰতা দেখুওৱা নাই। এইক্ষেত্ৰত তেওঁক সম্পুৰ্ণ উদাসীন বুলি জনা গৈছে।

**সোণৰ কণী পৰা হাঁহ**

বাঁহনি-নগাধুলি সংলগ্ন পথচোৱা চনৰ ২০০৩ মাৰ্চ-এপ্ৰিল মাহতে পঞ্চায়তৰ দ্বাৰা মেৰামতি কৰিছিল যদিও বাৰিষা বাঢ়নি পানীয়ে পথটো চিঙি পেলোৱাৰ উপৰিও উক্ত পথৰ নাহৰভাগিজানৰ ওপৰত তথাকথিত নিৰ্মাণ কৰা দলংখন বৰ্তমান ঠিকাদাৰ সকলৰ বাবে সোণৰ কণী পৰা হাঁহজনীৰ সদৃশ হৈ পৰিছে বুলি ৰাইজৰ মুখে মুখে

বহুলভাৱে প্ৰচাৰিত হৈছে। জানিব পৰামতে২০০২ চনত ৩০০০০০.০০ (তিনিলাখ) টকাৰ ব্যয়ৰে মাত্ৰ দুটা পিলাৰ নিৰ্মাণ কৰি টকা শেষ হোৱাত পুনৰ টকা অনুমোদন জনাই দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰে যদিও আজি চাৰিমাহ ধৰি পথৰ সতে দলংখনৰ সংযোগস্থলী মাটিৰে পূৰণ নকৰাত এতিয়াও যাতায়তৰ কাৰণে উপযোগী হৈ উঠা নাই। এই ক্ষেত্ৰত মন্ত্ৰী কুৰ্মীয়ে কিছু কাণসাৰ দিবনে বুলি ৰাইজে প্ৰশ্ন কৰিছে।

**জৰাজীৰ্ণ পশু চিকিৎসা কেন্দ্ৰঃ**

কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ শতকৰা ৯৯ জন লোকেই কৃষিজীৱি। প্ৰতিবছৰেই এই কৃষিজীৱি অঞ্চলটোত শ শ গৰু-ম'হ, কুকুৰা-হাঁহ বেমাৰত মৃত্যু হৈ কৃষক সকলৰ মূৰত ৰামটাঙোন সোধাই আহিছে।২৫ বছৰৰ পূৰ্বে অঞ্চলটোৰ ৰাইজৰ সুবিধাৰ বাবে বাহনিত প্ৰতিষ্ঠা কৰা পশু-উপ-স্বাস্থ্য কেন্দ্ৰটোৱে সম্প্ৰতি কদৰ্য্যৰূপ ধাৰণ কৰিছে। ইতিমধ্যে উক্ত স্বাস্থ্য কেন্দ্ৰটিৰ পকী দেৱালবোৰ উৱলি যোৱাৰ লগতে দৰ্জা-খিৰিকী আদি সকলোবোৰ নষ্ট হৈছে আৰু উদণ্ডীয়া গৰু ছাগলীৰ আবাসস্থলীলৈ পৰিৱৰ্তন হৈছে। এতিয়া প্ৰশ্ন হৈছে, মন্ত্ৰী কুৰ্মী আৰু তেওঁৰ অনুচৰবাহিনীয়ে কেতিয়াবা বাহনিৰ এই জৰাজীৰ্ণ পশুস্বাস্থ্য কেন্দ্ৰটিলৈ চকু দিছেনে?

**উপ-স্বাস্থ্য কেন্দ্ৰৰ দুৰ্গতিঃ**

অকল গৰু, ম'হ, হাঁহ, কুকুৰাই নহয় বহিঃজগতৰ সতে সুচল যাতায়তৰ ব্যৱস্থা নথকা অনাদৃত কুঁশল কোঁৱৰ গাঁও পঞ্চায়তত মেলেৰিয়া, গ্ৰহণী, টাইফয়ড আৰু ভাইৰেল জ্বৰে প্ৰতিবছৰেই বহুসংখ্যক লোকৰ জীৱন কাঢ়ি নিলে। জন-স্বাস্থ্য সেৱাৰ নামেৰে এই অঞ্চলত বিশেষ চৰকাৰী ব্যৱস্থা নামত থাকিলেও কামত নাই বুলিয়েই ক'ব পাৰি। প্ৰায় ১০/১২ বছৰ পূৰ্বে চৰকাৰী কাগজে পত্ৰই থকা বাহনি উপস্বাস্থ্য কেন্দ্ৰটি সেই অঞ্চলৰ জ্ঞানদীপ প্ৰগতি সংঘত এগৰাকী নাৰ্চৰ তত্বাৱধানত চলি আছিল যদিও উক্ত ঘৰটো ভাঙি পৰাত আৰু সেই সময়ৰ নাৰ্চ গৰাকী বদলি হোৱাত স্বাস্থ্য কেন্দ্ৰটিৰ কাম-কাজ প্ৰায়ে স্থবিৰ হৈ পৰে। বৰ্তমানৰ নাৰ্চ গৰাকীয়ে মাহেকত এবাৰকৈ আহি ২৫২ নং বাহনি প্ৰাথমিক বিদ্যালয়ৰ বাৰান্দাত বহি শিশুৰ প্ৰতিষেধক বেজি-চিতা দিয়াৰ লগতে অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্যৰ বুজ লয় বুলি জানিব পৰা গৈছে। এনেদৰেই বাহনিত চলি আছে চৰকাৰী জন-স্বাস্থ্য সেৱা।

**এটোপাল বিশুদ্ধ খোৱাপানীৰ বাবে হাঁহাকাৰঃ**

“২০০০ চনত সকলোৰে বাবে স্বাস্থ্য” বোলা কথাষাৰৰ কুশল কোঁৱৰ গাঁও পঞ্চায়ত এলেকাত ঢাক্-ঢোল পিতি শুনোৱা চৰকাৰী অন্তসাৰ শূণ্য বাক্যলৈ পৰিৱৰ্তন হ'ল। ১৯৮৫ চনতে নামৰূপীয়া গাঁৱত প্ৰতিষ্ঠা কৰা 'নামৰূপীয়া খোৱা পানী যোগান কেন্দ্ৰ' নামৰ আঁচনিখন এতিয়া অঞ্চলটোৰ ৰাইজৰ বাবে বগা হাতীত পৰিণত হ'ল বুলি কব পাৰি। উল্লেখযোগ্য যে একাংশ চৰকাৰী কৰ্মচাৰীৰ অৱহেলাৰ বাবে আজি ১৬ টা বছৰৰ পিছতো এই আঁচনিখন সম্পূৰ্ণ হৈ নুঠিল। নামৰূপীয়া গাঁৱৰ মুষ্টিমেয় ৰাইজৰ বাদে ওচৰচুবুৰীয়া অনান্য গাঁৱৰ ৰাইজ আজিও এই আঁচনি খনৰ পৰা উপকৃত নহ'ল।

**দুৰ সংযোগে চুৰ পৰা নাই কুশল কোঁৱৰকঃ**

দেশৰ দুৰসংযোগ বিভাগে চমকপ্ৰদ উন্নতি লাভ কৰাৰ সময়তো সীমান্তৱৰ্তী এই অঞ্চলটোৰ পৰা বহি-জগতৰ সতে তাৎক্ষণিক যোগাযোগৰ কাৰণে কোনো ধৰণৰ টেলিফোন সেৱাৰ ব্যৱস্থা নাই। উল্লেখযোগ্য যে আজি তিনিবছৰ মান আগতে বাহনি আৰু নামৰূপীয়া ডাকঘৰ কেইটাত থকা টেলিফোন ব্যৱস্থা উঠাই দিয়াত সীমান্তৱৰ্তী ৰাইজ বাৰুকৈয়ে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। আশ্চৰ্যকৰ কথা যে, এই পঞ্চায়তক আগুৰি থকা আন তিনিটা পঞ্চায়তত নতুন টেলিফোন সেৱা প্ৰৱৰ্তন হৈ আছে। এতিয়া প্ৰশ্ন হয়, কাৰ অৱহেলাৰ বাবে এই পঞ্চায়তবাসী আজিও বঞ্চিত হৈ আছে? বিভাগীয় কৰ্তৃপক্ষ তথা স্থানীয় বিধায়িকা কুৰ্মীৰ সতে যোগাযোগ কৰিও ৰাইজে আজিও সুফল নাপালে।

**কুশল কোঁৱৰত লাইট জ্বলে মাজনিশাঃ**

ইয়াতে মাৰিলো টিপা, গড়গাওঁ পালেগৈ শিপা নামেৰে খ্যাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মৰিয়নি উপ-সংমণ্ডলৰ নাগাজাংকা বিদ্যুৎ নিয়ন্ত্ৰণ কক্ষত টিপা মাৰে যদিও টিপাটো আহি শিলিখাত বেৰেল চিঙি দিয়াত কেতিয়াবা সমগ্ৰ অঞ্চলটোৰেই আন্ধাৰত ডুব যায়। আনহাতে দ-লাহিং আৰু চেৰেলী গাঁৱৰ বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ কেইটা শক্তিশালী নোহোৱাত সন্ধিয়া সময়ত লাইটবোৰ নজ্বলে আৰু মাজনিশাহে সাৰপাই এই অঞ্চলটোৰ মানুহে লাইটৰ পোহৰ দেখিবলৈ পায়।



যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত ব্যাঘাত জন্মাৰ উপৰিও অঞ্চলটোৰ ৰাইজে বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আনহাতে দ-লাহিং গাঁৱৰ বিদ্যুৎ পৰিবাহী তাঁৰৰ খুটা এটা ভাঙি পৰাত আজি বহুদিন ধৰি বাঁহৰ বিকল্প খুটা এটা ৰাইজে লগাই থৈছে। লাইট জ্বলক বা নজ্বলক ৰাইজে কিন্তু বিদ্যুৎ পৰিষদত মাহেকত বিল পৰিশোধ কৰিবলৈ বাধ্য হৈছে। উল্লেখযোগ্য, যে ২০০১ চনত সকলোৰে বাবে বিদ্যুৎ” বুলি বিদ্যুৎ পৰিষদে জয়ঢোল বজালেও বৰ্তমান ২০০৪ চনতো এই পঞ্চায়তৰ কেইবাখনো গাঁও এতিয়ালৈকে বিদ্যুৎ যোগানৰ পৰা বঞ্চিত হৈয়ে আছে।


**সৰ্বশিক্ষাৰ ভেকোভাওঁনা ঃ**

সৰ্বশিক্ষাৰ দৰে চৰকাৰী অভিলাষী আঁচনি কুশল কোঁৱৰ গাঁও পঞ্চায়তত ভেকো ভাওঁনা হে হৈ পৰিছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। এই আঁচনিৰ জয়ঢোল বাজি থকাৰ সময়তে, বাহনি প্ৰাথমিক বিদ্যালয়, খেৰমিয়া গাওঁ প্ৰাথমিক বিদ্যালয়, খেৰমিয়া বাগান প্ৰাথমিক বিদ্যালয়কে ধৰি এই পঞ্চায়তৰ কেইবাখনো প্ৰাথমিক বিদ্যালয় বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে একোজনকৈ শিক্ষকে পাঠদান কৰি থাকিব লগা হৈছে। ইতিমধ্যে অসমৰ বিভিন্ন অঞ্চলত, সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে শিক্ষাকৰ্মী আৰু শিক্ষা-সাৰথি নিয়োগ কৰা হ'ল যদিও এই বিদ্যালয় কেইখন বাদ পৰি যোৱাত অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। আনহাতে স্থানীয় ৰাইজৰ প্ৰচেষ্টাত গঢ়ি উঠা বাহনি হাইস্কুলখনে আজি ১০ বছৰ অতিক্ৰম কৰাৰ পিছতো চৰকাৰীকৰণ দূৰৰে কথা অষ্টমশ্ৰেণী খোলাৰ অনুমতিও চৰকাৰৰ পৰা লাভ নকৰিলে।)

এতিয়া প্ৰশ্ন হৈছে, কেৱল প্ৰতিশ্ৰুতি-প্ৰলোভনেৰে ৰাজনীতি কৰা ৰূপম কুৰ্মীয়ে অনাগত সময়চোৱাত উল্লেখিত জ্বলন্ত সমস্যা সমূহ সমাধান কৰাত গুৰুত্ব দিবনে? এই প্ৰশ্নৰ ওপৰতেই নিৰ্ভৰ কৰিব ৰাজনীতিত দীৰ্ঘদিন ধৰি কেৱল চাহ জনগোষ্ঠীৰ মহিলা হিচাপেই ক্ষমতা দখল কৰি অহা শ্ৰীমতী কুৰ্মীৰ ৰাজনৈতিক ভৱিষ্যত। কাৰণ অনাদৃত কুশল কোঁৱৰ এটা মাত্ৰ উদাহৰণহে। আজি সমগ্ৰ মৰিয়নিৰ ৰাইজেই এশ এবুৰি সমস্যাৰ মাজত দিন কটাব লগীয়া হৈছে। ❑

ৰাইজলৈ নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে
LICI AGENT
MISS MINA SAIKIA
TOKOWBARI GAON
আপোনালোকৰ বহু মূলীয়া মৃত পলিচি বোৰ পুনৰ জীয়াই তুলিবলৈ মোৰ লগত অনতি পলমে যোগাযোগ কৰক।
AGENT CO. 0107844E
তিতাবৰ শাখা D.O.
CODE - 0669044
PHON NO. - 248135

ৰাইজলৈ নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে
মিউজিক লাৰ্ভাৰ্চ
খৰিকটীয়া (ধোদৰআলি, যোৰহাট,অসম)
পিন ৭৮৫৬৩৩



# নগা চাহাবে কৰা ৰজাবাৰীৰ কাহিনীৰ নায়ক তুলসীৰাম বৰা বিকলাংগ হৈয়ো নামি পৰিল জীৱন সংগ্ৰামত

জীৱন দত্ত

যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ অন্তৰ্গত এখন অখ্যাত গাঁও ৰজাবাৰী। মৰিয়নি নগৰৰ পৰা ৩৯ কিঃমিঃ পূবে আৰু আমগুৰিৰ পৰা ১৬ কিঃমিঃ দক্ষিণ পশ্চিমত অসম-নগালেণ্ড সীমামুৰীয়া এই গাঁওখন ১৯৫৫ চনতে বৃটিছ চাহাবে স্থাপন কৰিছিল। মাত্ৰ ২৪ ঘৰ আবাসীৰে গঠিত এখন পৃথক সমাজ। এই খন গাঁৱলৈকে বুলি অলপতে ৰাওনা হৈছিলো সতীৰ্থ-বন্ধু জয়দীপ বুঢ়াগোঁহাইৰ সৈতে। মৰিয়নিৰ পৰা ধোদৰ আলিৰে (আমগুৰি পথ) ২৪ কিঃমিঃ গৈ সোঁকাযে চেলেং চাহবাগিছাৰ মাজেৰে ১০ কিঃমিঃ দক্ষিণলৈ গৈয়ে প্ৰথমে পালোগৈ নগা পাহাৰৰ পৰা ওলাই অহা ৰংখাম নদী। নদীখন পাৰ হৈ প্ৰায় ৩ কিঃমিঃ আগুৱালেই নগাপাহাৰৰ গাতে লাগি থকা এটা ওখ টিলাত স্থাপন কৰা গাঁওখন পোৱা যায়। কুষ্ঠৰোগীক পুণৰ সংস্থাপনৰ নামত কলীয়াপানী সদৃশ অজান্তি মুলুকত এৰি দিয়া লোকসকলক লগ পোৱাৰ উৎকণ্ঠাৰে দুৰ্গম বাটেৰে আগবাঢ়িলো। ৰংখাম নদীৰ একাঠু পানীত খুপি খুপি পাৰহৈ জনশূণ্য পথেৰে আগুৱাই ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ত উপস্থিত হলো। প্ৰধান শিক্ষক গৰাকীক আমাৰ আগমনৰ উদেশ্য অবগত কৰাত দুজন ছাত্ৰই পথ দেখুৱাই লৈ গ'ল গাঁওখনৰ বয়োজ্যেষ্ঠ ব্যক্তি তুলসীৰাম বৰাৰ ঘৰলৈ। গাঁওখনৰ সকলোৰে শ্ৰদ্ধাৰ তুলসী ৰাম বৰাৰ ঘৰত উপস্থিত হৈ পৰিচয় দিয়াৰ পিছত তেখেতে আমাক আথে-বেথে বহোৱাই বৰ্ণনা কৰিছিল এই অজান্তি মুলুকলৈ তেওঁলোকৰ আগমনৰ কাহিনী। সেই সময়ত দেশত দেখাদিয়া কুষ্ঠৰোগে আমাৰ সমাজ ব্যৱস্থাতো বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। সমাজৰ কোনো এজন ব্যক্তিৰ এই ৰোগে দেখা দিলে তেঁওক এঘৰীয়া কৰা হৈছিল। বিনা চিকিৎসাই ৰোগীৰ মৃত্যু ঘটিছিল। কিন্তু সেই দুৰ্যোগৰ সময়ত আগবাঢ়ি আহিছিল খৃষ্টান মিছনেৰীসকল। তেওঁলোকে অসম ব্যাপী প্ৰচাৰ কৰিছিল যে, কুষ্ঠৰোগ দুৰাৰোগ্য নহয়। এই ৰোগত আক্ৰান্ত ৰোগীৰ জহি-খহি যোৱা শৰীৰৰ বিভিন্ন অংগসমূহ ঘূৰাই নেপালেও চিকিৎসাৰ দ্বাৰা ৰোগ নিৰাময় কৰিব পাৰি। মিছনেৰীসকলৰ এই প্ৰচাৰে যোৰহাট জিলাতো সহাৰি লাভ কৰিছিল আৰু জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা চিকিৎসাৰ বাবে আগবাঢ়ি আহিছিল। এই ৰোগত আক্ৰান্ত ৰোগী। যোৰহাট মিছন হাস্পাতালত চিকিৎসা কৰোৱাই আৰোগ্য লাভ কৰাৰ পাছত এইসকল ৰোগীকে পুণৰ সংস্থাপন দিয়া হৈছিল। নগালেণ্ডৰ সীমামুৰীয়া এই আওহতীয়া ঠাইত। মিছন হাস্পাতালৰ ডাঃ এইচ. ডব্লিউ কাৰ্বী চাহাব, চেলেং বাগিচাৰ চাহাব আৰু জিলা উপায়ুক্তই পুনৰ সংস্থাপনৰ বাবে প্ৰয়োজনীয় মাটিৰ ব্যৱস্থা কৰি দিছিল। এই সংস্থাপিত লোকসকলৰ মাজতে আছিল তুলসীৰাম বৰা নামৰ দূৰদৰ্শী ব্যক্তিজন। নিজে বিকলাংগ হৈয়ো ওৰেটো জীৱন বিকলাংগ কুষ্ঠৰোগীসকলৰ উন্নতিৰ হকে প্ৰচেষ্টা চলাই আহিছে। অতি দুখেৰে তেওঁলোকৰ গাঁওখনলৈ আগমনৰ কথা আমাক ব্যক্ত কৰিছিল। (তুলসী বৰাৰ কথাৰে) তেওঁ বুজন হোৱাৰ সময়ৰে কথা। তেওঁৰ শৰীৰত দেখা দিছিল এই অভিশপ্ত ৰোগটোৱে। ৰোগটোৰ কাৰণে পঢ়াশালীত শিক্ষক-সহপাঠী সকলোৱে ঘিন কৰিছিল তেওঁক। সমাজতো লেই-লেই চেই-চেই। চিকিৎসকৰ ওচৰলৈ যাবলৈও সংকোচ। কিয়নো খৃষ্টান ধৰ্মৰ লোকে চিকিৎসা কৰিব, অখাদ্য খুৱাব-ধৰ্ম নষ্ট যাব। কিন্তু তুলসীৰাম বৰাই তেনে নকৰিলে। ঘৰৰ অমতত এদিন লুকাই-চুৰকৈয়ে যোৰহাট মিছন হাস্পাতালত থাকি চিকিৎসা কৰোৱালে। সৰু কালৰে পৰা পঢ়া শুনাৰ প্ৰতি ধাউতি থকা তুলসীয়ে পৰিয়ালৰ মায়া-মোহ ত্যাগ কৰি ব্ৰতী হৈ পৰিল এক নতুন জীৱন সংগ্ৰামত। আমাক জানিবলৈ দিয়া মতে, গাঁওখনলৈ প্ৰথম ক্ষেপত ১৬ ঘৰ আৰু ২৪ ঘৰ মানুহ আহিছিল যদিও অজান আশংকাত প্ৰথম অঞ্চলটোৰ পৰা কেইবাঘৰো মানুহ ঘুৰি অহাত এতিয়া মাত্ৰ ১৯ ঘৰহে আছেগৈ। ডাঃ এইচ.ডব্লিউ.কাৰ্বী আৰু ডাঃ মেৰী বেৰীৰ তৎপৰতাতে উক্ত গাঁওখনত গঢ়লৈ উঠিছিল এটি গীৰ্জা ঘৰ। ধৰ্মীয় নীতি-নিয়ম, সামূহিক প্ৰাৰ্থনাস্থলী এই গীৰ্জা ঘৰেই আছিল গাঁও খনৰ ত্ৰাণকৰ্তা, হৰ্তা-কৰ্তা বিধাতা। গীৰ্জাৰ পৰিচালক সুৰেণ কৌলে জানিবলৈ দিয়ে, সেই মহান চিকিৎসক দুগৰাকীয়ে এই পুণৰ সংস্থাপিত গাঁওখনৰ কাৰণে অশেষ ত্যাগ স্বীকাৰ কৰি ধৰ্মীয় অনুষ্ঠান, বৰদিন আদিত গীৰ্জালৈ বৰঙণী আগবঢ়াই উৎসৱ উপভোগৰ সুবিধা কৰিছিল। ১৯৫৭ চনৰ ২ আগষ্টত ডাঃ কাৰ্বী আৰু কিছুদিনৰ পিছতে ডাঃ মেৰী পৰলোকগামী হয়। এইবাৰ এই দুৰ্ভগীয়া লোক সকলৰ প্ৰতি কৰুণা জাগিল এগৰাকী আমেৰিকান মিছনেৰীৰ। মিচ্ এলিচ (সম্পূৰ্ণ নাম জ্ঞাত নহয়) এই নামৰ এইগৰাকী আমেৰিকা বাসীয়ে যোৰহাটত থকা সময়তে গাওঁখনৰ ৰাইজলৈ বিভিন্ন সামগ্ৰী, কাপোৰ, কম্বল, সাজ-পোচাক আদিৰ লগতে আৰ্থিক সাহাৰ্যও দি আছিল। তেওঁ আমেৰিকালৈ ঘূৰি যোৱাৰ পিছত দুবছৰৰ আগলৈকে প্ৰতি বছৰে ২৫ ডলাৰৰ একোখনকৈ চেক্ গীৰ্জা পৰিচালনাৰ বাবে প্ৰেৰণ কৰিছিল যদিও সম্প্ৰতি সেই সাহাৰ্য বন্ধ হৈ পৰাত ধৰ্মীয় অনুষ্ঠান তথা গীৰ্জা পৰিচালনাৰ ক্ষেত্ৰত আৰ্থিক সংকটত ভুগিব লগা হৈছে। ইয়াৰ পিচতো হাৰ মানিব খোজা নাই সত্তোৰোৰ্ধ তুলসী ৰাম বৰাই। শিক্ষা, চিকিৎসা, যাতায়ত, বিজুলী, খোৱা পানী আদিৰ বাবে চৰকাৰী বিভাগবোৰক আবেদন-নিবেদন জনাইছে। সমাজ বৰ্জিত এইখন সমাজৰ একমাত্ৰ শিক্ষিত ব্যক্তি তুলসী ৰাম বৰাৰ প্ৰচেষ্টাতে ১৯৬০ চনত গঢ়ি উঠিছিল এখনি প্ৰাথমিক বিদ্যালয়। পৰিতাপৰ কথা সেই সময়ত আমাৰ তথাকথিত সুস্থ সমাজৰ যি কোনো ব্যক্তিয়ে উক্ত বিদ্যালয়ত শিক্ষকতা কৰিবলৈ সংকোচ কৰিছিল। মিছনেৰী চাহাবৰ অনুৰোধ মৰ্মে তুলসী বৰাই বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে। ৰজাবাৰী প্ৰাথমিক বিদ্যালয় নামাকৰণেৰে প্ৰাদেশীকৰণ হোৱাৰ পাছত ১৯৯১চনত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰে। প্ৰনিধানযোগ্য যে উক্ত বিদ্যালয়ত চৰকাৰী নিযুক্তি চাকৰি প্ৰত্যাশীৰ সংখ্যা আজিৰ তাৰিখত যথেষ্ট বেছি। এই সমগ্ৰ কাহিনীৰ মাজৰ সময়চোৱাতে তুলসী বৰাই পুণৰ সংস্থাপিত গাঁওখনৰে এগৰাকী বিকলাংগ মিচিং গাভৰুৰ সৈতে বিবাহ পাশত আবদ্ধ হৈছিল। এতিয়া তেঁওৰ দুগৰাকী কন্যা আৰু এজন পুত্ৰৰ সৈতে পাঁচজনীয়া এটি সুখী পৰিয়াল। গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ পৰা জানিব পৰা মতে, অসম সেৱা সমিতিৰ দ্বাৰা আয়োজিত ৩১জানুৱাৰীৰ পৰা ৫ফেব্ৰুৱাৰীলৈ কুষ্ঠ নিবাৰণী সপ্তাহ উপলক্ষে গাঁওখনত চিকিৎসা সেৱা আগবঢ়োৱা হয়। ইয়াৰ বাহিৰেও মিছন হাস্পাতালৰ চিকিৎসকসকলে বছেৰেকত এবাৰ গাঁওবাসীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ বিপৰীতে চৰকাৰী স্বাস্থ্য বিভাগৰ যেন কোনো দ্বায়িত্বয়েই নাই এই লোক সকলৰ প্ৰতি। বনৰীয়া হাতীৰ উপদ্ৰৱ, নগালোকৰ দ্বাৰা অবৈধ মাটি দখলৰ ভাবুকি আদিৰ প্ৰতিও প্ৰশাসন, সীমান্ত নিৰাপত্তা বাহিনী সমূহ নিৰৱ দৰ্শক মাঁথো। উল্লেখযোগ্য যে, ৰাইজৰ প্ৰতিনিধি সকলেও নিৰ্বাচনৰ সময়তহে ভোট বিচাৰি ঢাপলি মেলে সমাজৰ এলাগী। এই লোকসকলৰ মাজলৈ। গাদীদখলৰ পাছত নিৰ্লজ্জজনক ভাবে পিঠি দিয়ে গেলা আলুৰ দৰে দলিয়াই পেলোৱা এই অংগক্ষয়ী লোকসকললৈ। আশাবাদী তুলসী ৰাম বৰাই তেওঁৰ সমাজখনক প্ৰতিষ্ঠা কৰাৰ সপোন দিঠকলৈ ৰূপান্তৰ হ'বনে? চৰকাৰে এইসকল লোকৰ বাবে ভাবিবলৈ অৱকাশ পাবনে কেতিয়াবা? ❑

## শংকৰ সংঘৰ জিলা অধিবেশন প্ৰস্তুতি

**জনজীৱন সেৱা ঃ**
নামৰূপীয়া ঃ শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ নৱগঠিত তিতাবৰ জিলা শাখাৰ প্ৰথম অধিবেশন খন নাগাজাংকা বাহনী আঞ্চলিক সমিতিৰ নাগাজাংকাস্থ আঞ্চলিক হৰি গৃহত অহা ৩০,৩১জানুৱাৰী আৰু ১ফেব্ৰুৱাৰীৰ ০৪' তিনিদিনীয়া কাৰ্য্যক্ৰমণিকাৰে পালনৰ প্ৰস্তুতি কৰিছে। এই উপলক্ষে যোৱা ২৯নবেম্বৰত নাগাজাংকাস্থ বাহিনী-নাগাজাংকা আঞ্চলিক নামঘৰত অনুষ্ঠিত সভাত গুণেশ্বৰ গগৈক সভাপতি গুণকান্ত বৰুৱাক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। প্ৰায় একলাখ পঞ্চাশ হেজাৰ টকা বাজেটৰ এই অধিবেশনখনৰ বাবে উক্ত সভাতেই উপস্থিত ভক্ত বৃন্দৰ পৰা ষোল্ল হেজাৰ টকা ইচ্ছাকৃত দানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ❑

ৰাইজলৈ নৱবৰ্ষৰ শুভেচ্ছাৰে
LICI AGENT
MISS MIRA GOGOI
LAHING GAON
P.O. - KHARIKATIA
আপোনাৰ মৃত পলিচি আছে যদি যোগাযোগ কৰক।
নতুন Policy খুলিব নেকি?

ৰাইজলৈ নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে
মিন্ ষ্টেচনাৰী
খৰিকটীয়া স্কুল চাৰিআলি
ডাক ঃ খৰিকটীয়া
যোৰহাট ঃ অসম
পিন ঃ ৭৮৫৬৩৩

## গাঁৱলীয়া বাটেৰে, লুইতৰ ঘাটেৰে, জগত সভালৈ আপুনিও যাবনে?

'জনজীৱনৰ' প্ৰতিবেদন ঃ

অহা ১৬ ৰ পৰা ২১ জানুৱাৰী লৈকে ভাৰতৰ মূল বাণিজ্য কেন্দ্ৰ মুম্বাইত অনুষ্ঠিত হ'ব এক বিৰাট মহাসভা। পৃথিৱীৰ সকলো দেশৰ ৭৫,০০০ প্ৰতিনিধিৰ উপৰিও দহলাখ লোকৰ সমাগমে এই মহাসভা সাফল্যমণ্ডিত কৰি তুলিব বুলি উদ্যোক্তাসকলে আশা কৰিছে। কেৰল পুৱ শিবিৰতে গোট খাব বিশ্বৰ ২৫,০০০ যুৱক-যুৱতী। মঞ্চৰ উদ্বোধনী অনুষ্ঠানৰ বাবে দক্ষিণ আফ্ৰিকাৰ নেলচন মেণ্ডেলা অথবা জাৰ্মানীৰ আন এজন ন'বেল বিজয়ী গুষ্টাৰ গ্ৰাছক নিমন্ত্ৰণ জনোৱা হৈছে বুলি ইতিমধ্যে জানিব পৰা গৈছে। নৌমচমস্কিৰ দৰে বিশ্ববিখ্যাত বুদ্ধিজীৱী, মাইকেল মূৰৰ দৰে অস্কাৰ বিজয়ী হলিউড অভিনেতা, লুলা ডি চিলভা, হিউপ'চাভেৰ ফিডেল কাস্ত্ৰৰ দৰে সংগ্ৰামী নেতাও সদল বলে উপস্থিত থাকিব লগা এই বিৰল আন্তজাৰ্তিক অনুষ্ঠানৰ বাজেট হৈছে প্ৰায় ৩০ কোটি টকা।

বিশ্ব সামাজিক মঞ্চত অৰ্থাৎ 'ৱৰ্ল্ড ছ'ছিয়েল ফৰাম'ৰ অনুষ্ঠিত হ'বলগা এই সভাৰ উপলক্ষে প্ৰতিদিনেই ১৫ খন কেন্দ্ৰীয় চেমিনাৰ, পাঁচখন চিম্পচিয়াম, চাৰিখন জনসভা, ৮০০ খন মুক্ত মঞ্চ উপৰিও দৈনিক আন্তজাৰ্তিক বোলছবি উৎসৱ, ছবি প্ৰদৰ্শনী আদি, ভিডিঅ'ৱাল ক্লজ চাৰ্কিট টি ভি ৰ যোগে সম্পসাৰণ চলি থাকিব।

বাটে-ঘাটে আলিয়ে-গলিয়ে অনুষ্ঠিত হ'ব হেজাৰ-বিজাৰ বাটৰ নাটক, বাটৰ গান, পথ সভা . . . ইত্যাদি। ইতিমধ্যে জানিব পৰা মতে মুম্বাইৰ অনুষ্ঠানৰ বাবে 'থিমচং' লিখিছে এ.আৰ.ৰহমান আৰু ফিলিপ গ্লাচে। আন্তজাৰ্তিক সাংস্কৃতিক অনুষ্ঠানৰ প্ৰথম নিশা ভাৰতীয় শিল্পী সকলৰ দ্বাৰা "অন্য এখন পৃথিৱী গঢ়ি তোলা সম্ভৱ" বিষয়ক লৈ শ্ৰব্য-দৃশ্য পৰিবেশন কৰা হ'ব। ইয়াৰ বাহিৰেও থাকিব লেটিন আমেৰিকাৰ অনুষ্ঠান, পেন এচিয়ান চুফী মিউজিকৰ বানচাৰ্ট, "ৱেকিং দি এমেৰিকান ড্ৰিংক" নামৰ চাৰা জন'চৰ একক প্ৰদৰ্শন, চিঙ্গাপুৰৰ নিবাসী তামিল কবি নাট্যকাৰ ট্ৰলান-গোভানৰ অনুষ্ঠান, ইণ্ডোনেচিয়াৰ চাৰ্জন' কুচুমৰ অনুষ্ঠান/ক্লাচিকেল/ফক। ফিউজন প্ৰগামৰ আঁত ধৰিব আনহাদৰ শবনম হাচমী আৰু শুভা মুদগলে। উল্লেখযোগ্য যে শতাধিক ভাৰতীয় চিত্ৰকৰে মুম্বাইত চলা এশখন বাছ আৰু দুখন লোকেল ট্ৰেইনৰ ভিতৰে-বাহিৰে 'অন্য এখন পৃথিৱী সম্ভৱ' এই বাণীৰে অঁকা অপৰূপ চিত্ৰকৰ্যই অনবৰতে চলন্ত প্ৰচাৰ চলাই বৃহত্তৰ মুম্বাইত ইতিমধ্যেই খলকনি তুলিছে। উল্লেখযোগ্য যে, লেটিন আমেৰিকাৰ বৃহত্তম দেশ ব্ৰাজিলৰ (মাটিকালি ভাৰতৰ প্ৰায় ত্ৰিশগুণ) একেবাৰে দক্ষিণৰ পৰ্ট এলগ্ৰে চহৰত ২০০১ চনত বিশ্বৰ শতাধিক দেশৰ পাঁচশতকৈও বেছি জাতীয় আৰু আন্তজাৰ্তিক সংগঠনৰ ২০,০০০ তকৈও বেছি প্ৰতিনিধি সমবেত হয় বিশ্বৰ সামাজিক মঞ্চৰ জন্ম দিছিল ২০০২ চনৰ জানুৱাৰী ফেব্ৰুৱাৰীত বাজ্ৰিলৰ পৰ্ট এলগ্ৰেতেই অনুষ্ঠিত দ্বিতীয় বিশ্ব সামাজিক মঞ্চই তাতোতকৈ বেছি সফলতা লাভ কৰিলে আৰু ইয়াত সমবেত হৈছিল। বিশ্বৰ ১৩১ খন দেশৰ ৫৫,০০০ মানুহ। সকলোৱে প্ৰতিবাদী সমস্বৰে চিঞৰি উঠিছিল - "Another world is possible very much possible."

এইবাৰ, গোলকীকৰণৰ বিৰুদ্ধে উক্ত শ্লোগানেৰে মুম্বাই চহৰতো যে আকাশ বতাহ কঁপাই তুলিব সেয়া নিশ্চিত।❑

### অসমতো আৰম্ভ হৈছে W.S.F. ৰ প্ৰক্ৰিয়া

অসমতো আৰম্ভ হৈছে বিশ্বায়ণৰ বিৰুদ্ধে W.S.F. ৰ প্ৰক্ৰিয়া। W.S.F. ৰ অসম প্ৰক্ৰিয়াৰ অন্যতম আহ্বায়ক ড° দেৱব্ৰত শৰ্মা আৰু তপন শৰ্মাৰ আহ্বান ক্ৰমে ৰাজ্যখনৰ বুদ্ধিজীৱি, সচেতন ব্যক্তিৰ উপস্থিতিত যোৱা ২৮ ডিচেম্বৰত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত চাৰিখনকৈ কৰ্মশালা অনুষ্ঠিত হৈ যায়। প্ৰথমখন কৰ্মশালাৰ বিষয় আছিল "বিশ্বায়ন শিক্ষা আৰু স্বাস্থ্য"। উক্ত বিষয়-বস্তুৰ ওপৰত ড° ধীৰেন ভাগৱতী, তপন শৰ্মা, ভূপেন্দ্ৰ নাথ গোস্বামী প্ৰমুখ্যে প্ৰায় ডেৰশতাধিক ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। সামন্তৰালভাৱে চলি থকা দ্বিতীয়খন কৰ্মশালাৰ বিষয়বস্তু 'বিশ্বায়ণ আৰু শ্ৰমিক শ্ৰেণী'ৰ ওপৰত আলোচনা আগবঢ়ায় দ্বিপেন কাকতি, বিপুল হাজৰিকা, সপোন দুৱৰা আৰু সত্যেন্দ্ৰ নাথ হাজৰিকাই। সেইদৰে "বিশ্বায়ণ আৰু জাতি-জনগোষ্ঠী"ৰ বিষয়ৰ ওপৰত অনুষ্ঠিত কৰ্মশালাত অংশ গ্ৰহণ কৰে কুন্দিল কুমাৰ গগৈ, জ্যোতি ৰেখা হাজৰিকা, জিতু বৰা প্ৰমুখ্যে সচেতন ব্যক্তিসকলে। আনপিনে সমান্তৰাল ভাৱে চলি থকা আন এখন কৰ্মশালা 'বিশ্বায়ণ আৰু নাৰী' বিষয়ৰ আলোচনাত সান্ত্বনা শৰ্মা, মন্দিৰা হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে। অসম প্ৰক্ৰিয়াৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ড° বেণু গগৈ, কাৰ্যকৰী সভাপতি যোগানন্দ বৰা, যুটীয়া সম্পাদকদ্বয় জয়ন্ত মাধৱ দত্ত আৰু শিৱদাস ভট্টাচাৰ্যই এই অনুষ্ঠান সাফল্যমণ্ডিত হৈ উঠাত ৰাইজলৈ অভিনন্দন জ্ঞাপন কৰিছে।

*- প্ৰতিবেদক*







## নগা মাষ্টৰৰ প্ৰেম-ভালপোৱা আৰু জীৱন সংগ্ৰাম

*লক্ষেশ্বৰ গগৈ*

**ম**ই কেনেকৈ নগা মাষ্টৰ হলো, সেই বিষয়ে কৈ দিয়াত মোৰ অকনো আপত্তি নাই। কিন্তু প্ৰেম-পীৰিতিৰ কথা! তাকো এই বয়সত? শ্ৰীবিষ্টু শ্ৰীবিষ্টু . . .। আচলতে মোৰ এতিয়া বয়স হৈছে, মই ককাদেউতাক হলো। ককাদেউতাকৰ প্ৰেম-পীৰিতিৰ কথাবোৰ পঢ়ি নাতি-নাতিনীহঁতে নাহাঁহিবনে? বাৰু সময়ত দেখা যাব কৰ পানী, কলৈ বয়।

কলেজত আমাৰ এজন অধ্যাপক আছিল, ঘনকান্ত চেতীয়া ফুকন, দৰ্শনৰ অধ্যাপক। কলেজত অধ্যাপনা কৰাৰ আগেয়ে তেখেতে বে-চৰকাৰী স্কুল এখন খুলি চকুৰে সৰিয়হ ফুল দেখাৰ অভিজ্ঞতা আছে। এদিন ঘৰুৱা কথা-বতৰাত তেখেতে মোক ঘপৰাই সুধিছিল - "তুমি কেতিয়াবা মাষ্টৰী কাম কৰি পাইছানে?" মই 'নাই পোৱা চাৰ' বুলি উত্তৰ দিয়াত তেখেতে পৰামৰ্শ দিছিল 'কৰিবা বুইছা, কৰিবা। কৰি ইমান ভাল পাবা যে, পিছত তুমি দেউলীয়া হৈ যাবা' বুলি কৈ, খুক্ খুক্কৈ হাঁহিছিল। তেখেতৰ শুভেচ্ছাৰ বাবেই নে কিয় ক'ব নোৱাৰো এসময়ত মই মাষ্টৰ হৈ গ'লো।

গুৱাহাটীত পঢ়ি থাকোতেই কহিমাৰ এজন নগা ছাত্ৰক সহপাঠীৰূপত পাইছিলো। তেওঁ মোক প্ৰায়ে কয় 'পৰীক্ষাৰ পিছত মই আপোনাক অসমত থাকিবলৈ নিদিওঁ। কহিমালৈ লৈ যাম। আপোনাৰ নিচিনা মানুহ আমাক লাগে। কাৰণ আপুনি মদ নাখায়, চাদা, বিড়ি-চিগাৰেট নাখায়'। এওঁৰ কথামতেই পৰীক্ষা দিয়েই বাহিৰে বাহিৰে কহিমা পালোগৈ। ১৯৬৬ চনৰ ১ লা আগষ্টৰ পৰা ১৯৮৩ চনৰ ডিচেম্বৰ মাহলৈকে সোতৰ বছৰ কহিমাত মাষ্টৰ হৈ থাকিলোঁ। কিন্তু বিশেষ পৰিস্থিতিত পৰি ঘৰৰ লৰা ঘৰলৈ ঘূৰি আহিবলগীয়া হ'ল। সেইবোৰ এতিয়াই নকওঁ।

এইযে কহিমাত মাষ্টৰী কৰিবলৈ যাওতে মই লক্ষেশ্বৰ গগৈ হৈ গৈছিলো, কিন্তু ঘৰলৈ উভতি আহি মই লক্ষেশ্বৰ গগৈ হৈ থাকিব নোৱাৰিলো। মই নগামাষ্টৰ হৈ গলো।

এতিয়াও মোক বিচাৰি, মোৰ ঘৰ চিনি নোপোৱা কোনোবা মানুহ আমাৰ অঞ্চললৈ আহি লক্ষেশ্বৰ গগৈৰ ঘৰ কোনটো বুলি যদি কাৰোবাক সোধে, কোনেও মোৰ ঘৰটো দেখুৱাই দিব নোৱাৰিব পাৰে, কিন্তু নগা মাষ্টৰৰ ঘৰ কোনটো বুলি যদি সৰু ল'ৰা এটাকো সুধে তেওঁ তপৰাই কৈ দিব - আপুনি এই ৰাষ্টাৰে গৈ থাকক, জংঘল ব্লক হাইস্কুলৰ পশ্চিম সীমাত ৰাস্তাটো দক্ষিণ ফালে ঘূৰিছে, আপুনি সেই ৰাস্তাটোৰে নাযাব, পোনে পোনে পোনে যাব আৰু পোনে পোনে যোৱা ৰাস্তাটোৰে দি সোমাই গলে, সোঁফালে পোৱা প্ৰথম ঘৰটোৱেই নগা-মাষ্টৰৰ ঘৰ।

ঊনৈশ 'শ' চাৰি কুৰি তিনি চনৰ কথা, আমি তেতিয়া জংঘল ব্লক হাইস্কুল আৰম্ভ নাই কৰা, এম. ই. স্কুলৰ খেল পথাৰ খন উন্নত আৰু সম্প্ৰসাৰণৰ বাবে যোৰহাট খণ্ড উন্নয়ন বিষয়াই বিশ হাজাৰ টকাৰ এটা অনুদান দিছিল। চৰকাৰী নিয়ম মতে, আমি এজন নায়কৰ তত্বৱধানত কামবোৰ কৰোৱাব লাগে। কিন্তু আমি সেইটো বিচৰা নাছিলো। সেইকাৰণে পঞ্চায়তৰ মানুহ আহি আমাৰ সতে দুৰ্বাদল তৰ্ক কৰিছিলহি। আমি কামত লগোৱা বনুৱা সকলক জনপ্ৰকাশ তাঁতী নামৰ এজন যুৱকে পঞ্চায়তৰ হৈ সুধিছিল - "আপোনালোকক ইয়াত কোনে কাম কৰিবলৈ মাতি আনিছে?" কাম কৰিবলৈ অহা এগৰাকী বুঢ়ী মানুহে উত্তৰ দিছিল "নগা মাষ্টৰে মাতি আনিছে।" 'নগা মাষ্টৰ কোন' বুলি সোধাত, বুঢ়ী গৰাকীয়ে দেখুৱাই দিছিল 'সৌজন, ৰঙা চুৰেটাৰ যে পিন্ধি আছে, সেইজনেই নগামাষ্টৰ। অঁ তেওঁ নগাপাহাৰত মাষ্টৰ কৰিছিল নহয়, সেইকাৰণে তেওঁক সকলোৱে নগা মাষ্টৰ বুলি কয়'। মোক নগা মাষ্টৰ হিচাপে পৰিচয় কৰি দিবলৈ বুঢ়ীগৰাকীয়ে জন প্ৰকাশ তাঁতীৰ আগত যিটো ব্যাখা দাঙি ধৰিছিল, সেই ব্যাখ্যাই প্ৰসংগ সংগতি সঠিকভাৱে ৰাখিলে বুলি মই নাভাবো। নগাপাহাৰত মাষ্টৰ কৰিবলৈ কেৱল মইহে জানো গৈছিলো। কত লোক গৈ নগাপাহাৰত মাষ্টৰ কাম কৰিছিলেগৈ, কিছুমানে অৱসৰ লৈ আধাডোখৰতে কাম এৰি ঘৰৰ ল'ৰা ঘৰলৈ ,গাঁৱলৈ ঘূৰি আহিলে, আৰু নিজৰ নামেৰে সকলোৰে সৈতে মিলামিছা কৰি আছেহি। যেনে নকছাৰি অঞ্চলৰ ভৱপ্ৰসাদ বৰাৰ নাম বিখ্যাত। তালাপৰ তাৰিণী চৰণ ডেকা, তেখেতে অৱসৰ লৈ তালাপৰ পৰা ডুমডুমাৰ তপোবনত দুমহলীয়া ঘৰ বান্ধি পুতেক-জীয়েকৰ সৈতে বাসন্তী বৌৰ লগত নিজৰ পৰিচয়েৰে সুখী-সংসাৰ পাতি খাই-বৈ আছে, সু-নামেৰে মহিমা-মণ্ডিত হৈ। কেনা লাগিল মোৰহে।

ক'হিমা ডিমাপুৰ ৰাস্তাত নিচুগাৰ্ডন চেক্ গেট আছে। তাতে ডিমাপুৰ-ক'হিমা বাচবোৰ ৰাখি অ-নগা

সকলে ক'হিমালৈ যাবলৈ ইনাৰ লাইন পাছ লৈছে নে নাই পুলিচে পৰীক্ষা কৰে। সোতৰটা বছৰ এই চেক্ গেটেদি মই কিমানবাৰ ওলোৱা-সোমোৱা কৰিলো তাৰ লেখ-জোখ নাই। কিন্তু এবাৰলৈও কোনো এজন পুলিছে মোৰ পৰা পাচ নুখুজিলে।

বন্ধত ঘৰলৈ আহিলে ডিমাপুৰৰ পৰা মৰিয়ণীলৈকে এই চোৱা পথ ট্ৰেইনেৰে আহো। মৰিয়ণী পাওঁতে কেতিয়াবা ন'টা, দহটা বাজে। সেইসময়ত মৰিয়ণীৰ জংচনৰ ওচৰে পাজৰে সৰু-সুৰা ভাতৰ দোকান বহুতো আছিল। ৰাতি ন'টা, দহটা বাজে। এই হোটেল বিলাকৰ বয় বিলাকে ট্ৰেইনৰ পৰা নামি অহা যাত্ৰী বিলাকক নিজৰ নিজৰ হোটেললৈ ভাত খাবৰ কাৰণে নিমন্ত্ৰণ জনাই অনুনয় বিনয় কৰে। যাত্ৰী সকলৰ মাজৰ কোনোবা এজনৰ ওচৰলৈ গৈ কয় ,. আহক; আমাৰ হোটেললৈ আহক। একদম গৰম গৰম দালিভাত চব্জি আছে। কোনোবাজনক কয় -'আহক চাৰ, আহক, আমাৰ হোটেলত আপোনাৰ কাৰণে স্পিচিয়েল ৰন্ধা-বঢ়া কৰি থৈছো, খাই খুউব মজা পাব।" কোনোবাজনক কয় "আহক বাবু, আহক..."ইত্যাদি। কিন্তু মোক দেখাৰ লগে লগে বয় বিলাকে হেতা ওপৰা কৰি মাতে "অ-ঐ ..মিষ্টাৰ আহিবি...আহিবি না, আমাৰ হোটেলতেতু আহিবি, একদম তাৎকা চাক্ চব্জি, গৰম, গৰম মিটকাৰী ফিচ্কাৰী আছে, আহিবি...। শ্ৰীবিষ্টু! শ্ৰীবিষ্টু!! সিহঁতে মোক নগা বুলিয়েই ভাবি থাকিল। কাৰোবাক দাদা বুলি মাতে কিন্তু মোক দেখাৰ লগে লগে মাতে অ-ঐ মিষ্টাৰ বুলি। সিহঁতৰ সম্বোধন শুনি মই বিবুধিত পৰো, মনে-মনে ভাবো -'ডেয়াৰ ইজ চমথিং ৰং ইন দি এফফেয়াৰচ অফ ডেন মাৰ্ক।"

১৯৮৫ চনত আমি আৰম্ভ কৰা জংঘল ব্লক হাইস্কুলখনৰ দশম শ্ৰেণীৰ স্বীকৃতিৰ বাবে ১৯৯৪ চনৰ শেষৰ ফালে ইন্স্পেকচন ৰিপৰ্টটো প্ৰস্তুত কৰো। ৰিপৰ্ট টো ৰেকৰ্ড কৰিছিল যোৰহাট জিলা চক্ৰৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক নিত্য গগৈ ছাৰে। ফৰৱাৰ্ডিং চিঠিখনত পৰিদৰ্শকে চহী কৰাৰ নিয়ম। ৰিপৰ্টটো জমা দিয়াত পলম হৈছে, কিন্তু যোৰহাটত পৰিদৰ্শক নাই, তেওঁ গুৱাহাটীলৈ গৈছে। গতিকে পৰিদৰ্শিকা অঞ্জলী বাইদেউৰ বিনা চহীৰে কাহিলি পাৰাস্থ মাধ্যমিক শিক্ষা-সঞ্চালকৰ কাৰ্যালয় পালেগৈ। মোৰ কি ভাগ্য ভাল অঞ্জলী বাইদেউক তাতেই লগ পাই গলো। সেই সময়ৰ শিক্ষা-বিভাগৰ উপ-সঞ্চালিকা ভট্টাচাৰ্য উপাধীধাৰী বাইদেউৰ কোঠাত মোলায়েম ভাষাৰে কাণৰ ওপৰৰ চুলি খজুৱাই কলো 'বাইদেউ আমাৰ ৰিপৰ্টটো, আপোনাক গুৱাহাটীত লগ পাম বুলি জানি আপোনাৰ চহী নোলোৱাকৈয়ে লৈ আহিলোঁ, ফৰ'ৱাডিং চিঠিখনত আপোনাক চহী কৰিবলৈ অনুৰোধ কৰিলে আপুনি বেয়া পাব নেকি? ইয়াত চহী কৰিলে হ'ব জানো বুলি ভট্টাচাৰ্য বাইদেউক সোধাত, তেখেতে হ'ব বুলি কোৱাত অঞ্জলী বাইদেউৱে মোৰ মুখলৈ চাই মিচিকিয়া হাঁহি এটি মাৰি ফৰৱাডিং চিঠিখনত খচ্মচ্কৈ চহী কৰি দিলে। অন্য এজন প্ৰধানেও বাইদেউৰ চহী নোহোৱাকৈ গুৱাহাটী পাইছিলগৈ। তেখেতও মোৰ পিছে পিছে গৈ বাইদেউৰ কোঠাত সোমাই চহী ভিক্ষা কৰিলে, কিন্তু তেখেতৰ চিঠিখনত চহী নকৰি কলে সকলোতে মই চহী কৰিব নোৱাৰো। এখেতৰ চিঠিখনত চহী কৰিলো কাৰণ এখেতৰ চেহেৰা পাতি নগা মানুহৰ নিচিনা।

মানুহে মোক কিয় নগা মাষ্টৰ বুলি কয় ইমান দিনে বিচাৰি থকা এই প্ৰশ্নটোৰ উত্তৰ অঞ্জলী বাইদেউৰা মুখত প্ৰকাশ হৈ গল। মোৰ চেহেৰা পাতি নগা মানুহৰ নিচিনা। সেয়েহে মোক সকলোৱে লক্ষেশ্বৰ মাষ্টৰ নুবুলি নগা মাষ্টৰ বুলি মাতে। মই নগা মাষ্টৰ হোৱাৰ কাৰণটো এয়েই।

আৰু মোৰ প্ৰেম পীৰিতিৰ কথা শ্ৰীবিষ্টু! শ্ৰীবিষ্টু! এই বয়সত। ঠিক আছে বাৰু দেখা যাওক, সেইবোৰ পিছলৈ থ'লো। ❑ *ক্ৰমশঃ*

## বাবৰী গগৈৰ সোঁৱৰণ

*নগেন গগৈ*

পৃথিৱী নিজ মেৰুদণ্ডক আশ্ৰয় কৰি ঘূৰি আছে। মানুহে কয় সূৰ্য উদয় হৈছে, সূৰ্য অস্ত গৈছে। ঘূৰিছে পৃথিৱী। সূৰ্য একেদৰেই থাকে। ই অলৰ-অচৰ, স্থিৰ সেইদৰে জীৱনৰ মূল সত্তা, আত্মা স্থিৰ জন্ম-মৃত্যু নাই, সূৰ্য অন্তৰ্দ্ধান হোৱা মানে এটা দিনৰ অৱসান। এটা দিনৰ অৱসান মানে পৃথিৱীয়ে নিজ দেহাটোক এপাক ঘূৰালে। একেদৰে মৃত্যু মানে এটা দেহাৰ ৰূপান্তৰ আত্মা অজৰ-অমৰ।

মোৰ খুইটি বাবৰী (প্ৰবীন ঢুলীয়া শিল্পী থানেশ্বৰ গগৈৰ পত্নীৰি) দেহা ৰূপান্তৰ হ'ল, খুইটিয়ে ধৰ্মীয়, সামাজিক কাম-কাজত আগবঢ়া আছিল বাবেই সকলোৰে প্ৰিয়পাত্ৰ হৈছিল। যাঠি উৰ্দ্ধৰ বয়সত ১৩ ডিচেম্বৰত কৰ্কট ৰোগত আক্ৰান্ত হৈ কাকো আমনি নকৰাকৈ প্ৰাণ শক্তিৰ ব্যৰ্থতা হ'ল। যিহেতু এই প্ৰাণ নতুনকৈ বৈজ্ঞানিকেও দিব নোৱাৰে তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰাৰ কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা। ❑







# তচলিমা ঃ এটা সৰু নাম, ভয়ঙ্কৰ শব্দ

*লক্ষী দত্ত*

তচলিমা নাচৰিণ। প্ৰথমে নামটো শুনিছিলো জনৈক পাঠকৰ মুখত। দুদিনৰ পাচতে পঢ়িলো তচলিমাৰ বিষয়ে 'আনন্দ বজাৰ পত্ৰিকা'ত। তচলিমাৰ 'লজ্জা' উপন্যাস তেতিয়া বহল চৰ্চিত। এটা সময়ত কলকতাৰ পুস্তক বিপনিৰ মাৰফৎ 'লজ্জা' মোৰ হাতত পৰিল - আৰু মই পঢ়িলো। তচলিমাৰ লেখাৰ এটা Style আছে। লেখাবোৰৰ দ্ৰুত কোবাল নদীৰ দৰে। 'লজ্জা' পঢ়ি মই এখন চিঠি বাংলা ভাষাত 'বাংলাদেশ'ৰ পুথি প্ৰকাশনৰ নামত দিয়াৰ ইচ্ছা কৰিলো, কিন্তু 'পষ্ট' নকৰিলো। মোৰ চিঠিখন Post কৰিলো; কলকাতাৰ 'আনন্দ পাবলিছাৰ্ছ'ৰ ঠিকনাত। কিন্তু বাতৰিত পঢ়িলো - ইতিমধ্যে তচলিমাই স্বদেশ এৰি বিদেশত আশ্ৰয় লৈছিল। মোৰ চিঠিৰ উত্তৰ নাহিল। সেই সময়ত মই 'দৈনিক জনমভূমি'ৰ 'আকুহী বতৰা'ৰ স্তম্ভ প্ৰতিবেদক। তাতে মই তচলিমাৰ বিষয়ে মন্তব্য কৰিছিলো যে তচলিমা নাচৰিনেই ভাৰতত এক বিতৰ্কিত লেখক (লেখিকা) হ'ব। পৰবৰ্ত্তী সময়ত মই তচলিমা জীৱন সৰ্ম্পৰ্কে এটা দীৰ্ঘ সংগ্ৰহিত প্ৰৱন্ধ লেখিছিলো। তচলিমাই এবাৰ বিদেশত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন, বঙ্গৰ বহুল আলোচিত নীৰদ্ চি. চৌধুৰীক দেখা কৰিছিল; আৰু তাৰ বিস্তৃত বিৱৰণ 'আনন্দ বজাৰ পত্ৰিকা'ত প্ৰকাশো হৈছিল। এনেকৈয়ে মই তচলিমাৰ প্ৰতি আকৰ্ষিত হওঁতে ২০০৩ চনৰ নৱেম্বৰ মাহত 'তচলিমা' পুনৰ ৰাষ্ট্ৰীয় সংবাদপত্ৰত 'শিৰোনামা' হৈ পৰিল। কাৰণ 'তচলিমা নাচৰিণ'ৰ শেহতীয়া আত্মজীৱনীমূলক উপন্যাস 'দ্বি-খণ্ডিত'ক নিষিদ্ধ ঘোষণা কৰিলে পশ্চিম বঙ্গ চৰকাৰে। Peoples Book Society, Kolkata ৰ দ্বাৰা প্ৰকাশিত




গ্ৰন্থৰ মুল্য ১৫০ টকা। কিতাপখন মোৰ হাতত পৰা নাই। ইতিমধ্যে মই তচলিমাৰ 'আমাৰ মেয়েবেলা' পঢ়াৰ সৌভাগ্য হ'ল। তচলিমা জীৱনৰ এনে কিছু বিৰক্তিকৰ অভিজ্ঞতাৰ কথা তাত বৰ্ণনা হৈছে; যিটো পাঠ নকৰিলে অনুভৱ কৰা টান। তচলিমাৰ 'নষ্ট মেয়েৰ নষ্ট গল্প' আৰু 'নিৰ্বাচিত কলাম' পঢ়িছো। প্ৰতিটো লেখাৰে নিজা জীৱনৰ কেঁচা কাহিনী। 'আমাৰ মেয়েবেলা'ৰ এটা অংশৰ বিৱৰণ ইমানেই জীৱন্ত আৰু সতেজ যে পঢ়ি উঠি বহু সময় স্তব্ধ হৈ থাকিব লগা হয়। সকলো কথা মুকলি বৰ্ণনা সকলো সময়তে নিৰ্লজ নহয়, বৰং কোনো বৰ্ণনা হৈ পৰে ভীষণ কৰুণ। তচলিমাৰ 'আমাৰ মেয়েবেলা'ত তেনে বৰ্ণনা পোৱা যায়।

শেহতীয়া 'তচলিমা'ৰ "দ্বি-খণ্ডিত" গ্ৰন্থৰ ওপৰত এগৰাকী আগশাৰীৰ লেখিকা "মহশ্বেতা দেৱী"য়ে কৈছে - "কিতাপখন দুবাৰ পঢ়িলো, পাঠকক উত্তেজিত কৰি তোলাৰ দৰে কোনো কথা নাপালো!" মহশ্বেতা দেৱী কিতাপখনিৰ ওপৰত এটা দীৰ্ঘ আলোচনাত মহান ৰুছ লেখক বুলগাকভ আৰু কাফ্কাৰ দৰে বৰেণ্য লেখকৰ উদ্ধৃতি দি কৈছে "নিষিদ্ধকৰণ এটা পন্থা নহয়। তাক সমৰ্থনো কৰিব নোৱাৰি। তচলিমা নাচৰিণৰ এই গ্ৰন্থ লৈ যদি ধৰ্ম সম্পৰ্কীয় স্পৰ্শকাতৰ প্ৰশ্ন উঠে, তেতিয়া হ'লে আলোচনা হওক। বিতৰ্ক হওক। যদি এই গ্ৰন্থ লৈ যিকোনো প্ৰসঙ্গ লৈ আপত্তি উঠে, মুকলিকৈ আলোচনা কৰি তাক নিস্পত্তি কৰক। পাঠক সকলৰো বক্তব্য থাকিব পাৰে। আলোচনাৰ দ্বাৰা নিস্পত্তি কৰা হওক। আজিৰ পাঠকৰ মানসিকতাও যথেষ্ট পৰিণত। কি পঢ়িব, তাৰ মাজৰ পৰা কিমানখিনি গ্ৰহণ কৰিব, কিমানখিনি গ্ৰহণ নকৰিব, সেই কথা পাঠকৰ বোধগম্য।" (দেশ ঃ ১৭ ডিচেম্বৰ/২০০৩/গ্ৰন্থলোক) আৰু আন এটি প্ৰৱন্ধত বঙ্গৰ প্ৰখ্যাত সমালোচক, সাহিত্যৰ গৱেষক শিবনাৰায়ন ৰায়ে 'বন্য গোলাপের সুগন্ধ' নামক প্ৰৱন্ধত উল্লেখ কৰিছে 'তচলিমাৰ আত্মজীৱনীৰ মাজত তেওঁৰ সামাজিক, সাংস্কৃতিক পৰিবেশ যেনেকৈ ধৰা পৰে, তেনেদৰেই অংকিত হয় ধাপে ধাপে তেওঁৰ মনুয্যত্ব আৰ্জনৰ প্ৰয়াসবোৰ। তেওঁৰ নিজৰ ভিতৰত যিবোৰ সমাধানহীন দ্বন্দ নিৰন্তৰ সক্ৰিয়, সেইয়াও তেওঁ এই পৰ্বতে মেলি ধৰিছে। বিশিষ্ট প্ৰৱন্ধকাৰ ৰায়ে 'এনে এটি অসামান্য সাহসী আৰু সৎ আত্মোদঘটনাক কি বিচাৰত পশ্চিম বঙ্গৰ চৰকাৰে নিষিদ্ধ কৰিলে, মোৰ বাবে অনুমান কৰাটোও কঠিন। পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰী নিজেই এগৰাকী লেখক আৰু সংস্কৃতি মনস্ক বুলিয়েই জানো। আমাৰ সংবিধানৰ অন্ততঃ যিটো দিশ লৈ আমি গৰ্ববোধ কৰিব পাৰো, সেইটো হ'ল নাগৰিকসকলৰ মৌল অধিকাৰৰ স্বীকৃতি। যিটো অন্তৰত সেইটো বাহিৰত প্ৰকাশৰ অধিকাৰ মানুহৰ মৌল

অধিকাৰ। কিতাপখনক লৈ আলোচনা হওক, তৰ্ক-বিতৰ্ক হওক, কিন্তু একেবাৰে অবাস্তৱ অজুহাতে কিতাপখনক নিষিদ্ধ কৰা স্পষ্টই অন্যায় আৰু আমাৰ গণতান্ত্ৰিক সংবিধান বিৰোধী। এই দুগৰাকী লেখকৰ স্পষ্ট কথাই তচলিমা নাচৰিণৰ 'দ্বি-খণ্ডিত' গ্ৰন্থৰ ভিতৰত কথা আৰু লেখকৰ স্বাধীনতাক কেনেদৰে ক্ষুন্ন কৰিছে তাৰ এখন চিত্ৰ প্ৰকাশ কৰিছে। কিন্তু তচলিমাই কি কয়?

'তচলিমা'ৰ দ্বি-খণ্ডিত' নিষিদ্ধ ঘোষণাৰ পাচতে তচলিমা নাচৰিণৰ এটা প্ৰৱন্ধ মোৰ হাতত পৰিছে। প্ৰৱন্ধৰ নাম - 'সকলোবোৰ ঘৰ হেৰালে যাৰ' (সকল গৃহ হারালো যার) - এই লেখাটো আৰম্ভ হৈছে এটা ইংৰাজী পংক্তিৰে "Freedom is always and exclusively freedom for the one who thinks differently" প্ৰথমশাৰী আৰম্ভণি বাক্যই তচলিমাৰ জীৱনৰ এখিলা দুখ আৰু যান্ত্ৰণাৰ ধূসৰ পৃষ্ঠা পাঠকৰ আগত দাঙি ধৰিছে এনেকৈ 'জীৱনৰ অনেকবোৰ বছৰ পাৰ হৈ যেতিয়া চাওঁ পাচৰ দিনবোৰ ধূসৰ ধূসৰ আৰু সেই ধূসৰতাৰ শৰীৰৰ পৰা হঠাৎ হঠাৎ কোনোবা পাহৰি যোৱা সপোন আহি আচম্বিতে কাষতে ৰয়হি বা কোনো স্মৃতি টুপ কৰি সোমায় পৰে মোৰ একাকী নিৰ্জন ঘৰত, মোক কঁপাই, মোক কন্দুৱাই, মোক টানি লৈ যায় সেইবোৰ দিনৰ পিনে; তেতিয়া কি মই খোজ নিদিয়াকৈ পাৰো, জীৱনৰ সেই অলিগলিৰ অন্ধকাৰ আঁতৰাই আঁতৰাই কিছু শীতাৰ্ত স্মৃতি টানি আনিব।' . . . 'দুস্বপ্নৰ ৰাতিৰ দৰে একো একোটা ৰাতিয়ে মোক ঘোৰ বিষাদত আচ্ছন্ন কৰি ৰাখিছে। তেতিয়াই ছোৱালীজনীৰ গল্প ক'বলৈ আৰম্ভ কৰিছো মই।' তচলিমাই নিজৰ বিষয়ে অতি কঠোৰ লেখাৰ ব্যক্ত কৰিছে এটা স্বীকাৰোক্তি এনেকৈ 'মই কি অন্যায় কিবা কৰিছো? মোৰ বাবে যিটো অন্যায় নহলেও আজি অনেকৰ বাবে ই ঘোৰ অন্যায়। মই ভয়াবহ অপৰাধ কৰিছো গল্পটো ব্যক্ত কৰি। অপৰাধ কৰিছো বাবেই জনতাৰ আদালতৰ কাঠগড়াত আজি থিয় হ'ব লগা হৈছে। অপৰাধ হয়তো নহ'লহেতেন, যদিহে মই প্ৰকাশ নকৰিলোহেতেন যে, যি গৰাকী ছোৱালীৰ গল্প মই কৈছো, সেই ছোৱালীজনীয়ে মই, মই তচলিমা।" - তচলিমাৰ এই স্বীকাৰোক্তিৰ আন এটা অংশ আৰু হৃদয়বিদাৰক। তচলিমাই লেখিছে 'মোৰ প্ৰিয় দেশখনত, প্ৰিয় পশ্চিমবঙ্গত আজি মই এটা নিষিদ্ধ নাম, এজন নিষিদ্ধ মানুহ, এখন নিষিদ্ধ গ্ৰন্থ। মোক উচ্চাৰণ কৰিব নোৱাৰিব, মোক পঢ়িব নোৱাৰিব। উচ্চাৰণ কৰিলেই জিভা নষ্ট হ'ব, পঢ়িলে শৰীৰ বিজ বিজাব।' কোনে ক'ব পাৰে এনেকৈ? কোনে ৰিজাব পাৰে এনেকৈ? তচলিমাই - বিদ্ৰোহী তচলিমাই। তচলিমাই 'আত্মজীৱনীখনৰ ওপৰত ভয়ঙ্কৰ যুক্তি দিছে এনেকৈ "আত্মজীৱনীৰ প্ৰধান চৰ্তই হ'ল - জীৱনৰ সকলোবোৰ খুলি মেলি ধৰিম, কোনো গোপন কথাকে কিবা এটাৰে ঢাকি লুকায় নাৰাখিম। যিবোৰ গোপন, যিবোৰ নজনা কথা, তাক ক'বলৈকে আত্মজীৱনী। এই চৰ্ত সততাৰ সৈতে পালন কৰিবৰ চেষ্টা কৰিছো।" তচলিমাৰ প্ৰধান সমস্যা, তচলিমাই সকলোবোৰ ব্যক্তিগত অনুভৱ মুকলি কৰি লেখিছে; যিটো কথাই আনক ক্ষুন্ন কৰে। তচলিমাৰ প্ৰকাশিত প্ৰৱন্ধত উল্লেখ আছে, "সকলো ধৰণৰ অভিজ্ঞতাৰ মাজেৰে মই ডাঙৰ হোৱা বা বাঢ়ি অহাৰ ঘটনাবোৰকে মই বৰ্ণনা কৰিছো। মোৰ দৰ্শন-অদৰ্শন, মোৰ হতাশা-আশা, মোৰ সুন্দৰ, মোৰ কুসিৎ, মোৰ শোক, সুখ, মোৰ ক্ৰোধ, মোৰ কান্দোনবোৰৰ কথাকে কৈছো। কোনো স্পৰ্শকাতৰ বা উত্তেজক বিষয় আনন্দ কৰি বাচি লোৱা নাই, মই মোৰ জীৱনটোক বাচি লৈছো জীৱনী লেখাৰ বাবে।" তচলিমাৰ এইশাৰী স্বীকাৰোক্তিয়েই তচলিমাৰ জীৱন আৰু আৰ্তনাদৰ ছবিখন পৰিষ্কাৰ কৰি দিয়া নাই নে? তচলিমাই প্ৰশ্ন তুলিছে "এই জীৱনটোৱেই যদি স্পৰ্শকাতৰ আৰু উত্তেজক হয়, তেতিয়া হ'লে এই জীৱনৰ কথা লেখিবলৈ গৈ মই অস্পৰ্শকাতৰ আৰু অনুত্তেজক বিষয় পাম ক'ৰ পৰা?" ... তেওঁৰ বিবেচনাত 'পুৰুষতান্ত্ৰিক এই সমাজৰ লগত আপোচ নকৰিলেই বিতৰ্ক হয়? এনেকৈয়ে তচলিমাই জীৱনৰ সত্য কথা প্ৰকাশ কৰিবলৈ গৈ ফান্দত পৰাত তচলিমাৰ কোনো খেদ নাই; তচলিমাৰ খেদ এটাই "চাৰিওফালৰ পৰা এতিয়া মোৰ পিনে লক্ষ্য কৰি কাড় এৰিছে, অপমান আৰু অপবাদৰ বোকাত মোক ডুবাই দিছে। ইয়াৰ কাৰণ এটাই। মই সত্য কথা কৈছো। সত্যক সকলো সময়ত সকলোৱে সহ্য নকৰে।' তচলিমাৰ সুদীৰ্ঘ জবানবন্দীত পুৰুষতান্ত্ৰিক সমাজৰ এখন বিৰল ছবিৰ কথা প্ৰকাশৰ লগতে বিশ্বৰ খ্যাতনামা ব্যক্তিৰ জীৱনৰ কিছু মন্তব্য কৰিছে; যিবোৰ এই লেখাত দীঘলীয়া হোৱাৰ কাৰণে লেখা নহল। তথাপি তচলিমাৰ মনৰ এটা ক্ষোভ প্ৰকাশে সচেতন নাগৰিকৰ গা সিঁয়ৰি তুলিব। যেনে 'এই নষ্ট সমাজৰ পৰা নষ্ট বা পতিতা আখ্যা উপহাৰ পোৱা এগৰাকী নাৰীৰ বাবে কম সৌভাগ্যৰ কথা নহয়। এতিয়ালৈকে মই যিমানবোৰ উপাধি লাভ কৰিছো, পতিতা উপাধিৰ পুৰস্কাৰটোকে মই সৰ্বোত্তম বুলি বাচি লৈছো।' এনেকৈয়ে তচলিমা নাচৰিণ, কিতাপৰ পৃথিৱীত আছে। থাকিব। হয়তো এদিন তচলিমাৰ হাতেৰে প্ৰকাশ হ'ব 'নিৰ্বাসিত তচলিমাৰ নিৰ্বাচিত কলাম।' সেইদিন সমাগত নহয় নে? ❑






# অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু বণিক গোষ্ঠীৰ ভূমিকা

ভূপেন্দ্ৰ নাথ গোস্বামী

অতীতৰ ঘটনাৱলী আৰু অৱস্থাৰ নিৰ্মোহ আৰু বস্তুনিষ্ঠ বিশ্লেষণৰ দৈন্যতাই বৰ্ত্তমান আৰু ভৱিষ্যতবোৰক অতি নিষ্ঠুৰ আৰু অবাস্তৱ পৰিণতিৰ আবৰ্তলৈ ঠেলি পঠিয়াই। বিশ্বৰ সমাজ নিকায়বোৰত হৈ থকা আৰ্থসামাজিক অথবা ৰাষ্ট্ৰনৈতিক অথন্তৰবোৰ কিয়দাংশই হ'ল এনে অৱস্থা আৰু পৰিস্থিতিৰ পৰা উদ্ভূত অথন্তৰ। লেটিন আমেৰিকাৰ পৰা এচিয়া, আফ্ৰিকালৈ সৰ্বত্ৰ বিস্তাৰ হৈ থকা সাম্প্ৰতিক ঘটনাবোৰৰ ঐতিহাসিক পটভূমিবোৰে উল্লেখিত সিদ্ধান্তকে প্ৰতিপন্ন কৰিছে। বিপ্লৱী দাৰ্শনিক কাৰ্লমাক্সে কৈছিল "পৃথিৱীৰ বুকুত ঘটি থকা ঘটনাবোৰ কোনো এটাই বিছিন্ন ঘটনা নহয়।" অৰ্থাৎ প্ৰত্যেকটো ঘটনাই ইটো আনটোৰ সৈতে সম্পৰ্কিত। অসম অথবা পূব ইউৰোপৰ দেশবোৰত হোৱা গোষ্ঠীগত উত্থানবোৰো সেই অৰ্থত বিচ্ছিন্ন নহয় অথবা চেচনিয়ান বা জৰ্জিয়ান সকলৰ সমস্যা ইয়াৰেই সমগোত্ৰীয়। দূৰ অতীতত বিশ্বৰ বুকুত বিভিন্ন অঞ্চলত বিভিন্ন সমাজ আৰু জাতি-গোষ্ঠীয়ে যিবোৰ ঐতিহাসিক প্ৰক্ৰিয়াৰে বিকাশ লাভ কৰিছিল সেই প্ৰক্ৰিয়াবোৰ আৰু সেই প্ৰক্ৰিয়াবোৰত ভাগলোৱা উপাদানবোৰ যেনে গোষ্ঠীগত পৰম্পৰা, ঐতিহ্য, অৰ্থনীতি, সমাজনীতি, ভাষা, সংস্কৃতি আদিক সাম্প্ৰতিক সমাজ ব্যৱস্থাই প্ৰত্যাখান কৰিবলৈ আৰম্ভ কৰাৰ লগে লগেই প্ৰতিখন সমাজত বিস্ফোৰণ ঘটিছে অথবা ঘটিবলৈ উপক্ৰম কৰিছে। একে দৰে আমেৰিকাৰ ৰেড ইণ্ডিয়ান সকলৰ বিদ্ৰোহ আৰু বড়োসকলৰ



বিচ্ছিন্নতাবাদী সংগ্ৰাম বিচ্ছিন্ন ঘটনা নহয়। এনে ভূৰি ভূৰি উদাহৰণ কেৱল ইতিহাসৰ পাততে নহয় সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটতো পৰ্যাপ্ত পৰিমাণে ৰৈ আছে।

প্ৰৱন্ধটোৰ সূচনাতে এই খিনি কোৱাৰ কাৰণ আছে। অসমীয়া জাতিটোৰ গঠন প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে কেইটামান গুৰুত্বপূৰ্ণ আৰু একে সময়তে যিবোৰক আত্মঘাতী কাৰক হিচাবেও বিশেষজ্ঞ মহলে চিহ্নিত কৰিছে তাৰ সম্যক উল্লেখ কৰাটো সমীচিন হ'ব। প্ৰথম কথা হ'ল - অসমত জাতি আৰু ভাষাক কেন্দ্ৰ কৰি পৰিমাণতকৈ অধিক সংগঠন আছে যিবোৰে নিজকে প্ৰকৃত জাতীয়তাবাদী আৰু অসম আৰু অসমীয়া সম্পৰ্কে চিন্তা-চৰ্চা কৰা আৰু আন্দোলন কৰাৰ একচেতিয়া কৰ্তৃত্ব থকা বুলি দাবী কৰে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই আজিকোপতি এই সংগঠনবোৰৰ নেতৃত্বত জাতি আৰু ভাষাক লৈ ভালেমান আন্দোলন ৰৈ ৰৈ নিৰ্দিষ্ট সময়ৰ ব্যৱধানত চলি থাকিল। অসমৰ অগণন খাতিখোৱা শ্ৰমজীৱি মানুহ অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ নেতৃত্বত থকা এই সংগঠনবোৰৰ দ্বাৰা পৰিচালিত আন্দোলনবোৰত অতি আন্তৰিকতাৰে আৰু এক প্ৰত্যয়দীপ্ত অংশগ্ৰহণৰে তেজাল ৰূপ দি গ'ল। কোনো সময়ত এই আন্দোলনত অংশ গ্ৰহণ কৰা এই জংগী শ্ৰেণীটোৱে জীৱনৰ সমস্তখিনি বিসৰ্জন দিও আন্দোলনবোৰক সফল কৰি তোলাত অৰিহণা আগবঢ়ালে। অসমৰ বিশাল অংশৰ গভীৰ আস্থা আৰু বিশ্বাস লাভ কৰিও কিন্তু জাতিটো বা ভাষাটোক লৈ সৃষ্টি হৈ থকা অথন্তৰবোৰ এই সংগঠনবোৰে আজি পৰ্যন্তও নিৰ্মূল কৰিবলৈ সমৰ্থ নহ'ল। বৰং ১৯৭১ চনত লোকপিয়লত অসমৰ অসমীয়া ভাষী মানুহৰ সংখ্যা ৭১ শতাংশৰ পৰা ২০০১ চনত ৫৯ শতাংশলৈ অবনমিত হ'ল। অসমীয়া জাতিটোৰ মাজত যিবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বা আৰু জনগোষ্ঠী বিলীন হৈ যাবলৈ উপক্ৰম কৰিছিল। কিন্তু অসমৰ বুকুত এইবোৰ জাতীয়তাবাদী সংগঠনৰ নেতৃত্বত চলা আন্দোলনৰ পিছত সেইবোৰ লাহে লাহে আতৰি যাবলৈ আৰম্ভ কৰিছে। বড়ো, কাৰ্বি, মিচিং, ৰাভা, লালুং আদিৰ পিছৰ শাৰীত ঠিয় হবলৈ ওলাইছে চাহজনগোষ্ঠী, কোঁচ ৰাজবংশী, আহোম ইত্যাদি জনগোষ্ঠীবোৰ। আন্দোলন বোৰৰ যদি মৌলিক উদ্দেশ্য অসমীয়া জাতিটো আৰু অসমীয়া ভাষাৰ বিকাশেই আছিল

তেনেহলে বিংশ শতিকাৰ অন্তিম সময়ত অসমীয়া ভাষীৰ সংখ্যা ৭১ শতাংশৰ পৰা ৫৯ শতাংশলৈ নামিল কিয়; মিচিং, বড়ো, কাৰ্বি, বিষ্ণুপ্ৰিয়া মণিপুৰী সকলে তেওঁলোকৰ ভাষা সাহিত্যৰ বাবে অসমীয়া লিপি গ্ৰহণ কৰিবলৈ অপাৰগতা প্ৰকাশ কৰিলে কিয়; অসম সাহিত্য সভাৰ দৰে আঢ্যৱন্ত বিশাল জাতীয় সংগঠন এটাই এই ক্ষেত্ৰত কিয় একোকে কৰিব নোৱাৰিলে, জনগোষ্ঠী সমূহে এটাৰ পিছত এটাকৈ স্বকীয় আত্মপৰিচয়ৰ সন্ধানেৰে অসমীয়া মূলসুঁতিৰ পৰা কিয় বিচ্ছিন্ন হ'বলৈ ওলাইছে? এই বহুবোৰ বিস্ফোৰণমুখী প্ৰশ্নৰ সদুত্তৰ আন্দোলনৰ নেতৃত্ব দিয়া সকলৰ পৰা পোৱাটো নিতান্তই দুৰূহ; যিহেতু আজিকোপতিও পোৱা নগল। দ্বিতীয় বিষয়টোৰ অৱতাৰণা কৰিব বিচাৰিছো সম্পুৰ্ণ নিজস্ব অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ দিশৰ পৰা। এই বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ৰ পৰা (মোৰ দৃষ্টিৰে চাব পৰা হোৱা সময়) এই তথাকথিত জাতীয় সংগঠনবোৰৰ কেন্দ্ৰীয় পৰ্যায়ৰ পৰা আঞ্চলিক পৰ্য্যায়লৈকে ব্যস্ত হৈ থকা বহুবোৰ সভাপতি, সম্পাদক, নেতা পালিনেতাক লগ পাইছো, আলোচনা বিলোচনাও কৰিছো; দুই এখন সভা-সমিতি, আলোচনাচক্ৰতো ভাগ লৈছো অথবা শ্ৰোতা হিচাবে উপস্থিত আছো। কিন্তু এই সকলৰ মাজৰ জিলা বা আঞ্চলিক পৰ্যায়ৰ কথা বাদেই কেন্দ্ৰীয় পৰ্যায়ৰ নেতাইও অসমৰ জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে হয় অজ্ঞতা প্ৰকাশ কৰে নতুবা পণ্ডিতালিৰ নামত অবাস্তৱ আৰু মনে সজা বিধৰ কথা কৈ বহুৱালি কৰে। এই অৱস্থাই নিশ্চয়কৈ সাধাৰণ মানুহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে। ১৯৭৪ ৰ বড়োসকলে কৰা মাধ্যম আন্দোলনৰ সময়ত আমাৰ জাতীয় সংগঠনবোৰে কৰা মন্তব্যই এই ক্ষেত্ৰত উদাহৰণ বিচাবে যথেষ্ট। কথা হ'ল আমাক নেতৃত্ব দিয়া সকলে যদি ইতিহাসৰ বাস্তৱতা অনুধাৱন কৰিব নোৱাৰে, দুহেজাৰ বছৰীয়া অসমীয়া জাতি গঠনৰ ঐতিহাসিক ৰূপৰেখাডাল যদি অংকিত কৰিব নোৱাৰে, আৰু জাতি আৰু ভাষাটোকলৈ সৃষ্টি হোৱা বেমেজালিবোৰৰ মাজেৰে পোৱা অভিজ্ঞতাবোৰ আত্মস্থ কৰিব নোৱাৰে তেন্তে অসমীয়া জাতিটোৰ ভাতে নটা, লাওলোৱা অৱস্থা নহৈ কাৰ হ'ব। শংকৰদেৱ, বিষ্ণুৰাভা আৰু জ্যোতিপ্ৰসাদ - এই ত্ৰিমূৰ্তিয়ে অসমীয়া জাতিটোৰ সমৃদ্ধিৰ বাবে কৰণীয় ভৱিতব্য সম্পৰ্কে এটি স্পষ্ট আঁচনি দি থৈ যোৱাৰ পিছতো তাক কাৰ্যত ৰূপায়ন নকৰি সমগ্ৰ ঐতিহাসিক প্ৰক্ৰিয়াটোকে থান-বান কৰি পেলোৱাৰ আঁৰত কি ৰহস্য থাকিব পাৰে, আজিৰ মুহূৰ্তত এইটোও এটা মৌলিক প্ৰশ্ন। এই দুয়োটা বিষয় অত্যন্তই স্পৰ্শকাতৰ অথচ বাওঁপন্থী কেইজনমান বিশিষ্ট বুদ্ধিজীৱিৰ বাহিৰে এই বিষয়বোৰ সম্পৰ্কত আন কোনেও চিন্তা-চৰ্চা কৰা পৰিলক্ষিত হোৱা নাই। ইতিহাসৰ পাঠ-আত্মস্থ কৰিব নিবিচৰা জাতীয় সংগঠনৰ এই সকল নেতৃত্বই জাতিটোক নেতৃত্ব দিয়াত যে সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে সেই কথা অসমৰ আজিৰ পৰিস্থিতিয়ে ফাঁহ ফাঁহকৈ দেখুৱাই দিছে। উল্লেখিত সমস্যা আৰু প্ৰশ্নবোৰ সময়ে সময়ে উত্থাপন হৈ আহিছে যদিও এইবোৰক বাওঁপন্থী আৰু গণতান্ত্ৰিক বুদ্ধিজীৱি চামৰ চকুচৰহা ৰোগ বুলিয়ে ডাইগণোচিচ্ কৰি ওঁম তৎসৎ কৰি থলে। ফলত অসমীয়া জাতিৰ সন্মুখত অসমীয়া কোন? এই প্ৰশ্নৰ যথোপযুক্ত সমিধান এক বিৰাট ৰহস্য হৈয়ে থাকিল। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰকৃত ঐতিহাসিক পটভূমি আৰু প্ৰক্ৰিয়াবোৰৰ অনুদঘটিত অৱস্থাই নিসন্দেহে সমগ্ৰ জাতিটোকে তিল তিলকৈ যে নিঃশেষ কৰি পেলাব। এই বিষয়ত আজি আৰু কোনো সন্দেহ নাই। অসমীয়া ভাষীৰ ক্ৰমহ্ৰাসমান পৰিসংখ্যা আৰু অসমীয়া আত্মপৰিচয়ৰে বৈ থকা জনগোষ্ঠীবোৰৰ সাম্প্ৰতিক সময়ত হোৱা গোষ্ঠীয় উত্থানৰ সংগ্ৰাম আৰু সেই সকলৰ মনত ধীৰে ধীৰে বাহ বন্ধা বিচ্ছিন্নতাবোধে এই সন্দেহৰ বাস্তৱ ভিত্তি।

পাতনিতে এইখিনি কথা উল্লেখ কৰাৰ কাৰণ সম্যকভাবে এইখিনিয়েই। এই নিবন্ধত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ ঐতিহাসিক পটভূমিৰ এক বস্তুনিষ্ঠ বিশ্লেষণৰ উপস্থাপনৰ লগতে ভাৰতৰ পশ্চিম অঞ্চলৰ পৰা অসমলৈ প্ৰব্ৰজিত বণিক গোষ্ঠীৰ ভুমিকা সম্পৰ্কেও এক তথ্য নিৰ্ভৰ আলোচনা সন্নিবিষ্ট কৰাৰ প্ৰয়াস হাতত লোৱা হৈছে।

**অসমত জনবসতি গঠনৰ ইতিহাস ঃ**

অসমৰ জনগাঁঠনি আৰু জনবসতি গঠনৰ বৈশিষ্ট্যগত প্ৰক্ৰিয়াৰ বাবে অসমক "ক্ষুদ্ৰ ভাৰতীয় সংস্কৰণ" বুলি অভিহিত কৰা হয়। প্ৰাক ঐতিহাসিক কালৰ পৰাই এই অসম মুলুকলৈ বিভিন্ন ঠাইৰ পৰা বিভিন্ন দিশেদি বৈচিত্ৰ্যময় ভাষিক, সাংস্কৃতিক, সামাজিক গোষ্ঠীভুক্ত মানুহৰ প্ৰব্ৰজন হৈ আহিছে। উত্তৰৰ সুউচ্চ হিমালয়ৰ সিপাৰৰ পৰা আৰম্ভ কৰি পূব, দক্ষিণ আৰু পশ্চিমৰ সকলোবোৰ উন্মুক্ত দিশেৰে অসমলৈ প্ৰব্ৰজনৰ সোঁত বৈছে। এনে অবিৰাম আৰু বৰ্ণময় প্ৰব্ৰজনৰ পৰিণতিতে



এসমত সৃষ্টি হৈছে জনবসতি এক সবল ভিত্তি। প্ৰাক ঐতিহাসিক আৰু ঐতিহাসিক কালত হোৱা প্ৰব্ৰজনৰ নিৰবিচ্ছিন্ন ধাৰ এতিয়াও অব্যাহত। সাম্প্ৰতিক অসমৰ প্ৰায় ২৫ নিযুত মানুহৰ বসতি কেন্দ্ৰীভূত হৈছে ৭৮,৫২৩ বৰ্গ কিঃমিঃ এলেকাৰ ভিতৰত।

বিশ্বৰ বুকুত আন দহটা জাতিৰ দৰেই অবিৰত সমন্বয় আৰু সংমিশ্ৰণৰ ঐতিহাসিক প্ৰক্ৰিয়াৰে গঠিত হৈছিল অসমীয়া জাতি আৰু নিশ্চিত কৰিছিল বৰ্ণাঢ্য জনগাঁঠনিৰ এক সুস্থিৰ আৰু সবল ভিত্তি। এই প্ৰক্ৰিয়াৰে আগবাঢ়ি আহি জনগোষ্ঠীয় সমাজৰ পৰা জাতিসত্বা আৰু জাতিসত্বাৰ পৰা এটা বৃহৎ ঐক্যবদ্ধ অসমীয়া জাতিয়ে বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰিছিল। অৱশ্যে সমাজবিজ্ঞানী সকলৰ মাজত অসমীয়া জাতি নে জাতিসত্বা এই সম্পৰ্কত এতিয়াও মতদ্বৈধতা চলি আছে। সি যিয়ে নহওঁক গোটেই প্ৰক্ৰিয়াটোকে অলপ সৰলীকৰণ কৰাৰ স্বাৰ্থতে ইয়াত অসমীয়া জাতি শব্দটোকে ব্যৱহাৰ কৰিম। অসমীয়া জাতিটো এটা একক সামাজিক গোট হিচাবে আত্মপ্ৰতিষ্ঠা লাভ কৰোতে নিশ্চয়কৈ এটা ঐতিহাসিক আৰু চিৰাতন প্ৰক্ৰিয়াৰ নিৰবিচ্ছিন্ন ধাৰাৰে গতি কৰিছিল। সাম্প্ৰতিক গোটেই প্ৰক্ৰিয়াটোক সংঘবদ্ধ কৰাৰ বাবে প্ৰাকঐতিহাসিক সময়ৰ পৰা (যি সময়ৰ পৰা অসমলৈ মানুহৰ প্ৰথম প্ৰব্ৰজনৰ সূচনা হৈছিল), বৰ্ত্তমানলৈ যিমানবোৰ জনসমষ্টিৰ প্ৰব্ৰজন হৈছে বা এতিয়াও হৈ আছে তাৰ এক পৰিপূৰ্ণ বাস্তৱ ইতিহাস অৱশ্যেই প্ৰয়োজনীয়। প্ৰাক ঐতিহাসিক কালৰ পৰা বৰ্ত্তমানলৈ প্ৰব্ৰজিত জনসমষ্টিবোৰ মুলতঃ গোষ্ঠীবদ্ধ সমাজবোৰ ঐতিহ্য, সামাজিক পৰম্পৰা, ৰীতি-নীতি, ভাষা, সংস্কৃতি ইত্যাদি। এইবোৰৰ গ্ৰহণ আৰু বৰ্জনৰ মাজেদিয়েই সূচনা হৈছিল জাতিসত্বাৰ। এই জাতিসত্বাই হ'ল গোষ্ঠীবদ্ধ সমাজৰ পৰৱৰ্ত্তী পৰ্যায়। যি সময়ত জনজাতীয় গোষ্ঠীবোৰ মিলি একোটা উমৈহতীয়া গোট গঠন কৰিবলৈ আৰম্ভ কৰে, সেই সময়ৰ পৰাই জাতিসত্বাবোৰ গঢ় লবলৈ ধৰে। এই প্ৰক্ৰিয়াত আদিম জনগোষ্ঠীয় সমাজৰ সামাজিক সম্পৰ্কবোৰৰ পৰিবৰ্তন হয়। তেজ-মঙহৰ সম্পৰ্কৰ পৰিবৰ্তে একে ডোখৰ ঠাইত একেলগে বসবাস কৰাৰ ফলত এটা নতুন সম্পৰ্কৰ সৃষ্টি হয় আৰু সেই ডোখৰ ঠাইৰ ভৌগোলিক পৰিচয়ৰে তেওঁলোক পৰিচিত হবলৈ আৰম্ভ কৰে। জনগোষ্ঠীবোৰে ব্যৱহাৰ কৰা ভিন্নতৰ দোৱান বা ভাষাবোৰৰ মাজৰ পৰাই সকলোৱে বুজিব পৰাকৈ এটা উমৈহতীয়া ভাষাই বিকাশ লাভ কৰিবলৈ ধৰে। এই সকলোবোৰ মিলি জনগোষ্ঠীবোৰ এক হৈ পৰে আৰু এটা সকলোৰে গ্ৰহণযোগ্য পৰিচয়ে গুৰুত্ব লাভ কৰে। এই ঐতিহাসিক প্ৰক্ৰিয়াৰে জন্ম হয় জাতিসত্বাৰ। এই জাতিসত্বাৰ পৰবৰ্ত্তী পৰ্য্যায়েই হ'ল জাতি। জাতি সম্পৰ্কত বহুবোৰ সংজ্ঞা আছে যদিও জে.ডি.ষ্টালিনে জাতি সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাকে প্ৰায়বোৰ সমাজবিজ্ঞানীয়ে মৰ্যাদা সহকাৰে বিবেচনা কৰে। আমাৰ এই আলোচনাতো ষ্টালিনৰ সংজ্ঞাকেই গ্ৰহণ কৰিম। ষ্টালিনৰ মতে - 'এটা জাতি হ'ল এক ঐতিহাসিক প্ৰক্ৰিয়াত গঠিত এক সুস্থিৰ জনসমষ্টি, যাৰ ভিত্তি হ'ল উমৈহতীয়া ভাষা, বাসস্থান, অৰ্থনৈতিক জীৱন আৰু মানসিক গঠনৰ জৰিয়তে প্ৰকাশিত এক সাধাৰণ সংস্কৃতি।"❑

(বাকী অংশ অহা সংখ্যাত)

# খোজ নাথাকে খবৰ নাথাকে

শ্ৰীৰণজিত গগৈ

ভুৰুং কৰি উৰি যায় কি নাযায়
এজাক চাউল খুটি খোৱা চৰাই
ধুলি নাথাকে
দুৱৰী নাথাকে
নাথাকে চিকুন চোতাল
খোজ নাথাকে
খবৰ নাথাকে
পৰি থাকে দক্ষিণত উদং ভঁৰাল
তিলফুল সিঁচা ল'ৰাটোৰ বুকুত
তিলফুল ফুলে
টেকেলি এটা ভাগে
আলিমুৰ থাকে
আঁহত তল থাকে
ডেকা নাথাকে
গাভৰু নাথাকে
আকৌ বনৰীয়া হয় তিলফুল
খোজ নাথাকে
খবৰ নাথাকে
ভুৰুং কৰি উৰি যায় কি নাযায়
এজাক চাউল খুটি খোৱা চৰাই
ঘৰ থাকে
দুৱাৰ থাকে
পাহাৰ আৰু
পাহাৰ বাঢ়ে
এদিন নিখোজ হয় আয়তীৰ জাক
পদূলীত সুৱাগুৰিতোল
প্ৰতিটো কোঠাৰ পৰা প্ৰতিটো কোঠালৈ
পোহৰ।
বৈ বৈ এটা সপোনে স্বাধীনতা বিচাৰে
কান্দে আৰু হাঁহে
আত্মজাহৰ বাবে সি আচলতে
আগেয়ে হেৰুৱাই থৈ আহিছে
এটা জীৱন।
খোজ নাথাকে
খবৰ নাথাকে।

# বৰ্তমান প্ৰজন্মই ভৱিষ্যত প্ৰজন্মক জৱাব দিব লাগিব

ৰাজেন শৰ্মা তামুলী

দিনটো ল'ৰাটো তলৌ তলৌকে ঘুৰি ফুৰে। ৰ'দ নাই বৰষুণ নাই পুৱাতে যি পালে এমুঠি খায় ওলাই যোৱা ল'ৰাটো ঘুৰি আহে নিশা দুপৰত, কেতিয়াবা ৰাতি ৯টা ১০টা বজাত। কিযে দিন কাল। ছোৱালীজনীও ৫টা বজাতো কলেজৰ পৰা ঘুৰা নাই। আৰু বোৱাৰীজনী স্কুলত ল'ৰা থবলৈ গৈ ঘুৰি অহা নাই দুপৰলৈকে। ককাক আইতাকে কিবা এটা ক'লেই আটাইবোৰ উবুৰি খায় পৰে, ভেনা মাখিৰ দৰে। ক'বলৈ ধৰে এইটো ব্যক্তি স্বাধীনতাৰ যুগ - ঘৰত বহি থকাৰ যুগ নহয় - এতিয়া ঘৰ সংসাৰত কোনো নিয়ম শৃংখলা নাই। মাক-দেউতাকে নাজানে এতিয়া সময়ৰ লগত জীৱন চলে। বৰ্তমান আদৰ্শ পৰিকল্পনা, নিৰাপত্তাৰ কোনো মানে নাই। জীয়াই থকাটো এক সংগ্ৰাম। যিকোনো মুহূৰ্ত্তত সংকট আহি পৰে।ছোৱালীজনীয়ে কয় নাৰী প্ৰগতিৰ কথা। চাল-চলন, আদব-কায়দা, পিন্ধা উৰাত স্মাৰ্ট হ'ব লাগিব। গতিকে ল'ৰাৰ লগত বন্ধুত্ব থাকিব লাগিব। এক ঘেমীয়া জীৱন যাত্ৰাৰ বিপৰীতে কাৰোবাৰ স্কুটাৰ, মটৰ বাইকত উঠা, চিনেমা চোৱা, পাৰ্কত বহা এনেবোৰ ফ্ৰি মিক্সিং - আজিৰ দিনত কোনো কথাই নহয়। আজিৰ দিনত এইবোৰ কথা সাধাৰণ হৈ পৰিছে। তুমি নুবুজিবা দ্যাদি, জীৱনটো সংগ্ৰাম হলেও উপভোগ কৰাৰ সামগ্ৰীও।

ল'ৰাটোৱে এদিন আন্দোলন কৰিছিল। আন্দোলনৰ প্ৰথমশাৰীৰ নেতাও হৈছিল। পুলিচৰ লাঠি, গোৰ, জেলৰ লগত তাৰ পৰিচয় হৈ গৈছিল নিবিড়ভাৱে। হাবি-জংঘলো ঘুৰিছে অনেক। তুমি নুবুজিবা মা। সিও এক ৰোমাঞ্চকৰ অভিজ্ঞতা। তোমালোকে জীৱন মানে গাহৰিৰ দৰে খোৱা, পশুৰ দৰে শোৱা, বেংকত জমা, মাৰুতি গাড়ী, এটা দুমহলীয়া ঘৰ এইটোকে বুজা। এইটো নকৰিবা, সেইটো নকৰিবা, এইটো নীতিহীন, সেইটো পাপ, এইটো বিপদজনক, এইটো দুৰদৰ্শিতা। এইবোৰ কথা শুনি শুনি কাণ ঘোলা হৈছে। হৰি নাম, দুৰ্গা নাম শুনা, টি ভি চোৱা। এইবোৰ কাম হ'লনে? এটা দিন আহিব। ভয়ঙ্কৰ দিন। সাজু থকা ভাল।

এতিয়া আমাৰ মধ্যবিত্ত সমাজত কাণ পাতিলেই শুনিব এনে এক বিদ্ৰোহৰ কথা বাৰ্তা। এওঁলোকে ৰামায়ণ মহাভাৰতক কেয়াৰ নকৰে। কোনো নীতি আদৰ্শৰ কথা, ধৰ্মৰ বাণী এওঁলোকে নামানে। এওঁলোকৰ কথা-বাৰ্তাৰ ধৰণ-কৰণ, আচাৰ-ব্যৱহাৰ সকলো অদ্ভুত। সাজপোচাকৰ কথা নকলেও হ'ব। কেশ বিন্যাসৰ কথা! এওঁলোক নতুন মানুহ নতুন প্ৰজন্ম। পুৰণি সমাজৰ কোনো কথা নামানে। ড্ৰাগ সেৱন, মদৰ এওঁলোক ভক্ত। এওঁলোকৰ চিন্তাধাৰা নতুন। পুৰণা মানুহৰ কথা - সমাজ বাতিল। এওঁলোকৰ মতে পুৰণা সমাজ ক্ষয় হোৱা শিলমাত্ৰ।

মাক-দেউতাক আৰু ল'ৰা-ছোৱালীৰ মাজত চলিছে কেৱল অবিশ্বাসৰ দ্বন্দ। সম্পৰ্কৰ অস্পষ্টতা, ব্যৱধান, জীৱন ধাৰণৰ বিপৰীত চিত্ৰ। দুটা প্ৰজন্মৰ মাজৰ ব্যৱধানে থান-বান কৰিছে ঘৰ-দুৱাৰ, বিঘ্নিত হৈছে সাংসাৰিক শান্তি। ঘৰত কি ৰং দিব, বিয়াত কি খুৱাব, কাক কাক মাতিব ৰভা-পৰলা ডেকৰেচন, এইবোৰ তেওঁলোকৰ মতে হ'ব লাগিব। নহলেই বিপদ। আজিকালি ঘৰ চলে ল'ৰা-ছোৱালীৰ মতে। আগতে পিতা-মাতা, ককাক আইতাকৰ পৰামৰ্শ মতে। এতিয়া যুগৰ প্ৰতিফলন, ষ্টেটাচ্ থাকিব লাগিব। আপুনিয়ে ভীমকল খুৱাই ডাঙৰ কৰিলে সৰু মইনাক। ডাঙৰ চাকৰি কৰি ধনী শহুৰেকৰ আগত সৰু মইনা বুলি ক'লে লাজ পায়। গাওঁৰ মানুহে নাম কাঢ়ি মাতিলে - এইটো এটিকেচিৰ বাহিৰত হয়। এইয়া যুগৰ কথা। যুগ পৰিবৰ্তন। ঘোৰ কলিকাল। এতিয়া একোটা শব্দ জুখি মাখি কোৱাৰ সময়। পৰিবেশ সচেতন হৈ কথা ক'ব লাগে। যদি কাঁহ থাকে তেন্তে আত্মীয়-স্বজনৰ আগত চেপা মাৰি কথা কোৱাৰ সময়। চুৰিয়া পিন্ধি থকাটো গাঁৱলীয়াৰ লক্ষণ। মেখেলা-চাদৰো। পাইজামা-কোৰ্টা, শাড়ী-চুৰিদাৰ-মেক্সী পিন্ধাৰ পৰিবৰ্তিত সময়। কথাৰ মাজত হোঁহোঁৱাই হহাঁ। বাপুকন ককাইটিৰ হাঁহিটো ভদ্ৰ সমাজত অচল হৈ পৰিছে। এওঁলোকে মাইকেল জ্যাকচন, ব্লু-ফিল্ম, অনুপ জোলোটা, মডেলিং সম্পৰ্কিত একোকেই নাজানে। এইবোৰৰ ওপৰত ধ্যান-ধাৰণাও নাই। এওঁলোক কেৱল পুৰণা ৰেকৰ্ড বজোৱা ব্যক্তিহে। এই ধাৰণা সৰ্বতত।

নতুন প্ৰজন্মৰ লগত পুৰণা প্ৰজন্মৰ এই পাৰ্থক্য উৎস মহান সমাজ বিজ্ঞানীসকলে কৰক। বৰ্তমান ব্যৱস্থাত নতুন প্ৰজন্মই প্ৰতিমুহূৰ্ত্তত আঘাত কৰিছে আমাৰ পুৰণাচামক। বৰ্তমান প্ৰজন্মৰ কথা চিন্তা নকৰাকৈ ভৱিষ্যত প্ৰজন্মৰ কথা ভবাটো বাতুলামিহে মাত্ৰ। বৰ্তমান প্ৰজন্মই আগৰ চামক নাপাত্তা কৰাৰ বিপৰীতে এটা সময়ত ভৱিষ্যতৰ প্ৰজন্মই আজিৰ প্ৰজন্মক বেয়াকৈ ক্ষতি কৰিব। সময় থাকোতেই চিন্তা কৰিবৰ হ'ল। নহলে বৰ্তমানৰ প্ৰজন্মই এদিন আত্মহননৰ পথ যে ল'ব লাগিব ই নিশ্চিত। ❑





# ক্ষুদ্ৰ আলোচনীৰ ইতিহাস আৰু দায়বদ্ধতা

ডঃ দেৱব্ৰত শৰ্মা

ক্ষুদ্ৰ আলোচনীৰ ইতিহাস চৰ্চাৰ আগতে এই প্ৰসংগত প্ৰচলিত কেতবোৰ ধাৰণা সম্পৰ্কে স্পষ্টীকৰণ দি লোৱা প্ৰয়োজন। আমাৰ মতে ক্ষুদ্ৰ আলোচনীৰ ইতিহাস আৰু আলোচনী সাময়িকীৰ সাধাৰণ ইতিহাস এটা অৰ্থত একেখন ইতিহাসেই। অৰ্থাৎ আমি ক'বলৈ বিচাৰিছো যে, পৃথিৱীৰ প্ৰায়বোৰ দেশতে প্ৰথম আলোচনী একোখনৰ যেতিয়া জন্ম হৈছিল, তেতিয়া সেই বিলাক ক্ষুদ্ৰ আলোচনীয়েই আছিল। উদাহৰণ স্বৰূপে ৩.১ কোটি কপি বিক্ৰী হোৱা Readers Digest খনো জন্মৰ সময়ত এখন ক্ষুদ্ৰ আলোচনী আছিল। গাড়ী গেৰেজ এটাৰ পৰা দম্পতী এটাই ইয়াক জন্ম দিছিল। আকাৰ বা আয়তনৰ সেই তাৎক্ষণিক 'ক্ষুদ্ৰতা' স্বত্বেও Readers Digest ৰ প্ৰৱণতা কিন্তু আছিল বৃহৎ প্ৰেছৰ ফালেই। আজি অসমৰ নন্দীনি, পূবালী, শ্ৰীময়ী, হিয়া, মায়া, প্ৰিয় সখী আদি আলোচনীবোৰো আকাৰ বা প্ৰচলনৰ দিশৰ পৰা ক্ষুদ্ৰ আলোচনী হ'ব পাৰে কিন্তু মতাদৰ্শৰ ফালৰ পৰা বৃহৎ প্ৰেছৰ শিবিৰৰ অৰ্ন্তভুক্ত।

অৰ্থাৎ আমি বৃহৎ আৰু ক্ষুদ্ৰ আলোচনীৰ মাজত সীমাৰেখা ডাল আঁকিব বিচাৰিছো মতাদৰ্শৰ ভিত্তিতে। বৃহৎ প্ৰেছ শব্দ দুটাৰ দ্বাৰা আমি -স্থিতাৱস্থাৰ পোষকতা কৰা বৃহৎ বুজোৱা অথবা তেনে শাসক শ্ৰেণীৰ ব্যক্তি বা গোষ্ঠীৰ মালিকাধীন বাতৰি কাকত, আলোচনীক চিহ্নিত কৰিব বিচাৰিছো। স্বাভাৱিক কাৰণতেই এনে বাতৰি কাকত, আলোচনীবোৰত লক্ষ কোটি টকা বিনিয়োগ কৰা হয়, সিবিলাকৰ প্ৰচলনে কেতিয়াবা লাখ চেৰাই যায়, ছপা হয় মসৃন ছপা কাগজত উজ্জ্বল ৰং আৰু ছবিৰে। তাৰ বিপৰীতে সামান্য পুঁজিৰে চলোৱা কাকত-আলোচনীবোৰ প্ৰায়ে ক্ষণজীৱী হয়; নহলেও সিবিলাকৰ চিৰি-চেহেৰা নিস্তেজ হয়। সস্তীয়া নিউজ প্ৰিণ্টত কলীয়া আখৰেৰে লিখিত হয় তাৰ বিষয়বস্তু অথচ বিষয়বস্তুৰ ফালৰ পৰা দ্বিতীয় বিধৰ ঔজ্জ্বল্যতাই প্ৰথমবিধৰ সস্তীয়া ফুলজাৰিৰ চিকমিকনিক সহজেই চেৰাই যায়। এই ক্ষেত্ৰত 'পেৰাডক্স'টো হ'ল ইয়াতেই যে তথাকথিত 'মূলসুঁতি' বৰ্হিভূত হলেও তথাকথিত ক্ষুদ্ৰ আলোচনীবোৰেই বৃহৎ আৰু মহৎ উদ্দেশ্যৰ বাবে আত্মোৎসৰ্গা কৰে। তাৰ বিপৰীতে তথাকথিত 'বৃহৎ' প্ৰেছ হয় সংকীৰ্ণ শ্ৰেণী স্বাৰ্থৰ ধ্বজাবাহী; 'বহুজন হিতায়, বহু সুখায়' কিবা এটা কৰাৰ মতলব ইয়াৰ মনে-চিতেও নাথাকে। বাতৰি ইয়াৰ বাবে পণ্য, চাঞ্চল্য উপজীব্য আৰু মুনাফা ভগৱান। ৰাষ্ট্ৰ আৰু ইয়াৰ উপাংগবোৰ শ্ৰেণী স্বাৰ্থৰ হাথিয়াৰ বুলি যেতিয়া প্ৰকাশ্যে ওলাই পৰে, তেতিয়া প্ৰেছ, আদালত আদিয়ে নিৰপেক্ষতাৰ ৰামনামী কাপোৰ গায়ে-মূৰে আঁৰি ৰাইজক পুনৰবাৰ প্ৰতৰণা কৰাৰ প্ৰয়াস পায়। এই ক্ষেত্ৰত আদালতকৈও শক্তিশালী অনুষ্ঠান হিচাপে থিয় হয় প্ৰেছ। কাৰণ জনপ্ৰিয়তাই আৰু দৈনন্দিন জনসম্পৰ্কই ইয়াক এক অতিৰিক্ত ক্ষমতা প্ৰদান কৰে। 'প্ৰেছ' অৰ্থাৎ বৃহৎ প্ৰেছৰ এনে শ্ৰেণী স্বাৰ্থ নিৰোপিত ভূমিকাৰ বিপৰীতে শোষিত, নিপীড়িত আৰু অৱহেলিত সকলৰ সপক্ষে ঐতিহাসিক ভূমিকাত অৱতীৰ্ণ হ'বলগীয়া হয় ক্ষুদ্ৰ বাতৰি কাকত-আলোচনী অথবা Little Magazine - এ। তিনি বিশ্বত বিভক্ত পৃথিৱীত তৃতীয় বিশ্বৰ যি ভূমিকা শাসক আৰু মধ্যবিত্তৰ আধিপত্যৰ বিপৰীতে নাটকৰ মঞ্চত থাৰ্ড থিয়েটাৰৰ যি ভূমিকা, বাতৰি কাকত-আলোচনীৰ গন্ধমাদনৰ মাজতো একমাত্ৰ বিশল্যকৰণীস্বৰূপ ক্ষুদ্ৰ বাতৰি কাকত-আলোচনীৰ সেই ভূমিকা।

১৬৬৫ চনত <u>Le Journal des savants</u> নামৰ যিখন (ক্ষুদ্ৰ) আলোচনী ফ্ৰান্সত প্ৰকাশ পায়, সেইখনেই আমি জনা সবাতোতকৈ পুৰণি (ক্ষুদ্ৰ) আলোচনী। ১৬৮১ চনত প্ৰকাশ পায় <u>Weekly Memorials for the Ingenious</u> নামৰ এখন ইংৰাজী আলোচনী। আনহাতে অসমীয়া প্ৰথম (ক্ষুদ্ৰ) আলোচনীখন আছিল ১৮৪৬ চনত প্ৰকাশিত <u>অৰুণোদই</u> আৰু দ্বিতীয়খন ১৮৭১ চনত প্ৰকাশিত <u>আসাম বিলাসিনী</u>। এইখিনিতে আমি স্পষ্ট কৰি দিব খোজো যে আকাৰ আৰু প্ৰচলনৰ ফালৰ পৰা কোনোবাই এই দুখন আলোচনীক ক্ষুদ্ৰ আলোচনীৰ লেখত পেলাব পাৰে কিন্তু শ্ৰেণী স্বাৰ্থ তথা বৃহৎ পুঁজিৰ পৃষ্ঠপোষকতাৰ দৃষ্টিকোণৰ পৰা আমি দুয়োখনক বৃহৎ প্ৰেছৰ বাটকটীয়া বুলিব খোজো, কাৰণ <u>অৰুণোদয়</u> আছিল কোটি টকীয়া বেপ্টিষ্ট মিশ্যন প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰকাশিত



OKDISCD

আৰু বিদেশী সামাজ্ৰবাদী শাসনৰ সম্পূৰ্ণ অনুগত; আনহাতে আসাম বিলাসিনীৰ প্ৰকাশক আছিল সম্পদশালী আউনীআটী সত্ৰ তথা সত্ৰীয়া সামন্ত প্ৰভুবৰ্গ। বৃটিছ আনুগত্যত অৰুণোদইৰে ইয়াৰ কোনো পাৰ্থক্য নাছিল। সেয়েহে বিদ্ৰোহী, প্ৰতিবাদী সমান্তৰাল ক্ষুদ্ৰ আলোচনীৰ সংজ্ঞাত এই দুখনক সামৰিব নোৱাৰি।

কিন্তু একেখন আসাম বিলাসিনীৰে ১৯১৩ চনত যেতিয়া পুনৰ জন্ম ঘটিল, তেতিয়া কৃষ্ণকান্ত ভট্টাচাৰ্যৰ সম্পাদনাত ই এক স্বাধীনতাকামী বিদ্ৰোহী প্ৰৱণতাৰ সূচনা কৰিলে; জন্ম হ'ল প্ৰকৃতাৰ্থত এখন ক্ষুদ্ৰ আলোচনীৰ, স্বাধীনতাৰ বৃহৎ স্বপ্নৰে যি উজ্বলিত। মাজৰখিনি সময়ত অৱশ্যে আসাম দৰ্পণ (১৮৭৪), আসাম দীপক (১৮৭৬), আসাম নিউজ (১৮৮২), আসাম বন্ধু (১৮৮৫), আসাম তাৰা (১৮৮৮), আসাম (১৮৯৪), অসম বন্তি (১৯০০), আলোচনী (১৯১০), আসাম বান্ধৱ (১৯১০), আসাম ৰায়ত (১৯১২) আদি অসমীয়া বাতৰি কাকত-আলোচনী প্ৰকাশ পাইছিল। আকাৰৰ ফালৰ পৰা সেইবোৰ সকলোৱেই ক্ষুদ্ৰ আছিল যদিও মতাদৰ্শৰ ফালৰ পৰা বৃহৎ আৰু ক্ষুদ্ৰ দোমোজাতহে আছিল।

বৃহৎ আৰু ক্ষুদ্ৰৰ 'সীয়নিতে শোৱা' ধৰণৰ এনে সীমামূৰলীয়া আলোচনী-বোৰক বাদ দিও আসাম বিলাসিনী (১৯১৩ - ত প্ৰকাশ), অসম বন্তি আৰু Advocate of Assam (দুয়োখন মথুৰামোহন বৰুৱাৰ সম্পাদনাকালীন), Times of Assam (কেদাৰনাথ গোস্বামী আদিৰ সম্পাদনাকালীন) আদিয়ে সূচনা কৰা ক্ষুদ্ৰ আলোচনীৰ ধাৰাটো আজি তাৰিখলৈকে প্ৰৱাহমান হৈ আছে। পৰৱৰ্তীকালত প্ৰকাশিত পদাতিক, সাম্প্ৰতিক সাময়িকী, পাণ্ডুলিপি, শ্ৰেণী সংগ্ৰাম, গণশক্তি, জনজীৱন, কলাখাৰ, অগ্নিযুগ, ফিৰিঙতি, বিকল্প, নতুন পদাতিক, বিকল্প, নতুন বাঁহী, ত্ৰৈমাসিক কলং, দামল, কঠিয়া, চিন্ময়, বুৰুজ, অৰ্ধআকাশ আদি অজস্ৰ ক্ষুদ্ৰ আলোচনীয়ে পৰিও নপৰা মৰিও নমৰা অসমৰ প্ৰগতিশীল চেতনাক উজ্জীবিত কৰি ৰাখিছে। পৰিতাপৰ কথা যে চন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত 'অসমৰ বাতৰি কাকত আলোচনী ডেৰশ বছৰীয়া ইতিহাস'ত ক্ষুদ্ৰ আলোচনীৰ এই গুৰুত্বপূৰ্ণ ধাৰটো অৱহেলিতেই কেৱল নহয়, অনুল্লেখিত- প্ৰায় থাকি গ'ল। অৱশ্যে 'বৃহতে' 'ক্ষুদ্ৰ'ক এনেকৈ ক্ষুদ্ৰতৰ অথবা নিঃশেষ কৰিব নোৱৰিলে। বৃহৎৰ ক্ষুদ্ৰাতংকতে প্ৰমাণিত হ'ল ক্ষুদ্ৰত কিমান শক্তিশালী হ'ব পাৰে।

কিন্তু শ্ৰেণী-চেতনা-উদ্দীপ্ত এনেধৰণৰ ক্ষুদ্ৰ আলোচনীবোৰেই একমাত্ৰ ক্ষুদ্ৰ আলোচনী বুলি কলেও কথাটো সম্পূৰ্ণ নহ'ব। অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাসে স্বীকৃতি নিদিয়া জনগোষ্ঠীগত ক্ষুদ্ৰ আলোচনীৰ এটা সমান্তৰাল ধাৰাও অবিৰাম প্ৰৱহমান। সাদিন কাকতৰ ৭ আগষ্ট, ১৯৯৮ ৰ পৰা ২৮ আগষ্ট ১৯৯৮ লৈ লিখা এলানি প্ৰৱন্ধৰ জৰিয়তে সান্ত্বনা শৰ্মাই কেৱল মিচিং ভাষাত প্ৰকাশিত ৩৪ খন আলোচনী, নেপালী ভাষাৰ ৬০ খন, ঝাড়খণ্ডী আদিবাসীসকলৰ চাদ্ৰী ভাষাত এখনকে ধৰি কাৰ্বি মণিপুৰী আদি ভাষাৰে শতাধিক ক্ষুদ্ৰ আলোচনীৰ খবৰ দিছে। আমি জনাত সংখ্যাটো ইয়াতকৈ বেছি হলেও কম নহয়। ইফালে বড়ো ভাষাৰ কাকত-আলোচনীবোৰ আৰু তাই-আহোম, চুতীয়া, নামযোগী, মুছলীম আদি বহু সম্প্ৰদায়ৰে নিজা গোষ্ঠীগত আলোচনীবোৰো আছেই। এই চমু আলোচনাত সেই সকলোবোৰৰ সম্পুৰ্ণ তালিকা প্ৰদান সম্ভৱ নহ'লেও এটি ৰূপৰেখা দাঙি ধৰিলো। যিহেতু আলোচিত সময়ত বৰ্তমানৰ মেঘালয় অসমৰ অন্তৰ্ভুক্ত আছিল এতেকে গাৰো আৰু খাচী-জয়ন্তীয়া আলোচনীও আমি ইয়াত অন্তৰ্ভুক্ত কৰিছো।

১। ১৮৭৯-১৯৮৭ আচিকনি ৰিপেং
মাহেকীয়া
২। ১৯১২-১৯১৪ পিৰিং পাৰাং
মাহেকীয়া সাহিত্য আলোচনী
৩। ১৯৩৩ চেংবা
মাহেকীয়া ধৰ্মীয় আলোচনী
৪। ১৯৪০-১৯৭৫ আচিক কুৰাং
মাহেকীয়া সাহিত্য আলোচনী
৫। ১৯৪৩ চিবিচিকি
৬। ১৯৪৫-১৯৫০ আচিকনা ইউনি
পযেকীয়া
৭। ১৯৫৩-১৯৭৫ আচিফ সংবাদ
সাপ্তাহিক
৮। (চাৰিবছৰ) চানদাম্বি কুৰাং
অৰ্ধ সাপ্তাহিক
৯। ১৯৫৬ কুবাৰাংবা
মাহেকীয়া
১০।১৯৬০-১৯৬২ আচুৱনী সংবাদ
মাহেকীয়া

খাচী-জয়ন্তীয়া

১১।১৮৯৪ উ নংকিত খবৰ
ধৰ্মীয় মাহেকীয়া
১২।১৮৯৫ উ খাচী মিন্তা
মাহেকীয়া
১৩।১৯০২-১৯০৩ উ নঙিয়ালম খৃষ্টান
ধৰ্মীয় মাহেকীয়া



১৪।১৯০২-১৯০৩ উ নঙিয়ালম কেথলিক
১৫।১৯০৩-১৯১৮ উ নংফিৰা
১৬।১৯০৩-১৯৪৩ উ লুচাই
মাহেকীয়া
১৭।১৯১৫-১৯১৬ কাচেং প্ৰেচ বাইটেৰিয়ান
১৮।১৯২১ উ নংপিৰ্তা
১৯।১৯২২ উ খাচী
২০। - উ জয়ন্তীয়া
২১।১৯২২ উ নঙিয়ালপ
২২।১৯২৪-১৯৩৪ কা সুঙি
২৩।১৯২৫-১৯২৬ কা জিংশিশা
২৪।১৯৩০ উ ৰক
২৫।১৯৩০ উ জিংতিপ
২৬।১৯৩১-১৯৩২ কা জিংশাইজং বা খি খাচী
২৭।১৯৩৩ কা জুক
২৮।১৯৩৪ উ নংকিত খবৰ
২৯।১৯৩৭ কা চিংখং ৰিংতি
সাংস্কৃতিক আলোচনী
৩০।১৯৩৮-১৯৩৯ কা মেইৰিলুং

বড়ো

৩১।১৯২৩ বিবাৰ তিনিমহীয়া
৩২।১৯২৬ প্ৰভাতী মাহেকীয়া
৩৩।১৯৩৮ অলংবাৰ
৩৪।১৯৪০ হাৰ্মখি হালা
৩৫।১৯৫০ বড়ো লিথুম বিলাই

তাই আহোম

৩৬।১৯০০-১৯৪৪ অসম বন্তি
পযেকীয়া
৩৭।১৯৩৪ অসম ৰাইজ
তিনিমহীয়া
৩৮।১৯৪০ হিতকথা
পযেকীয়া
৩৯।১৯৪৯ আৰোৱান
৪০।১৯৪৯ সংগ্ৰাম

সকলো জনজাতিৰ বাবে

৪১।১৯৪৪ নায়ক দুমহীয়া

নেপালী

৪২।১৯৪৪ গোৰ্খাসেৱক
সাপ্তাহিক
৪৩।১৯৪৮ হিমাদ্ৰী
৪৪।১৯৬০ ঊষা
৪৫। - বন্ধু
৪৬। - আশা
৪৭। - আশীৰ্বাদ
৪৮। - চেতনা

মুছলীম

৪৯।১৯১৯-১৯২০ ইছলামী আখবাৰ
মাহেকীয়া
৫০।১৯২৩ সাধনা
তিনিমহীয়া
৫১।১৯২৮ প্ৰচাৰক মাহেকীয়া
৫২।১৯৩৩ দি মেচেঞ্জাৰ মাহেকীয়া
৫৩।১৯৪৬ পায়গাম মাহেকীয়া

অনুসূচিত জাতি

৫৪।১৯২৬ সেৱা দুমহীয়া

মিছিং

৫৫।১৯৪৭ আৰোহণ
৫৬।১৯৫৭ মিৰ'মিগল'

দেউৰী

৫৭।১৯৪৭ ৰ আগৰ জিমছায়া চচুয় চাগ্ৰ
৫৮। - জিমছায়া চচু

মণিপুৰী

৫৯।১৯৫৯ নাহাৰল বাৰ্ষিক

আদিবাসী

৬০।১৯৪৮-১৯৫২ উদ্ধাৰ মাহেকীয়া
৬১।১৯৪৯ ছোটনাগপুৰী সংস্কাৰক

চুতীয়া

৬২।১৯৪৭ ভ্ৰমৰ তিনিমহীয়া

নাথ-যোগী

৬৩।১৯৫২ যুগবাণী ছমহীয়া

সোনোৱাল

৬৪।১৯২৫ ৰাইজ মাহেকীয়া

.... এই তালিকাক ৰূপৰেখা বুলি এই কাৰণেই কৈছোঁ যিহেতু ইয়াত মাত্ৰ ১৯৬০ চনলৈকে প্ৰকাশিত জ্ঞাত আলোচনীবোৰৰ নামহে অন্তৰ্ভুক্ত কৰা হৈছে। তথাপিও এই সমান্তৰাল ধাৰাটোৰ ক্ষুদ্ৰ আলোচনীবোৰৰ বিষয়ে আভাস দিবলৈ এই তালিকাই যথেষ্ট।

শ্ৰেণী চেতনা আৰু জনগোষ্ঠীগত চেতনাৰে উদ্দীপ্ত এই দুইধৰণৰ ক্ষুদ্ৰ আলোচনীৰ বাহিৰেও সাহিত্য-সংস্কৃতি, ক্ৰীড়া, কৃষি,বিজ্ঞান, বিনোদন, বিবিধ বিষয়ক অজস্ৰ ক্ষুদ্ৰ আলোচনী (বিশেষকৈ স্থানীয় ভিত্তিত) জন্মহৈ আৰু মৰি আহিছে। এই বিলাকৰ বিষয়ে বিশদ আলোচনালৈ যোৱাৰ অৱকাশ এই নিবন্ধত নহ'ব। চমুকৈ মাথো ক'ব পাৰি যে এই প্ৰতিখন আলোচনীৰে নিজা নিজা ক্ষেত্ৰত অপৰিসীম গুৰুত্ব আছিল আৰু আছে।

কিন্তু তৎস্বত্বেও আজি ক্ষুদ্ৰ আলোচনীবোৰে এক নতুন আৰু গুৰুত্বৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। এই প্ৰত্যাহ্বান আহিছে বৃহৎ বুৰ্জোৱা প্ৰেছৰ পৰা যিবিলাকে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি চিকচিকীয়া মিহি কাকত ঝকমকীয়া উজ্জ্বল ছপা, ৰঙ আৰু ছবিৰে ভৰপূৰ কাকত-আলোচনীৰে বজাৰ দখল কৰাত লাগিছে। এটা উদাহৰণ দিলেই ধাৰণাটো স্পষ্ট হ'ব ঃ স্থানীয় ক্ষুদ্ৰ কাকতবোৰৰ বজাৰ গ্ৰাস কৰি আনিছে গুৱাহাটীয়া প্ৰেছে, কিন্তু অসমীয়া দৈনিক বাতৰি কাকত একোখন তিনিটকাত বিক্ৰী হোৱাৰ বিপৰীতে গুৱাহাটীৰ পৰা প্ৰকাশিত The Telegraph বিক্ৰী হয় মাত্ৰ দুটকাত। একেখন কাকতেৰে কলকাতা সংস্কৰণ অথবা আন যিকোনো সৰ্বভাৰতীয় দৈনিক কাকত ১.৫০ টকাতে অৰ্থাৎ অসমীয়া দৈনিকৰ আধা দামতে বিক্ৰী হয়। অথচ সৰ্বভাৰতীয় দৈনিকৰ পৃষ্ঠাসংখ্যা ১৬ অৰ্থাৎ অসমীয়াৰ দুগুণ; তদুপৰি যি বহুবেছি বৰ্ণাঢ্য ৰঙীন। এই অসমান প্ৰতিযোগিতাৰ পৰিণতি অনুভুত হ'বলৈ



OKDISCD

লাগোতেই আজি বি জে পি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বহুজাতিক কোম্পানীত মালিকানাধীন বৃহত্তম প্ৰেছক ভাৰতত সোমাবলৈ অনুমতি দিব ধৰিছে। এনে বহুজাতিক প্ৰেছে প্ৰয়োজন হ'লে ভাৰতৰ প্ৰতিখন জিলা চহৰৰ পৰা স্থানীয় ভাষাতে জাকজমকীয়া ২৪ পৃষ্ঠাৰ বাতৰি কাকত প্ৰকাশ কৰি এটকাতে বিক্ৰী কৰিব পাৰে। এইজাক পছোৱা বৰদৈচিলাত ক্ষুদ্ৰ আলোচনীহে নালাগে, গুৱাহাটীয়া-কলিকতীয়া প্ৰেছৰ বৰ গছবোৰো উভাল খাই পৰেহে লাগে।

এইজাক বৰদৈচিলাৰ নাম বিশ্বায়ন বা গোলকীকৰণ। তাৰ পিছত ৰূপার্ট মাউকৰ দৰে মেডিয়া দৰে মেডিয়া মোগল-নিউজ -বেৰুণৰ হাতৰ মুঠিত আজি পৃথিৱীৰ সংবাদমাধ্যম। স্বাভাৱিকতে এই গোলকীকৃত ডাইন'চৰ সদৃশ অতিকায় প্ৰেছে ক্ষুদ্ৰ বৃহৎ নিৰ্বিশেষে স্থানীয় আনকি জাতীয় প্ৰেছকো গিলি পেলাব বিচাৰিছে। পাঁচহেজাৰ বছৰীয়া সভ্যতাৰ সমুদ্ৰ মন্থন কৰি আমি তুলি অনা মানবীয় প্ৰমুল্য তথা বৰ্ণাঢ্য সংস্কৃতি, গৰিমামণ্ডিত ইতিহাস সকলো এতিয়া বিশ্বায়নৰ জগন্নাথ-ৰথৰ তলত চেপেটা কৰিবলৈ বিচৰা হৈছে। ইয়াৰ বিপৰীতে সাম্ৰাজ্যবাদ তথা বহুজাতিক বণিকৰ বজৰুৱা স্বাৰ্থকে বিশ্বমানৱৰ স্বাৰ্থ বুলি প্ৰতীয়মান কৰিবলৈ অহোৰাত্ৰ ৰাউচি জোৰা হৈছে। আজি যদি সিহঁতে ওচামা বিন লাডেনক ৰাক্ষস-দানৱ সন্ত্ৰাসবাদী সজাইছে, আমেৰিকাক গণতন্ত্ৰ আৰু মানৱতাৰ মুক্তিদূত পাতিছে তেনেহ'লে কালিলৈ সিহঁতে বালিৰ বিৰুদ্ধে ব্যৱহৃত একেপাত শৰকে ভাৰতীয় সুগ্ৰীৱহঁতৰ বিৰুদ্ধেও এৰিব।

এনে সংকটৰ মুহুৰ্তত ক্ষুদ্ৰ আলোচনীৰ ওপৰত এক ঐতিহাসিক দায়িত্ব আহি পৰিছে। আমাৰ ভাষা - সাহিত্য সংস্কৃতি ইতিহাস আমাৰ জৈৱবৈচিত্ৰ্য এই সকলোখিনি চকুৰ মণিৰ দৰে ৰক্ষা কৰি ইলেকট্ৰনিক মাধ্যম তথা বহুজাতিক প্ৰেছৰ আগ্ৰাসনৰ বিৰুদ্ধে দেশ তথা জনগণক একত্ৰিত তথা জাগ্ৰত কৰাৰ দায়িত্ব আজি আমাৰ ওপৰতে পৰিছে। বৃহৎ প্ৰেছৰ দ্বাৰা অৱহেলিত সৰু সৰু ঠাইৰ অখ্যাত অজ্ঞাত হেজাৰজনৰ কলমত শাণ দি শাণিত অস্ত্ৰত পৰিণত কৰাৰ কৰটি শিলৰ কাম কৰিব লাগিব এইবোৰ ক্ষুদ্ৰ আলোচনীয়েই। কাৰণ লেনিনে ক'বৰ দৰে এখন বাতৰি কাকত এজন সংগঠক। প্ৰত্যন্ত গ্ৰামে-গঞ্জে প্ৰতিভাৰ শতপুষ্প বিকশিত কৰাৰ কামো ল'ব লাগিব ক্ষুদ্ৰ আলোচনীয়েই। প্ৰয়োজন সাপেক্ষে শাসকৰ চেন্সৰশ্বিপৰ ৰঙা চকু নেওচি গোপন প্ৰেছ, গোপন কম্পিউটাৰ, প্ৰিণ্টাৰ, ফটোষ্টেট মেচিনেৰেও উলিয়াই ঘৰে ঘৰে জুহালে জুহালে বিয়পাই দিব লাগিব বিদ্ৰোহী ইস্তাহাৰ। ১১ চেপ্তেম্বৰৰ ক্ষুদ্ৰ কিন্তু সাহসী আক্ৰমণে বাণিজ্য কেন্দ্ৰ তথা পেণ্টাগনক ধূলিস্যাৎ কৰি মাৰ্কিন সাম্ৰাজ্যবাদৰ গৰ্ব ধূলিস্যাৎ কৰাৰ দৰে এই অগণন ক্ষুদ্ৰ কিন্তু অদমনীয়া মৃত্যুজয়ী কাকত-আলোচনীয়েহে ৰচিব পৃথিৱীৰ ইতিহাস কাৰণ প্ৰতিক্ৰিয়াশীল সৎ এই বৃহৎ বহুজাতিকৰ কাগজৰ বাঘহে জনগণ একমাত্ৰ জনগণহে ইতিহাসৰ চালিকাশক্তি। সেয়েহে জনগণৰ কণ্ঠ বিৰূপ ক্ষুদ্ৰ আলোচনী আন্দোলন বলবান কৰিবৰ হ'ল। □


*ৰাইজলৈ নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে*

**অমিয়া ঔষধালয়**

'হিউমেন এণ্ড ভেটেনেৰী'
দৰৱৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।
খৰিকটীয়া, ধোদৰ আলি, যোৰহাট (অসম)
পিন - ৭৮৫৬৩৩

*ৰাইজলৈ নৱবৰ্ষৰ অভিনন্দন*

**শ্ৰীগোপাল বেলুৱাৰ**


এজেণ্ট নং ০০৭২২৪৪ ই এল. আই. চি. (জীৱন বীমা) তিতাবৰ শাখা
নতুন বীমা আঁচনিৰ বাবে যোগাযোগ কৰক, তাৰোপৰি
১। Revival ( পুনৰ জীৱীত কৰা)
২। Surrender (আধৰুৱা পলিচি উঠাই লোৱা)
৩। Death Claim ( মৃত্যুৰ ধন দাবীকৰা আদি তিতাবৰ শাখাত ২০০১ চনৰ পৰা প্ৰথম স্থান অধিকাৰ কৰা নিৰ্ভৰযোগ্য এজেণ্টে। যোগাযোগৰ ঠিকনা, গোপাল বেলুৱাৰ, বাহনী বাগিছা।





# মুখা

মিতালী ফুকন



**শ্যা**মলীমাই এতিয়াহে ভালদৰে উপলব্ধি কৰিলে যে এজন মানুহৰে কেইবাটাও ৰূপ থাকে। দুৰৈৰ পৰা দেখিবলৈ ভাল লগা অথবা ভাল বুলি ভবা মানুহজন ওচৰৰ পৰা যে ভাল নালাগিবও পাৰে, সেইকথা তাইৰ সহপাঠী অনুপমাই কেতিয়াবাই কৈছিল। শ্যামলীমাই যেতিয়াই বিশিষ্ট সাহিত্যিকজনক প্ৰশংসা কৰিছিল, তেতিয়াই অনুপমাই সেইকথা কৈছিল। কিন্তু অনুপমাৰ কথাত তাই বিশেষ গুৰুত্ব দিয়া নাছিল, বৰঞ্চ কেতিয়াবা অনুপমাৰ ওপৰত খঙহে উঠিছিল। অনুপমাৰ লগত সেইজন বিশিষ্ট সাহিত্যিক, যিজনৰ স্থান সাহিত্য জগতত উচ্চ, দেশ-বিদেশৰ সাহিত্যিক যাৰ যথেষ্ট দখল থকাই নহয় উচ্চ প্ৰশংসিত হোৱাৰ লগতে কেইবাটাও নামী বঁটাৰে বিভুষিত, সেইজন সাহিত্যিকৰ লগত কোনো মধুৰ সম্পৰ্ক নাছিল। সাধাৰণ চা-চিনাকি আছিল। কাৰণ শ্যামলীমাৰ দৰে অনুপমায়ো প্ৰবন্ধ, কবিতা, গল্প লিখে। শ্যামলীমাতকৈ তুলনামূলক ভাৱে অনুপমাই যথেষ্ট ভালকৈ লিখে, কিন্তু ছোৱালীজনীৰ গহীন, গম্ভীৰ স্বভাৱটোৱে মানুহৰ লগত চা-চিনাকি হ'বলৈ, চলাহী ভাষাৰে চিঠি লিখিবলৈ অথবা টেলিফোনত ডাঙৰ ডাঙৰ সাহিত্যিকৰ লগত কথা পাতিবলৈ বাধা দিয়ে কাৰণে নামী কাকত আৰু আলোচনী কেইখনত তাইৰ লিখা আজিলৈ প্ৰকাশ হোৱা নাই। কিন্তু শ্যামলীমাৰ প্ৰায়বিলাক কাকত আলোচনীতেই গল্প, কবিতা, প্ৰবন্ধ প্ৰকাশ হৈছে। তাই প্ৰায়বিলাক নামী-দামী লিখকৰ লগত চিনাকি হৈ চিঠি-পত্ৰ আদান-প্ৰদান, ফোন কৰা, অট'গ্ৰাফ লোৱা আদি কামবোৰ নিচাত পৰিণত হৈছিল। শ্যামলীমাৰ মিটিঙলৈ যোৱা, বিশেষকৈ কবি সন্মিলনত কবিতা পাঠ কৰা কামটো বৰ প্ৰিয়। ঘৰৰ কাম, সংসাৰৰ কাম, কলেজৰ কাম সকলো সামৰি যেনেতেনে মিটিংবোৰত উপস্থিত হৈছিলগৈ। এইক্ষেত্ৰত অৱশ্যে স্বামী অনুভৱেও সহায় কৰাৰ লগতে লিখা-মেলাত সহায় কৰি দিয়ে। শ্যামলীমাই কবি সন্মিলনৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে আনকি ল'ৰাটোৰ এমাহ নহওঁতেই ঘৰত থৈ বাৰ মাইল মান আঁতৰত অনুষ্ঠিত কৰা এখন কবি সন্মিলনলৈয়ো গৈছিল। কাৰণ - সেই সন্মিলনলৈ তাইৰ আকাংখিত, শ্ৰদ্ধাৰ সাহিত্যিকজন নিৰ্দিষ্ট বক্তা হৈ আহিব বুলি তাই ভাবিছিল। পিছে সিদিনা দুভাগ্যবশতঃ তেখেত নাহিল। নিমন্ত্ৰণী পত্ৰখনত সাহিত্যিকজনৰ নামটো দেখিহে তাই পানী কেঁচুৱাটোক এৰি সকলোৰে বাধা নামানি কবি সন্মিলনলৈ বুলি এচোৱা বাচত থিয় হৈ, এখন নদী নাৱত পাৰ হৈ, এক কিলোমিটাৰ বোকা পানীৰ ৰাস্তা খোজ কাঢ়ি গৈছিল। সিদিনাও তাইৰ সহপাঠী অনুপমাই যাবলৈ বাধা দিছিল কিন্তু নামানিলে। মনে মনে তাইৰ ওপৰত খঙহে উঠিছিল। তাৰ কাৰণো সাহিত্যিকজনৰ প্ৰতি থকা শ্ৰদ্ধা আৰু লগ পোৱাৰ হেঁপাহ। সিদিনাখন শ্যামলীমাৰ কষ্ট দেখি অনুভৱে মৰমেৰেই বুজাইছিল- "নিজক শাৰীৰিক ভাৱে ইমান কষ্ট কিয় দিব লাগে। তুমি যদি সাহিত্যিক গৰাকীক লগ পাবলৈ ইমানেই হেঁপাহ কৰিছা এদিন ঘৰলৈ নিমন্ত্ৰণ কৰা। বিশেষভাৱে দিন দিব নালাগে। কেতিয়াবা এইখন ঠাইলৈ আহিলে সোমাবলৈ নিমন্ত্ৰণ কৰা, অনুৰোধ জনোৱা।" সিদিনা শ্যামলীমাৰ মনত সন্দেহ হৈছিল অনুভৱে তাইক বেয়া পোৱা নাইতো। নাই, নাই অনুভৱে কেতিয়াও বেয়া পাব নোৱাৰে। তাইক সাহিত্য চৰ্চা কৰিবলৈ অনুভৱে সদায় উৎসাহ, প্ৰেৰণা দিছে। যিদিনা তাই নতুন লিখক-লেখিকা এগৰাকীৰ লগত চিনাকি হৈ মনৰ আনন্দ প্ৰকাশ কৰিছে, অনুভৱেও তাইৰ লগত আনন্দ প্ৰকাশ কৰিছে। তেনেস্থলত তাই সন্দেহ কৰা অনুচিত। এদিনাখন শ্যামলীমাক আঁচৰিত কৰি অনুভৱেই ফোন নাম্বাৰ এটা দি ডায়েল কৰিবলৈ দিলে। অনুভৱৰ কথা মতেই সিদিনা ৰাতি ফোন নাম্বাৰটো ডায়েল কৰি তাই শিহঁৰিত হৈছিল। কাৰণ তাইৰ বহু আকাংক্ষিত সাহিত্যিকজনৰ সতে প্ৰথম কথা পাতিছে। তাই তেখেতৰ বিষয়ে ভালদৰেই শুনিছে, খুউব ব্যস্ত মানুহ। সদায় ৰুটিন মতেই চলে। মানুহক কথা পাতিবলৈয়ো সময় দিব নোৱাৰে।

গতিকে প্ৰথম দিনা তাই বিশেষ কথা নাপাতিলে। কিন্তু তাই আঁচৰিত হ'ল তাইৰ নামটো কওঁতেই চিনি পালে। বহুদিনীয়া চিনাকি মানুহৰ দৰেই তাইৰ লগত কথা পতাত মনে মনে তাই গৌৰৱো অনুভৱ কৰিলে। তাৰ পিছত শ্যামলীমাই মাজে মাজে সাহিত্যিকজনৰ লগত ফোনত বহু বিষয়ে আলোচনা কৰিব পৰাও হ'ল। মনটো বেয়া লাগিলেও শ্যামলীমাই সাহিত্যিকজনলৈ ফোন কৰিলেহে ভাল লাগিছিল।

শ্যামলীমাই লগৰ সহপাঠী, বন্ধুবৰ্গৰ আগত প্ৰায়ে সাহিত্যিকজনৰ বিষয়ে কৈ গৌৰৱ কৰিছিল। ফোনত কি কি বিষয়ে কথা পাতিলে, তেওঁৰ গল্প, নতুনকৈ লিখা কবিতা পঢ়ি কি মন্তব্য আগবঢ়ালে - ইত্যাদি কথাবোৰ কৈ শ্যামলীমা আনন্দত ক'ব নোৱাৰা হৈছিল। শ্যামলীমাৰ কথা শুনি অনুপমাই প্ৰায়ে তাইক সকিয়াইছিল। তাই আনৰ মুখত শুনা কিছুমান কথাও তাইক শুনাইছিল। কিন্তু শ্যামলামীই তাইৰ কথাত গুৰুত্ব নিদিয়াত পিছলৈ একো নোকোৱা হ'ল। শ্যামলীমাই ফোনত সঘনাই কথা পাতিছিল যদিও সাহিত্যিকজনৰ এদিনো মুখামুখি হোৱা নাছিল। ব্যক্তিজন থাকে গুৱাহাটী মহানগৰীত আৰু তাই থাকে লখিমপুৰত। গতিকে সোনকালে লগ পোৱাতো সম্ভৱ হোৱা নাছিল। তাতে শ্যামলীমা আৰু অনুভৱ দুয়ো চাকৰিয়াল। তাতে ল'ৰাটোও সৰু। গতিকে গুৱাহাটীলৈ যাবলৈ বহুত মিলাব লাগিব। মাজে মাজে সাহিত্যিকজনৰো শ্যামলীমাক গুৱাহাটীলৈ আহিবলৈ নিমন্ত্ৰণ জনায়। ফোনত কথা পাতোতেই ইমান আন্তৰিকতা বাঢ়িছিল যে শ্যামলীমাৰ ক'ৰবাত কবিতা প্ৰকাশ হ'লেও ফোনতে ব্যক্তিজনে পঢ়ি শুনোৱাই নহয় সমালোচনা কৰিছিল। এদিন এটা প্ৰেমৰ কৰিতা দৈনিক কাকত এখনত ওলোৱাত শ্যামলীমাক প্ৰথমে কবিতাটো পঢ়ি খুউব ভাল পালে বুলি কৈ তেখেতে হাঁহি মাৰি ক'লে - "তুমি মোৰ প্ৰেমত পৰা নাইতো।" শ্যামলীমাই থতমত খাইছিল যদিও ওচৰতে অনুভৱ বহি থকাৰ বাবে প্ৰকাশ কৰি নেদেখুৱালে। কিন্তু প্ৰতিটো কথাই শ্যামলীমাই অনুভৱক কোৱাৰ দৰে সিদিনা সেইকথা নক'লে। আগৰদৰে উৎকণ্ঠাৰে, হেঁপাহেৰে ফোন অহালৈ বাট নোচোৱা হ'ল। একপ্ৰকাৰ পাহৰিবলৈকে চেষ্টা কৰিছিল।

এদিনাখন শ্যামলীমাৰ নামত অচিনাকি আখৰৰ চিঠি 'এনভেলৰ' কলেজৰ ঠিকনাত অহাত তাই আঁচৰিত হ'ল। আন কাৰো নহয় তাইৰ আগতে পৰম আগ্ৰহ, হেঁপাহৰে চিনাকি হ'বলৈ বৈ থকা, ফোনত কথা পাতি শিহঁৰিত হোৱা আৰু তাৰ পিছত অনাহুত বাক্য শুনি থমকি ৰ'বলৈ বাধ্য হোৱা ব্যক্তিজনৰ চিঠি। নতুনকৈ আলোচনী এখন উলিয়াব খুজিছে, গতিকে প্ৰিয় শুভাকাংক্ষীৰ গল্প এটা লাগে। শ্যামলীমাৰ মনটো যেন হঠাতে চঞ্চল হৈ পৰিছিল। কাৰণ আলোচনীখনৰ প্ৰস্তাবনা সংখ্যাৰ বাবে নামী সাহিত্যিক গৰাকীয়ে নিজে তাইৰ গল্প এটা বিচাৰিছে। গতিকে তাই নিজকে সৌভাগ্যশালী বুলিয়েই অনুভৱ কৰিলে। কাৰণ তাই ভালদৰে জানে সাহিত্যিকজনৰ জনপ্ৰিয়তা, সাহিত্যৰ ওপৰত থকা আধিপত্যৰ বাবে আলোচনীখন ভালদৰে চলিব। শ্যামলীমাই চিঠিখনৰ কথা লগৰ অনুপমাকো ক'লে। অনুপমাক আনকি ফোনৰ নম্বৰ দি শ্যামলীমাই যোগাযোগ কৰিবলৈ ক'লে। কিন্তু অনুপমাই বিশেষ আগ্ৰহ নেদেখুৱাই তাই যে ভাল সাহিত্য এতিয়াও সৃষ্টি কৰিব পৰা নাই সেই কথা উনুকিয়ালে। শ্যামলীমাৰ লগত লগত ব্যক্তিজনৰ আকৌ সঘনাই ফোনত কথা-বতৰা হ'ল। নতুন আলোচনীখনত তাই নিয়মীয়াকৈ লিখিবলৈ ল'লে। নতুন উদ্যমেৰে লিখিবলৈ লোৱাত শ্যামলীমাই সাহিত্যিকজনৰ মুখত শুনা অনাহুত কথাষাৰো পাহৰি গৈছিল। নিয়মীয়াকৈ আলোচনীত লিখনি প্ৰকাশ হ'বলৈ ধৰাত শ্যামলীমাৰ নিজকে প্ৰতিষ্ঠিত লেখিকা হিচাবেই অনুভৱ হ'ল। সভা-সমিতিবোৰতো অলপ গহীন হৈ থাকিবলৈ ল'লে। আগতে ভালদৰে নামাতিলেও আলোচনীখনত লিখাৰ পিছত সকলোৱে স-সন্মানেৰে আগতীয়াকৈ মাতিবলৈ ল'লে। শ্যামলীমাৰ বুকু আৰু এহাত হ'ল। লগৰ অনুপমাকতো পাত্তাই নিদিয়া হ'ল। একপ্ৰকাৰ শ্যামলীমাৰ মনত এক অহংকাৰ ভাৱ জন্মিছিল।

শ্যামলীমাহঁতৰ কলেজখনৰ পঁচিশবছৰ হোৱা বাবে ৰূপালী জয়ন্তীৰ আয়োজন কৰি বিভিন্ন কাৰ্যসূচী হাতত ল'লে। ৰূপালী জয়ন্তীৰ উপলক্ষে স্মৃতিগ্ৰন্থ এখনো প্ৰকাশৰ যো-জা কৰিলে। গ্ৰন্থখনৰ দায়িত্বত অনুপমা আৰু শ্যামলীমা দুয়োগৰাকী থাকিল। কাৰণ দুয়োগৰাকী অসমীয়া বিভাগৰ শিক্ষয়ত্ৰী আৰু সাহিত্য চৰ্চা কৰে। শ্যামলীমাই যিমান সাহিত্যিকৰ সতে যোগাযোগ ৰাখিছিল, সকলোৱে পৰা লিখনি বিচাৰি চিঠি দিলে। তাইৰ প্ৰিয় সাহিত্যিকজনৰ পৰাও লিখনি এটি বিচাৰিলে। কিন্তু তেখেতৰ সময়ৰ অভাৱে, দিব নোৱাৰে বুলি আগতীয়াকৈ জনালে। স্মৃতিগ্ৰন্থখনত লিখিব নোৱাৰিলেও তেখেতক স্মৃতিগ্ৰন্থখন উন্মোচন কৰিবলৈ মাতে তেতিয়া যাব পাৰিব। কাৰণ শ্যামলীমাক লগ পাবলৈ আৰু শ্যামলীমাৰ হাতৰ এসাজ ভাত খাবলৈ তেখেত খুবেই আগ্ৰহী। সাহিত্যিকজনৰ



আহিবলৈ থকা আগ্ৰহৰ কথা অনুভৱক কোৱাত অনুভৱে কমিটিৰ লগত আলোচনা কৰি তেখেত আহিলে সকলোৱে যে ভাল পাব সেই কথা সাহিত্যিকজনক নিজে ফোন কৰি জনালে। শ্যামলীমায়ো মনতে ভালেই পাইছিল। তাইৰ প্ৰিয় সাহিত্যিকজন আহিব। তাইৰ ঘৰত, তাইৰ হাতেৰে বনোৱা এসাজ আহাৰ খাব। তাৰ পিছত হয়তো সিহঁতৰ ঘৰলৈ অহা তাইৰ হাতৰ সু-স্বাদু আহাৰ সাজৰ বিষয়ে কাকতত লিখিব। সকলোৱে জানিব শ্যামলীমা বৰুৱাৰ লগত অসমৰ জনপ্ৰিয়, নামী, বিখ্যাত সাহিত্যিকগৰাকীৰ ভাল। কিমান মানুহেই যে তেখেতক ওচৰৰ পৰা এবাৰ লগ পাবলৈ বিচাৰে! শ্যামলীমাৰো যে লগ পাবলৈ কিমান হেঁপাহ! বহু বছৰৰ আগৰ সেই মনৰ আশা শ্যামলীমাই নভৱা ধৰণে পূৰণ হ'ব এতিয়া। তাইতো কোনোদিন ভৱা নাছিল সাহিত্যিকজনে যে এনেদৰে তাইৰ হাতেৰে ৰন্ধা আহাৰ খাবলৈ ইচ্ছা কৰিব। মনে মনে শ্যামলীমাৰ মনতো উগুল-থুগুল লাগিল। অনুভৱৰো শ্যামলীমাৰ আনন্দ দেখি ভাল লাগিল। শ্যামলীমাৰ লগতে অনুভৱেও সাহিত্যিকজন কলেজলৈ আহিবলগীয়া দিনটোলৈ অধীৰ আগ্ৰহেৰে বাট চালে। অৱশেষত সেই দিনটো আহিল। শ্যামলীমা হঁত কেইবাদিনো আগৰে পৰা কলেজৰ ৰূপালী জয়ন্তীৰ কামত ব্যস্ত হৈ পৰিছিল। প্ৰথম দিনা বিভিন্ন কাৰ্যসূচীৰ লগতে আবেলি সময়ত 'স্মৃতিগ্ৰন্থ' উন্মোচনৰ প্ৰগ্ৰেম দিয়া হ'ল। শ্যামলীমাই তিনিদিন মানৰ আগৰে পৰাই অনুভৱক কৈ বিভিন্ন বস্তুৰ বজাৰ কৰি ৰাখিলে। ব্যক্তিজনক চাহৰ লগত কি খাবলৈ দিব, ভাতসাজ কি ব্যঞ্জনেৰে আপ্যায়ন কৰাব। বজাৰৰ পৰা চিতল মাছৰ কলঠি, কচুশাক, ঢেঁকিয়া শাক, মধু সোলেং আদি আনি কেনেদৰে ৰান্ধিব এখন তালিকাই বনাই ৰাখিলে। অনুভৱেও পৰম উৎসাহেৰে বজাৰ কৰিলে। কাৰণ শ্যামলীমা সুখী হ'লে অনুভৱে গৌৰৱ অনুভৱ কৰে। নিজকে সফল স্বামী যেন অনুভৱ কৰে। শ্যামলীমাৰ সুখেই যেন অনুভৱৰ সুখ, শ্যামলীমাৰ হাঁহিয়েই যেন অনুভৱৰ হাঁহি।

সেইদিনা ৰাতিপুৱাৰে পৰা শ্যামলীমাৰ গাত তৰণি নাই। ৰাতিপুৱা শুই উঠি ঘৰুৱা কাম বন কৰি পাকঘৰত সোমাই ভিন্ন স্বাদৰ ব্যঞ্জন ৰান্ধি কলেজলৈ বুলি ওলাই গ'ল। শ্যামলীমাৰ দেৰি হ'ব বুলি অনুভৱ আগতীয়াকৈ কলেজ পালেগৈ। কাৰ্যসূচীসমূহ সুচাৰুৰূপেই আগবাঢ়িল। স্মৃতিগ্ৰন্থ উন্মোচন কৰা সময়ৰ আধাঘণ্টামান আগতে সাহিত্যিকজন কলেজ পালেহি। কলেজৰ সাধাৰণ সম্পাদক আৰু এজন শিক্ষকে তেখেতক আগবঢ়াই আনিলেগৈ। কলেজত ভৰি দিয়াৰ পিছতে শ্যামলীমা উধাতু খাই সাহিত্যিকজনৰ ওচৰ পালেগৈ। পৰম উৎসাহেৰে শ্যামলীমাই 'চাৰ' বুলি মাতিলেগৈ। সাহিত্যিকজনে বিশেষ আগ্ৰহ নেদেখুৱাই ভাগৰত ক্লান্ত হোৱা মানুহৰ দৰে মিচিকিয়া হাঁহি এটা মাৰি সভাগৃহৰ আছুতীয়া চকী এখনত বহিলগৈ। তেখেতলৈ পানী এগিলাচ শ্যামলীমাই আগবঢ়াই আনদিনা ফোনত কথা পতাৰ দৰে ভাল বেয়া সুধিলে। কিন্তু তেখেতে যেন শ্যামলীমাৰ প্ৰশ্নত অস্বস্তিবোধ অনুভৱ কৰিছে তেনে লাগিল। ব্যক্তিজনৰ অমনোযোগিতাক শ্যামলীমাই ভালদৰে উপলব্ধি কৰিব পাৰিলে। হঠাতে তাইৰ মুখখন ক'লা পৰিছিল। অনুপমাই কোৱা কথা কিছুমানলৈ হঠাতে মনত পৰিল। অনুপমাই কোৱাৰ দৰে সাহিত্যিকজনে তাইক সশৰীৰে দেখি অনীহা প্ৰকাশ কৰা নাইতো! অনুপমাই কৈছিল সেইজন সাহিত্যিকেই এগৰাকী উদীয়মান লেখিকাৰ লগত যোগাযোগ ৰাখি গল্প, কবিতা, প্ৰবন্ধ তেখেতে আগতে কাম কৰা কাকত খনত প্ৰকাশ কৰি লিখিবলৈ উৎসাহ, প্ৰেৰণা দিছিল। কিন্তু লেখিকা গৰাকীয়ে এবাৰ তেখেতক সাক্ষাৎ কৰিবলৈ গৈয়েই বিপদ হ'ল। লেখিকা গৰাকীক তেখেতে আশ্চৰ্যজনক ভাৱে কৈ উঠিল - "মোৰ কল্পনাৰ তুমি গৰাকীৰ লগত তোমাৰ আকাশ পাতাল পাৰ্থক্য। তোমাক মই যিমান ধুনীয়া সৌন্দৰ্য পূৰ্ণা নাৰী বুলি ভবিছিলো, সম্পূৰ্ণ বিপৰীত . . ." লেখিকা গৰাকী দেখিবলৈ বৰ ধুনীয়া নাছিল যদিও মানুহজনৰ কথাত চেণ্টিমেণ্টত লাগিছিল। তথাপিও তাইৰ প্ৰিয় ব্যক্তি হিচাপে আগৰ দৰেই লিখনি পঠিয়াই আছিল, কিন্তু আচৰিত মানুহজনক লগ পোৱাৰ পিছত তাই লিখা প্ৰকাশ হোৱাৰ কোনোদিন উপযুক্ত নহ'ল। আৰু মানুহজনৰ বাবে তাই অচিনাকি হৈ পৰিল। পিছত লেখিকা গৰাকীৰ বন্ধু এজনৰ আগত কথা প্ৰসংগত কৈছিল "ছোৱালীজনী দেখিবলৈ বৰ আপচু।" অনুপমাই কোৱা কাহিনীটো মনত পৰাত শ্যামলীমাই নিজেই নিজকে সুধিলে 'মানুহজনৰ দৃষ্টিত মই মই বাৰু আপচু হৈছো নেকি।" ইতিমধ্যে স্মৃতি গ্ৰন্থ উন্মোচনৰ সময় হৈছিল। শ্যামলীমা আৰু অনুপমাই ধুনীয়াকৈ স্মৃতিগ্ৰন্থখন বান্ধি ব্যক্তিজনৰ হাতত দিলেহি। ব্যক্তিজনে উন্মোচন কৰি নিজৰ বক্তব্য ৰাখি চমুকৈ বক্তৃতা সামৰাৰ পিছতে সিদিনাৰ কাৰ্যসূচী শেষ হৈছিল। কলেজৰ ল'ৰা-ছোৱালীবোৰে সাহিত্যিক জনৰ অট'গ্ৰাফ ল'বলৈ হেতা-ওপৰা লগাত শ্যামলীমা ওচৰ চাপিবলৈ সময়েই

নাপালে। তাৰ মাজতে দূৰৈৰ পৰা দেখিলে সাহিত্যিকজনে অনুপমাৰ লগত বৰ আগ্ৰহেৰে কথা পাতিছে। শ্যামলীমাই ল'ৰা-ছোৱালীৰ ভিৰ ফালি খৰখোজেৰে সাহিত্যিকজনৰ ওচৰ পালেগৈ। কথা পাতি থকা মাজতে শ্যামলীমাই 'চাৰ' বুলি সংকোচ মনেৰে মাতিলে। শ্যামলীমাৰ মাত শুনিও তেখেতে অনুপমাৰ কবিতা এটাৰ বিষয়ে কৈ থকাত অনুপমাই শ্যামলীমাক দেখুৱাই ক'লে - "আপোনাৰ বাবে ৰৈ আছে। শ্যামলীমাই আপোনাৰ বাবে ভাতৰ দিহা কৰিছে। আপুনি সোনকালে বলক . . . " অনুপমাৰ কথা শুনি সাহিত্যিকজন যেন আঁচৰিত হ'ল তেনে ভাৱত ক'লে - "বৰ ডাঙৰ কথা হ'ল নহয় শ্যামলীমা। মই আকৌ ইয়াতে মোৰ পুৰণি বন্ধু এজনক কথা দিলো, তেওঁৰ ঘৰতে ভাত সাজ খাম বুলি। তুমিতো জানাই মই বিশেষ আহাৰ গ্ৰহণ নকৰোঁৱেই আৰু কালিলৈ ৰাতিপুৱাই যাবগৈ লাগিব। গতিকে বেয়া নাপাবা দেই . . . অ' তোমাৰ যদি কিবা কথা পাতিবলগীয়া আছে বন্ধুৰ ঘৰলৈকে আহিবা।" পকেটৰ পৰা বন্ধুজনৰ ঠিকনা লিখা কাৰ্ড এটা উলিয়াই শ্যামলীমাৰ হাতত দি খৰখেদাকৈ নাতিদূৰৈত থকা বন্ধুজনৰ গাড়ীত উঠিলগৈ।

শ্যামলীমা শিলপৰা কপৌৰ দৰে ঠাইতে থৰ হৈ থাকিল। খং আৰু লাজতে গোটেই মানুহজনী ৰঙা-চিঙা পৰি ঘামত তিতি একাকাৰ হ'ল। সহপাঠী অনুপমাই ব্যক্তিজনৰ বিষয়ে কৈ থকা মুখখন যেন তাইৰ সন্মুখতে আজি খোল খাই গ'ল তেনে লাগিল . . . ।□

## প্ৰকৃতিৰ নিৰ্মম আঘাতত ধ্বংস ইৰাণৰ ঐতিহাসিক 'বাম' চহৰ



দক্ষিণ পূব ইৰাণৰ ঐতিহাসিক চহৰ 'বাম' য'ত বছৰি অসংখ্য পৰ্যটকৰ সমাগম ঘটে। প্ৰকৃতিৰ নিৰ্মমতাৰ উদাহৰণ দাঙি ধৰি যোৱা ২৬ ডিচেম্বৰৰ পুৱা এই চহৰতে সংঘটিত হয় এক প্ৰলয়ংকাৰী ভূমিকম্প। স্থানীয় সময় অনুসৰি পুৱা ৫-২৮ বজাত সংঘটিত এই ভূমিকম্পৰ মাত্ৰা আছিল ৬.৩ ৰিখটাৰ স্কেল। এই ভূমিকম্পৰ ফলত চহৰ খনৰ অতি কমপক্ষেও ২৫০০০ লোকৰ মৃত্যু হোৱা বুলি আশংকা কৰা হৈছে আৰু সামগ্ৰিক ভাৱে হতাহতৰ সংখ্যা ৭০ হেজাৰতকৈয়ো বেছি হ'ব বুলি স্থানীয় সংবাদ সংস্থা সমূহে জগাইছে। স্বাস্থ্যমন্ত্ৰী পেজেছ কিয়ানে কয়, 'বাম চহৰৰ এক লাখ বাসিন্দাৰ ভিতৰত কম পক্ষেও ৬৫ ৰ পৰা ৭০ শতাংশ লোক নিহত বা আহত হৈছে। হতাহত সকলৰ বহুতো জীৱিত অথবা মৃত অৱস্থাত ধ্বংসস্তুপৰ তলত পৰি থাকিবলগীয়া হৈছে। ইৰাণৰ কাৰ্মেণ প্ৰদেশৰ সংসদ সদস্য হাচান খাছৰুৱে বাতৰি সংস্থাক জনোৱা মতে ভূমিকম্পত হোৱা ক্ষয় ক্ষতি অকল্পনীয়। ভূমিকম্পটোৰ ফলত চহৰখনৰ ৬০ শতাংশ ঘৰ-দুৱাৰ নষ্ট হৈছে। পৰ্যটকক আকৰ্ষিত কৰা চহৰখনৰ দুহেজাৰ বছৰ পুৰণি দুৰ্গসমূহ সম্পূৰ্ণ বিধ্বস্ত হৈছে।

ভূমিকম্পটোৰ ফলত ধ্বংসস্তুপত পৰিণত হোৱা চহৰখনত আপোন জনক হেৰুৱাৰ হিয়াভঙা কান্দোন আৰু আহত সকলৰ আৰ্তনাদে এক বুজাব নোৱাৰা মৰ্মান্তিকতা সৃষ্টি কৰা বুলি জানিব পৰা হৈছে। ইতিমধ্যে উদ্ধাৰ আৰু সাহাৰ্য্য কাৰ্য্যত সহায় আগবঢ়াবলৈ তুৰস্ক, ফ্ৰান্স, জাৰ্মানী, চুইজাৰলেণ্ড, ইটালী আৰু ৰাছিয়াই উদ্ধাৰকাৰী দল, দৰৱ আৰু চিকিৎসা সামগ্ৰী আৰু অন্যান্য সাহাৰ্য্য চহৰখনলৈ প্ৰেৰণা কৰিছে। ধ্বংস স্তুপৰ মাজত আবদ্ধ হৈ থকা জীৱিত অথবা মৃতসকলৰ সন্ধানৰ বাবে স্নিফাৰ কুকুৰো ব্যৱহাৰ কৰা হৈছে। ইৰাণী সাহাৰ্য সংস্থাৰ বিষয়া মহম্মদ জাহাশ্বাহে কয় - 'আমাৰ বাবে এতিয়া মৃতদেহ স্থানান্তৰৰ বাবে বেগ সংগ্ৰহ কৰাটো জৰুৰী হৈ পৰিছে। অসংখ্য মৃতদেহ এতিয়াও ধ্বংসস্তুপৰ তলত। সেইবোৰ স্থানান্তৰ কৰিবলৈ বেগৰ প্ৰয়োজন।

ভূমিকম্প বিধ্বস্ত চহৰখনলৈ চীন, জাপান, অষ্ট্ৰেলীয়া দক্ষিণ কোৰিয়া, গ্ৰীচ, অষ্ট্ৰিয়া আৰু জৰ্ডানে বিপুল সাহাৰ্য্য সামগ্ৰী ইৰাণলৈ প্ৰেৰণ কৰিব বুলি ঘোষণা কৰিছে। ভাৰতেও তম্বু-কম্বল, দৰৱ আৰু অন্যান্য সাহাৰ্য্য সামগ্ৰী চহৰ খনলৈ প্ৰেৰণ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে।

*- প্ৰতিবেদক*







# বিজ্ঞানৰ নতুন নতুন আবিষ্কাৰৰ পম খেদি

ডং বুদ্ধীন্দ্ৰ নাথ শইকীয়া

প্ৰকৃতিক প্ৰণালীবদ্ধভাৱে অধ্যয়ণ কৰিবলৈ যাওঁতেই বিজ্ঞানৰ বিভিন্ন মৌলিক সূত্ৰ, ব্যাখ্যা, যন্ত্ৰ-পাতি, প্ৰযুক্তি কৌশল ইত্যাদিৰ নতুন নতুন আবিস্কাৰ সম্ভৱ হ'ল। এই বৈজ্ঞানিক আবিস্কাৰ বিলাকেই মানৱ সভ্যতাক উন্নতিৰ শিখৰত আৰোহন কৰাত সহায় কৰিলে। মানুহৰ সাধাৰণ মগজুৱে কল্পনা কৰিব নোৱাৰা বহুতো ৰূপকথাৰ কাহিনীকো বিজ্ঞানে বাস্তৱত পৰিণত কৰিলে বুলি ক'ব পাৰি। প্ৰাচীন মহাকাব্যবিলাকত বৰ্ণিত বহুতো ৰোমাঞ্চকৰ কাহিনীক কল্পনাৰে অনুভৱ কৰি আমি হয়তু পুলকিত হওঁ; কিন্তু সাম্প্ৰতীক বিজ্ঞানৰ প্ৰযুক্তি কৌশলে ইয়াকো চেবাই যোৱা বুলি ক'ব পাৰি। বিজ্ঞানৰ আহিলা এতিয়া মানুহৰ এক সহজ লভ্য উপাদান। বিজ্ঞান এতিয়া সংস্কৃতিৰ ঘাই সুঁতিৰ এক অপৰিহায্য উপকৰণ। আধুনিক সভ্যতাৰ প্ৰতিটো পদক্ষেপতে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বৈজ্ঞানীক আবিষ্কাৰৰ এটা হ'ল 'কম্পিউটাৰ' আৰু ইয়াক সমগ্ৰ পৃথিৱীতে অতি জনপ্ৰিয় আৰু ফলপ্ৰসু কৰাৰ গুৰিতে আছে 'ইণ্টাৰনেট' নামৰ এক ব্যৱস্থা।

'কম্পিউটাৰ' আৰু 'ইণ্টাৰনেট' দুটা অতি পৰিচিত শব্দ। উন্নত দেশবিলাকত শিক্ষিতৰ সংজ্ঞা কেৱল মাত্ৰ শব্দ। উন্নত দেশবিলাকত শিক্ষিতৰ সংজ্ঞা কেৱল মাত্ৰ আমাৰ লিখিব জনা আৰু পঢ়িব জনাতে আৱদ্ধ থকা নাই; কম্পিউটাৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। বিশেষকৈ গোলকীকৰণৰ ফলত শিক্ষা, সংস্থানৰ পৰিসৰ বৃদ্ধি হোৱাৰ ফলত কম্পিউটাৰ শিক্ষাই জনপ্ৰিয়তা আৰু চাহিদা লাভ কৰিছে। বৃহৎ উদ্যোগবিলাক স্বয়ংক্ৰিয় কৰি তোলা হৈছে আৰু ইয়াৰ গুৰিতে আছে কম্পিউটাৰৰ নিৰ্ভুল নিয়ন্ত্ৰণ। পৃথিৱীৰ বিভিন্ন দেশৰ মাজত জ্ঞান বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছে 'ইণ্টাৰনেট' (Internet) নামৰ এক বিশেষ পদ্ধতিৰ দ্বাৰা। চৰকাৰী অথবা বেচৰকাৰী উদ্যোগত গঢ়ি উঠা 'তথ্য প্ৰযুক্তি কেন্দ্ৰ' বিলাকে 'ইণ্টাৰনেটৰ' দ্বাৰা কোটি পৃষ্ঠাৰ কাগজত সন্নিৱিষ্ট হৈ থকা জ্ঞানৰ ভঁৰাল এটি পলকতে লাভ কৰাত সহায় কৰিছে। এনেহেন মহান আবিষ্কাৰৰ বিষয়ে জানিবলৈ সকলোৰে আগ্ৰহ থকাটো স্বাভাৱিক।

'কম্পিউটাৰ'ৰ আবিষ্কাৰৰ আঁৰত এক দীঘলীয়া ইতিহাস লুকাই আছে। প্ৰাচীন কালত মানুহৰ সম্পত্তি বুলি কোনো কথাই নাছিল। খাদ্যৰ অন্বেষণত এঠাইৰ পৰা অন্য ঠাইলৈ জাক-পাতি ঘুৰি ফুৰিছিল। জীৱ-জন্তুৰ মাংস আৰু গছৰ ফল-মূলেই মানুহৰ খাদ্য আছিল। লাহে মানুহে কৃষি কৰ্ম শিকিলে। কৃষি ভূমিৰ কাষতে স্থায়ীভাৱে থাকিব লগীয়া হোৱাত যাযাবৰী জীৱনৰ পৰিৱৰ্তন হ'ল। মানুহে গৰু, ছাগলী, ভেঁড়া, কুকুৰ আদি জন্তু পুঁহিবলৈ ল'লে। এই জন্তুবিলাকৰ সংখ্যা জনাটো মানুহৰ প্ৰয়োজনীয় কথা হ'ল। প্ৰাচীন কালত মানুহে জীৱ-জন্তু বিলাকৰ সংখ্যাক একো একোটা শিলগুটিৰে হিচাপ কৰিছিল। ইয়াৰ পাচতে মানুহে হাতৰ আঙুলি বিলাককক সংখ্যা গণনাত ব্যৱহাৰ কৰিবলৈ ল'লে। ইয়াৰ ফলতেই ০ ৰ পৰা ৯লৈকে ১০ টা অংক (digit) আবিষ্কাৰ হ'ল। কিন্তু কথা হ'ল আঙুলিত কৰা গণনা অতি লেহেমীয়া; গতিকে সংখ্যাৰ যোগ, পূৰণ আৰু হৰণৰ বাবে নতুন নতুন পদ্ধতিৰ উদ্ভাৱনৰ প্ৰয়োজন হ'ল।

তিনি হাজাৰ বছৰৰ আগতে মানুহে গণনাৰ বাবে 'এবাকাছ' (abacus) নামৰ এটা সঁজুলি উদ্ভাৱন কৰি উলিয়াইছিল। অৱশ্যে চীন, জাপান আৰু ৰাচিয়া আদি দেশত বৰ্তমানেও ইয়াৰ প্ৰচলন আছে। ইয়াৰ সহায়ত একোটা সংখ্যাক কাঠৰ ফ্ৰেমত উলম্বভাৱে লগোৱা সুতাত আৱদ্ধ মণিৰ সহায়ত প্ৰকাশ কৰিব পৰা গৈছিল। ইয়াৰ দ্বাৰা জটিল সমস্যাৰ সমাধান সম্ভৱ ন'হলেও বহুদিন ধৰি ইয়াৰ প্ৰচলন হৈ থাকিল। জন নেপিয়াৰ নামৰ এজন লোকে ১৯১৭ চনত জন্তুৰ হাড়ৰৰ পৰা নিৰ্মিত কিছুমান দণ্ডৰ দ্বাৰা গণনাৰ এটা নতুন সজুঁলি নিৰ্মান কৰি উলিয়াইছিল। ইয়াৰ সহায়ত সংখ্যাৰ পূৰণ কৰাটো সম্ভৱ হৈছিল। ১৬৪২ চনত ব্লেইজ পাস্কেল আৰু ১৬৭১ চনত লেইবনিটজ নামৰ বিজ্ঞানী দুজনে দুটা গণনাকাৰী যন্ত্ৰ সাঁজি উলিয়াইছিল। 'পাস্কেলৰ' সংশোধিত সংস্কৰণৰ জড়িয়তে পূৰণ আৰু হৰণ দুয়োটাই কৰিব পৰা গৈছিল। আধুনিক 'কম্পিউটাৰ'ৰ জনক চাৰ্লচ বেবেজ নামৰ বিজ্ঞানী জনাই 'এনালাইটিকেল ইঞ্জিন' নামৰ এনে এটা যন্ত্ৰ সাজি উলিয়াইছিল যাৰ সহায়ত প্ৰতি মিনিটত ৬০ টাকৈ যোগৰ গণনা কৰিব পৰা গৈছিল। বেবেজ ৪০ বছৰ ধৰি এটা বিশেষ ধৰণৰ যন্ত্ৰ সজাৰ বাবে প্ৰচেষ্টা চলাইছিল যদিও সম্ভৱ নহ'লগৈ; কিয়নো সেই সময়ৰ প্ৰযুক্তি কৌশল উন্নত নাছিল। বেবেজৰ কল্পনাৰ যন্ত্ৰটোৰেই

আজিৰ 'কম্পিউটাৰ' যন্ত্ৰ। ১৮৩৩ চনতে বেবেজে ১৭০০০পাউণ্ড খৰচ কৰিছিল কম্পিউটাৰ নিৰ্ম্মাণৰ বাবত; অৱশ্যে এটা শতিকাৰ পাছতহে কম্পিউটাৰ নিৰ্ম্মান কৰাটো সম্ভৱ হৈছিলগৈ।

'কম্পিউটাৰ'ৰ বিকাশ সাধন হয় দ্বিতীয় বিশ্ব যুদ্ধৰ পাচৰ পৰাহে। ইয়াৰ ইলেকট্ৰনিক উপাংশ, গতিকে আদিৰ ওপৰত ভিত্তি কৰি এতিয়ালৈকে প্ৰচলন হোৱা কম্পিউটাৰবোৰক পাঁচটা ভাগত বিভক্ত কৰা হৈচে। 'প্ৰথম জেনেৰেশ্বন' কম্পিউটাৰ প্ৰচলন হয় ১৯৫০ চনত। ইয়াত ভেকুৱাম ভাল্‌ভ (Vacuum Valve) নামৰ সজুঁলি ব্যৱহাৰ কৰা হৈছিল আৰু গতিবেগ আছিল ১০০০ নেন'চেকেণ্ড। দ্বিতীয় জেনেৰেশ্বন আৰম্ভ হয় ১৯৬০ চনত। সেইদৰে তৃতীয়, চতুৰ্থ আৰু পঞ্চম জেনেৰেশ্বনৰ কম্পিউটাৰ প্ৰচলন হয় যথাক্ৰমে ১৯৬৫, ১৯৭৫ আৰু ১৯৮০ চনত। বৰ্তমানে ব্যৱহাৰ হোৱা পঞ্চম জেনেৰেশ্বন কম্পিউটাৰৰ বিশেষত্ব এয়ে যে ইয়াৰ গতিবেগ ০.৩ নেন'চেকেণ্ড অৰ্থাৎ ১ ম জেনেৰেশ্বনৰ তুলনাত অত্যন্ত বেছি। চতুৰ্থ জেনেৰেশ্বনলৈকে কম্পিউটাৰ চিন্তাশক্তি আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা নাছিল। কিন্তু পঞ্চম জেনেৰেশ্বনত কৃত্ৰিমবুদ্ধিমত্তাত কম্পিউটাৰত সংযোজিত হৈছে। ইয়াৰ ওপৰিও কম্পিউটাৰৰ শ্ৰেণীবিভাগ কৰা হয় ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি। সাধাৰণ ব্যৱহায্য কম্পিউটাৰ যেনেকৈ আই .বি.এম-৩৭০(IBM-370) কম্পিউটাৰে সীমাহীন ক্ষেত্ৰত সহায় কৰি আহিছে। অভিযান্ত্ৰিক, বৈজ্ঞানিক আৰু বাণিজ্যিক ক্ষেত্ৰসমূহত এই শ্ৰেণীৰ কম্পিউটাৰ বহুল ভাৱে ব্যৱহাৰ কৰা হয়। বিশেষকৈ বৈজ্ঞানিক গৱেষণাত জড়িত অনুষ্ঠান, বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠানত ইত্যাদিত আই .বি.এম. কম্পিউটাৰৰ এক অপৰিহাৰ্য উপাদান। বিশেষ উদ্দেশ্যতহে কিছুমান কম্পিউটাৰ ব্যৱহাৰ কৰা হয়। যেনেকৈ ৰেলগাড়ী, আকাশী জাহাজৰ ইত্যাদিৰ টিকটৰ সংৰক্ষণৰ বাবে অথবা কোনো কোম্পানীৰ কৰ্মীসকলৰ দৰ্মহাৰ বিল তৈয়াৰীৰ ক্ষেত্ৰত। সেইদৰে কিছুমান কম্পিউটাৰ স্বয়ংক্ৰিয় যন্ত্ৰৰ দ্বাৰা নিৰ্ভুলকৈ কাৰ্য্য সম্পাদনৰ বাবেহে ব্যৱহাৰ কৰা হয়। এনেবোৰ কম্পিউটাৰৰ স্মৃতি (Memory) আৰু কাৰ্য সম্পাদনৰ বেগ অতি সীমিত। অন্য এক শ্ৰেণীৰ কম্পিউটাৰক HIR (High Intelligence machine Computer) বুলি জনা যায়। HIR কম্পিউটাৰ বিলাক ৰবট, ৰকেট উদ্দয়ন ইত্যাদি ব্যৱস্থাত ব্যৱহাৰ কৰা হয়। KIPS (Knowledge Information Processing Systems) নামৰ জাপানত এক বিশেষ শ্ৰেণীৰ কম্পিউটাৰ উদ্ভাৱন কৰা হৈছে আৰু এইবিলাকৰ বিশেষত্ব হ'ল যে ইহঁতে যুক্তিৰে চিন্তা-চৰ্চ্চা কৰি সিদ্ধান্ত ল'ব পাৰে সকলো কম্পিউটাৰৰে বিশেষত্ব হৈছে ইহঁত কেৱল মাত্ৰ গণনাকাৰী যন্ত্ৰ নহয়, ইহঁতে মানুহৰ ওপৰত পৰা স্মৃতি শক্তিৰ বোজা আৰু যান্ত্ৰিক প্ৰক্ৰিয়াৰ বোজা হ্ৰাস কৰে। উদ্যোগীক নিকায় সমূহত মানুহৰ কায়িক্ শ্ৰম হ্ৰাস কৰি বিৰামহীনভাৱে নিৰ্ভূলকৈ কাৰ্য পৰিচালনা কৰিবলৈ কম্পিউটাৰ ব্যৱহাৰ কৰা হৈছে। বতঁৰ-বিজ্ঞানৰ আগলি বতৰা কঢ়িয়াই আনিছে কম্পিউটাৰ বিলাকেই। জীৱদেহৰ জটিল ৰোগ-ব্যাধিকো চিনাক্ত কৰাটো সম্ভৱ হৈছে কম্পিউটাৰযুক্ত বিভিন্ন যন্ত্ৰ-পাতিৰ জৰিয়তেহে। শেহতীয়াকৈ ইণ্টাৰনেট আৰু ই-মেইলৰ দ্বাৰা কম্পিউটাৰৰ গুৰুত্ব অধিক বৃদ্ধি পালে আৰু সমগ্ৰ পৃথিৱীখন চকুৰ আগত ভাঁহি থকা এটা অত্যাধুনিক ব্যৱহাৰ জন্ম হ'ল।

সমগ্ৰ পৃথিৱীতে তথ্যৰ বিশাল ভাণ্ডাৰ উন্মুক্ত কৰি জ্ঞানৰ বিশাল ক্ষেত্ৰখনলৈ বৈপ্লৱিক পৰিবৰ্তন অনা ব্যৱস্থাটোৱেই হৈছে ইণ্টাৰনেট বা বিভিন্ন কম্পিউটাৰ সহযোগত গঢ়ি উঠা কম্পিউটাৰ নেটৱৰ্ক। এই ব্যৱস্থা প্ৰকৃততে নেটৱৰ্ক অৱ নেটৱৰ্কছ বা ইণ্টাৰ নেটৱৰ্ক। ১৯৬০ চনত জন্ম লভা এই ব্যৱস্থাটো প্ৰথম দুটা দশক সিমান জনপ্ৰিয় হোৱা নাছিল। কিন্তু সাম্প্ৰতিক কালত ইণ্টাৰনেট পৃথিৱীৰ কেইবা নিযুত লোকৰ অপৰিহাৰ্য্য সামগ্ৰীত পৰিণত হৈছে। বৃটিছ কল্পবাহিনীকাৰ এইচ জি ৱেলচে ১৯৩০ চনতে গোলকীয় তথ্য সৰবৰাহৰ এনে এটা ধাৰণা প্ৰকাশ কৰিছিল আৰু ইয়াৰ নাম দিছিল পৃথিৱীৰ মগজু (World brain)। সেইদৰে ১৯৪০ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুচভেল্টৰ বৈজ্ঞানিক উপদেষ্টা জেনেভাৰ বুশ্ব নামৰ এজন বিজ্ঞানীয়েও 'মেমেক্স' (Memex) নামৰ এটা সঁজুলি নিৰ্মানৰ এটা প্ৰস্তাৱ আগবঢ়াই ছিল। ১৯৬০ চনত আমেৰিকাৰ সামৰিক বাহিনীৰ বিজ্ঞানীসকলেহে ইণ্টাৰনেটৰ উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছিল। ১৯৬৯ চনত লছ-এঞ্জেলেচৰকেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ বিজ্ঞানী সকলে পোন প্ৰথমবাৰৰ বাবে টেলিফোন লাইনৰ জড়িয়তে ৬৪০ কিলোমিটাৰ দূৰত্বলৈকে কম্পিউটাৰ নেটৱৰ্ক গঢ়ি-ইণ্টাৰনেটৰ প্ৰসাৰৰ বাট মুকলি কৰিলে। জাতীয় বিজ্ঞান ফাউণ্ডেচন (National seience foundation) নামৰ অনুষ্ঠানটোৱে ইণ্টাৰনেটৰ 'ইনফৰমেচন চুপাৰহাইৱে' প্ৰতিষ্ঠা হয়। আৰু বৰ্ত্তমানে ৪০০ নিযুততকৈ অধিক কম্পিউটাৰ ইণ্টাৰনেটৰ লগত সংযোজিত হৈছে। ১৯৯০ চনত ইণ্টাৰনেটৰ 'ইনফৰমেচন







চুপাৰহাইৱে' প্ৰতিষ্ঠা হয়।

ইণ্টাৰনেটক একক বৃহৎ নেটৱৰ্ক বুলি ভাবিলে ভুল কৰা হ'ব, কিয়নো হাজাৰ কম্পিউটাৰ নেটৱৰ্ক লগ লাগিহে বৃহৎ নেটৱৰ্কটো গঠন কৰিছে। ইণ্টাৰনেটৰ লগত কম্পিউটাৰ এটা সংযোজিত তিনিটা পদ্ধতিৰে কৰিব পাৰি আলোক আঁহৰ কেবলৰ জৰিয়তে, কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে অথবা টেলিফোন লাইনৰ দ্বাৰা। ম'ডেম (Modem) নামৰ বিশেষ সঁজুলিটোৱে এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। ইণ্টাৰনেটৰ আটাইতকৈ জনপ্ৰিয় প্ৰয়োগ হ'ল ইলেকট্ৰনিক ডাক ব্যৱস্থা, যাক ই-মেইল (E-mail) বুলি কোৱা হয়। ই-মেইলৰ যোগেদি সময়ৰ অপব্যয় নকৰাকৈ ইজনে সিজনৰ খবৰ, প্ৰয়োজনীয় তথ্য মুহূৰ্ত্ততে লাভ কৰিবলৈ সক্ষম হৈছে। ই-মেইলৰ সুবিধা ল'বলৈ হ'লে প্ৰেৰক আৰু গ্ৰাহক দুয়োজনৰ কম্পিউটাৰ ইণ্টাৰনেট সংযোগ থাকিব লাগিব। ইণ্টাৰনেটৰ লগত ৱেবছাইট বুলি এটা শব্দ জড়িত হৈ থাকে। প্ৰকৃততে ই হ'ল - ৱৰ্ল্ড ৱাইড ৱেব (World Wide Web) অৰ্থাৎ তথ্য সঞ্চয় কৰি ৰখা উৎসবোৰৰ পৰিচয়বোধক এটা নাম। ৱেব ছাইটৰ আধাৰত ব্যৱহাৰকাৰীয়ে সঞ্চিত তথ্য আহৰণ কৰিব পাৰে। সাধাৰণতে মূল পৃষ্ঠা বা হোম পেজত থকা সূচীৰ সহায়ত প্ৰয়োজনীয় পৃষ্ঠাৰ পৰা তথ্য সংগ্ৰহ কৰিব পাৰি। ইয়াৰ বাবে 'হাইপাৰটেক্স' ব্যৱহাৰ কৰা হয়। ইণ্টাৰনেটৰ অৰ্থনীতিত গুৰুত্ব অসীম। এটা সমীক্ষা মতে ১৯৯৯ চনত আমেৰিকা যুক্তৰাষ্ট্ৰই ইণ্টাৰনেটৰ পৰাই ৩০১ বিলিয়ন ডলাৰ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ❑

যাতায়ত, স্বাস্থ্য, খোৱাপানী-সকলোতে ৰৈছে পিছপৰি

## দুদশাগ্ৰস্ত বিজয়পুৰ, মিচিং গাওঁবাসীৰ কথা ভাবিব কোনে?



জনজীৱন সেৱা ঃ- যোৰহাট জিলাৰ অন্তৰ্গত মৰিয়নি নগৰৰ পৰা প্ৰায় আঠ কিলোমিটাৰ দূৰত্বত অৱস্থিত নগাধুলী বিজয়পুৰ আৰু বিজয়পুৰ মিচিং গাওঁ। মুলাগাভৰু গাওঁ পঞ্চায়তৰ অৰ্ন্তগত এই গাওঁ দুখনৰ ৰাইজক ১৯৭৫ চনত চৰকাৰে মাজুলীৰ বিভিন্ন ঠাইত হোৱা গৰাখহনীয়া ঠাইৰ পৰা আনি নগাধুলি নামৰ এখন হাবিত পুনৰ সংস্থান দিছিল। বৰ্তমান হাবিখন নগাধুলি বিজয়পুৰ আৰু বিজয়পুৰ মিচিং গাওঁ নামেৰে খ্যাত এই গাওঁ দুখনৰ গৃহৰ সংখ্যা প্ৰায় চাৰিশ ঘৰ। সুদীৰ্ঘ ২৯ বছৰে এই গাওঁবাসীয়ে আজিলৈকে ম্যাদীপট্টা নোপোৱাৰ উপৰিও শিক্ষা, বাটপথ, স্বাস্থ্য সেৱা, খোৱাপানী, বিদ্যুৎ যোগান, কৃষি আদি নানা সমস্যাৰে ভাৰাক্ৰান্ত।

<u>**চৌধ্য বছৰে বিদ্যুৎ সংযোগ নহ'ল**</u> ঃ- ইয়াতে মাৰিলো টিপা গড়গাওঁ পালেগৈ শিপা নামেৰে খ্যাত থকা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নাগাজাংকাস্থ মৰিয়নি উপ-সংমণ্ডলে এই গাওঁ দুখনলৈ বিদ্যুৎ যোগানৰ নামত ১৯৯০ চনতে প্ৰয়োজনীয় (H.T.) খুটা আনি পুতিছিল যদিও আজি চৌধ্য বছৰে (অজ্ঞাত কাৰণে) বিদ্যুৎ যোগান দিব নোৱাৰিলে যদিও শেহতীয়াকৈ গাঁৱৰ যুৱকদ্বয় নৰেন বণিয়া আৰু নুমল শইকীয়াৰ নেৰানেপেৰা প্ৰচেষ্টাত পুনৰ নতুনকৈ অনুমোদন জনাই প্ৰয়োজনীয় বস্তু আনিছে যদিও গাওঁখনৰ একাংশহে বিদ্যুৎ যোগান ধৰিব। বাদ পৰি ৰ'ব বিজয়পুৰ মিচিং গাওঁ। মিচিং গাওঁবাসীয়ে বিভাগীয় কাৰ্যালয়ৰ লগত যোগাযোগ কৰিছে যদিও কোনো সহাঁৰি পোৱা নাই।

<u>**স্বাস্থ্য সেৱা**</u> ঃ গাওঁবাসীয়ে প্ৰতি বছৰে ভাইৰেল, মেলেৰিয়া গ্ৰহণীত শ শ লোক আক্ৰান্ত হয় যদিও আজিলৈকে এই গাওঁ দুখনৰ বাবে এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অনুমোদন নিদিয়াৰ বাবে সামান্য পানী লগা জ্বৰ হ'লেই মৰিয়নি নগৰলৈ যাব লগা হয়। আশ্চৰ্যকৰ কথা যে চাৰি কিলোমিটাৰ খোজ কাঢ়ি কোলাত কেঁচুৱা লৈ প্ৰতিষেধক টিকা, বেজি মৰিয়নি নগৰস্থ স্বাস্থ্য কেন্দ্ৰ দিব লগা হোৱাৰ বাবে মহিলা সকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে।

<u>**পশুস্বাস্থ্য কেন্দ্ৰ**</u> ঃ- গাওঁখনত প্ৰতিবছৰে মহামাৰী ৰোগত শ শ হাঁহ-কুকুৰাৰ মৃত্যুৰ উপৰিও গৰু-ছাগলী মৃত্যু হৈ একাংশ অকিঞ্চন কৃষকৰ মূৰত ৰাম টাঙোন সোধাই আহিছে যদিও গাঁৱৰ পৰা তিনি কিলোমিটাৰ নিলগত গজেন গাঁৱত থকা পশু উপস্বাস্থ্য কেন্দ্ৰৰ পৰা এই গাওঁ দুখনৰ তিলমানো উপকাৰ হোৱা নাই। বৰ্তমান এই উপস্বাস্থ্য কেন্দ্ৰটোত ঔষধৰ বাদেই সামান্য কপাহ অকণমনো নথকাৰ বাবে একাংশ ৰাইজে মৰিয়নিৰ পৰা প্ৰতিষেধক বেজি ঔষধ ক্ৰয় কৰি আনিব লগা হয়।

<u>**শিক্ষা**</u> ঃ- গাওঁখনত এখন মধ্য ইংৰাজী বিদ্যালয় দুখন প্ৰাথমিক বিদ্যালয় আছে যদিও বিজয়পুৰ মধ্য ইংৰাজী বিদ্যালয়, মিচিং গাওঁ প্ৰাথমিক বিদ্যালয় কেইখন আজি যোল্ল বছৰেও প্ৰাদেশীকৰণ

৩৯ পৃষ্ঠাত চাওক





OKDISCD

# "বৰ্ত্তমানৰ জলঙাৰে অতীতক জুমি জুমি"

যুগল ভুএল

ঘণ্টি আৰু গণ্টি। খোৱা ধোৱা আৰু শোৱা। কাৰাৰুদ্ধ এচোৱা সময়ৰ আমনি লগা প্ৰাত্যহিক ৰুটিন। ইপাৰ সিপাৰ নেদেখা ওখ দেৱালে আৱৰা সীমাবদ্ধ ঠাইখিনিতে জীৱনৰ বিচিত্ৰতা, নানা ৰং ভিন্ন ৰেহ ৰূপ। চোৰ, ডকাইত, হত্যাকাৰী, উগ্ৰপন্থী, ঠগ, প্ৰবঞ্চক যেন জীৱনৰ ভিন্ন অভিব্যক্তিৰ বিচিত্ৰ মেলা। সেই চোৱা সময়ৰ কোনো এদিন বেলিটোৱে ওখ দেৱালৰ সীমনা অতিক্ৰমৰ পৰত মনে মিলা বন্দী বন্ধু এজনৰ লগত ফুলনিৰ একোণত বহি সুখ-দুখৰ কথাপাতি আছিলো। নিৰস সময়খিনিক ৰসাল কৰি তুলিবৰ বাবেই হ'বলা কিছু ৰসিকতাৰে বন্দী বন্ধুজনক কৈছিলো - "এজন ছাত্ৰই মেট্ৰিক পৰীক্ষালৈকে সাধাৰণতে কেইখন স্কুল পঢ়িব লাগে বাৰু ... ?

বন্ধুজনে মই শুনাকৈয়ে হিচাপ কৰিলে এলপি এক,এম ই দুই, হাইস্কুল তিনি - , তিনিখন। মই তেওঁৰ সুৰতে সুৰ মিলাই কলো, ঠিক তিনি খন, ধৰিললো দেউতাকৰ চাকৰি ট্ৰেন্সফাৰ বা অন্য কাৰণত দুখন মুঠ পাঁচখন নহয়নে।

ঃ ওঁ! কিন্তু হঠাতে এই প্ৰসঙ্গ টানি আনিলে যে ...! বন্ধুজনে কলে।

ঃ মেট্ৰিকলৈকে মই কিমানখন স্কুল গছকিলো কলে বিশ্বাস কৰিবনে? মই হাঁহি মাৰি কলো, তেওঁ আগ্ৰহেৰে কলে ঃ কঁওকচোন বাৰু ? মনতে পুণৰ এবাৰ হিচাপ কৰি কলো -ন খন। মেট্ৰিক পৰীক্ষালৈকে মই সৰ্বমুঠ নখন স্কুল পঢ়িব লগা হৈছিল। দুয়োজনে ঢেকঢেকাই হাঁহিলো। তাৰ পাচত তেওঁ সুধিছিল স্কুলবোৰৰ কথা। মই কৈ গৈছিলো কেনেকৈ আৰু কি পৰিস্থিতিত ধেমাজীৰ লাইপুলিয়া এম ভি স্কুল, দিহিঙ্গীয়া এল পি, তিতাবৰ বেবেজিয়া এল পি স্কুল, এম,আৰ, এচ হাইস্কুল তিতাবৰ, শঙ্কৰ বিদ্যাপীঠ, বেঙেনা খোৱা এম ই, পুনৰ ধেমাজীৰ লাইপুলিয়া এম ভি, তাৰ পাছত মাছখোৱা হায়াৰ ছেকেণ্ডাৰী আৰু শেষত তিতাবৰ কমলাবাৰী সত্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পাচ কৰিলো। কথাবোৰ একেদিনাই শেষ হোৱা নাছিল। বেলি লহিওৱাৰ পৰত ফুলনিৰ একোণত বহি ইজনে সিজনক কওঁ পাৰহৈ যোৱা দিনবোৰৰ কথা। এদিন বন্দীজনে হঠাতে দাবী কৰিলে ঃ দাদা আপুনি আপোনাৰ জীৱনৰ এই কথাবোৰ লিখিব নোৱাৰেনে। মোৰ হাঁহি উঠি গ'ল। তেওঁ কিন্তু নিৰ্বিকাৰ দৃষ্টিৰে মোৰ ফালে চাই থাকিল। মই তেওঁৰ সেই চাৱনি সহ্য কৰিব নোৱাৰি দৃষ্টি আঁতৰাই আনিলো। অজানিতে এটা হুমুনিয়া ওলাই আহিল হৃদয়ৰ গভীৰ প্ৰদেশৰ পৰা। লিখিম কাৰ বাবে, কোনে পঢ়িব আমাৰ দৰে সৰু সৰু মানুহৰ এই কাহিনীবোৰ। কৈয়েই দুখ আৰু ক্ষোভত ডাঙৰকৈ হাঁহিলো। ওচৰতে থকা শুকান বন এডাল শৰীৰৰ সমস্ত শক্তি প্ৰয়োগেৰে দূৰলৈ দলিয়াই দিলো। কিন্তু সি যে শুকান, ওচৰতে পৰিল। শুকান বন ডালত দৃষ্টি দি মৌন হৈ ৰলো।

ঃ মই পঢ়িম। ঘৰত ভণ্টি আৰু মা আছে নহয়, মই ভণ্টিলৈ পঠাই দিম আৰু তাই মাক পঢ়ি শুনাব। আৰু মই হাইকৰ্ট কৰিছো নহয়। উকীলে মোৰ খালাচ হ'ব বুলিয়েই কৈছে। তেতিয়াতো বৰ মজা হ'ব। মই খালাচ পালে আপোনাৰ লেখাবোৰ চপা কৰি উলিয়াম। মৌনতা ভংগ কৰি অতি উৎসাহেৰে তেওঁ ক'লে। মই গভীৰ ভাবে তেওঁলৈ চাই ৰলো । কি মহানুভৱ। অথচ তেওঁতো এজন হত্যাকাৰী। নিজকে নিজে প্ৰশ্ন কৰিলো - সচাঁকৈয়ে তেওঁ হত্যাকাৰী হয়নে? ফুলনিৰ একোনত বহি সাধাৰণভাবে কৰা আলোচনাই গভীৰ ৰূপ ললে। ঘণ্টি-গণ্টি খোৱা শোৱাৰ লগত যোগ হ'ল আৰু এটা শিতান লিখা, ক্ৰমে ক্ৰমে সেৰেঙা হ'ল এটা পুৰণি শিতান সেয়া ধোৱাৰ। সপ্তাহত এদিন সুৰুঙা বুজি গাটো পখালো। স্মৃতিয়ে ঢুকি পোৱা কথাবোৰ লিখি লিখি পাঁচ দিস্তা মান কাগজ ভৰ্ত্তি কৰিলো। নিজৰ ওপৰত নিজৰেই যেন অস্ত্ৰোপ্ৰচাৰ ।একো বাদ নিদিলো। প্ৰেম-ভালপোৱা, মজদুৰী গোলামীৰ পৰা সশস্ত্ৰ সংগ্ৰামত অংশগ্ৰহণলৈকে সকলোবোৰ আঁৰ-বেৰ নোহোৱাকৈ লিখিলো। কিন্তু যাৰ উৎসাহত কামটো কৰিলো তেওঁক কাষত নাপায় মনটো বৰ বেয়া লাগিল। নিদিষ্ট ৰূমত সন্ধিয়া সোমোৱাই টলা মৰাৰ পিছত তেওঁৰ খালাচ অৰ্ডাৰ অহাত মোক যাওঁ বুলিও ক'বলৈ সুবিধা নোপোৱাকৈয়ে তেওঁ চাৰিবেৰৰ আবদ্ধ জীৱনৰ পৰা মুক্ত হৈ গ'লগৈ। ঘৰৰ ঠিকনাও নাৰাখিলো; ঘৰ মাজুলীত। নামটোবা কি আছিল। নাথ ভাইটি বুলি মাতিছিলো। বৰ অকলশৰীয়া অনুভৱ কৰিছিলো ।হঠাৎ আকৌ এজন সুহৃদক পালো। দুৰ্ভাগ্যবশত (মোৰ বাবে যিটো সৌভাগ্য) তেওঁ দুদিন মানৰ বাবে ৰঙাঘৰৰ অতিথি হৈ আহিব লগা হৈছিল।

বচাক। মাধপুৰৰ স্থানীয় বাতৰি যোগনিয়াৰ প্ৰবোধ বচাক। বয়সত মোতকৈ সৰু হলেও নিৰ্ভীক আৰু সাহসী। আৰু সাহসেৰে সত্য ঘটনাৰ বাতৰি পৰিবেশন কৰাৰ বাবেই ওখ দেৱালেৰে আবদ্ধ এই বিচিত্ৰ জগতলৈ অতিথি হিচাপে তেওঁৰ আগমন। এসময়ৰ বহুতো কাম-কাজ একে লগে কৰিছিলো। তেওঁক পাই সৰগ ঢুকি পোৱা যেন লাগিল। হেপাহ পলোৱাই কথা পাতিলো। নিজৰ কথা সমাজৰ কথা আৰু বহুতো কিবা কিবি ...।

তাৰ মাজতে মোৰ গাৰুৰ তলত থকা বহীৰ জাপটো বচাকে মোৰ অজ্ঞাতে এখন এখনকৈ পঢ়িবলৈ ধৰিলে। প্ৰথমতে ওপৰে ওপৰে। পিছত দেখিলো বৰ গভীৰভাৱে পঢ়িছে। অন্ততঃ পঢ়িম বুলি কোৱা জনে পঢ়িবলৈ নেপালেও দ্বিতীয় এজনে যে মই যাচি নিদিয়াকৈ নিজে পঢ়িছে। অন্ততঃ পঢ়িম বুলি কোৱা জনে পঢ়িবলৈ নেপালেও দ্বিতীয় এজনে যে মই যাচি নিদিয়াকৈ নিজে পঢ়িছে তাকে ভাবি বৰ ভাল লাগিল। লাজো নলগা নহয় কিন্তু। সাংবাদিক মানুহ। কলমৰ লগত ওচৰ সম্পৰ্ক। লেখাৰ ধৰণ কৰণবোৰ হৈছে বা নাই। দুই এটা ঘটনা সম্পৰ্কত তেওঁ মোৰে লগত আলোচনাও কৰিবলৈ ধৰিলে। তাত লিখা সকলোবোৰ কথাই সঁচানে বুলিও তেওঁ মোক প্ৰশ্ন কৰিলে। দুদিন পাছত তেওঁ মুকলি আকাশৰ তললৈ গ'লগৈ। কেইদিন মানৰ পিছত গোটেই -কিখন বহী চিৰা-চিৰকৈ ফালি জ্বলাই পেলালো। আগেয়ে জনা নাছিলো যে জেলৰ ভিতৰত কিবা লিখা-মেলা কৰিলে ওলাই যাওঁতে লগত নিয়াৰ আগতে অফিচত চেক্ কৰাব লাগে। তাকো লগে লগে ঘুৰাইও নিদিয়ে। নিজৰ বিষয়ে নিজে লিখা কথাবোৰ ইজন সিজনকৈ আনে পঢ়িব-ঠিক কথাটো মোৰ ভাল নেলাগিল। সেয়ে থুপাই পেলোৱা মোৰ অতীতক মই তেনেদৰেই দাহ কৰি পেলালো। সেয়া প্ৰায় চাৰে তিনি বছৰৰ আগৰ কথা। কথাখিনি এইবাবেই লিখিব লগা হ'ল যে দেৱালেৰে আৱৰা ক্ষুদ্ৰ পৃথিৱী খনতেই এৰি অহা 'কথাবোৰ লিখকচোন' বেমাৰটোৱে আকৌ উক মুকনি দিছে। "জন জীৱন" নামৰ আলোচনীখনৰ পাতত বোলে মই মোক আবিষ্কাৰ কৰিব লাগে, মোৰ অতি চেন্নেহৰ ভাতৃ প্ৰতিম বন্ধু বিনয় শইকীয়াই প্ৰস্তাৱটো দিয়াৰ লগে লগেই নিজক জাহিৰ কৰাৰ এক সুযোগ পোনচাতেই গ্ৰহণ কৰিলো। কিন্তু দিন যোৱাৰ লগে লগেই দেখোন লিখাৰ হাবিয়াস কমি আহিবলৈ ধৰিলে। ইপিনে লিখিম বুলি বিনয় শইকীয়াক কথাও দিলো। প্ৰথমে যিখিনি লিখি পুৰি পেলালো সেইখিনিৰ একমাত্ৰ পঢ়ুৱৈ প্ৰবোধ বচাক আৰু মই 'প্ৰজ্ঞালয়' নামৰ অনুষ্ঠানত একে লগেই থাকো, তেওঁৰ সতৰ্ক বাণী 'নিলিখিলে নহ'ব'। কেইবাদিনো লিখিবলৈ চেষ্টা কৰিলো। নাই হাতৰ কলমে কথা নকয়। জুৰ পুৰি হাত পালেহি। এক জানুৱাৰীত **"জনজীৱনৰ"** শুভ উন্মোচন। ২২ ডিচেম্বৰৰ দিনা "বিনয় শইকীয়াই লেখা নিবৰ বাবে প্ৰতিনিধি পঠোৱাত মোৰ সম্বিত ঘূৰি আহিল। যাৰ ফলশ্ৰুতিত এয়া আৰম্ভ কৰিছো "জনজীৱনৰ" প্ৰতিটো সংখ্যাত প্ৰকাশৰ বাবে "বৰ্ত্তমানৰ জুলুঙাৰে অতীতক জুমি জুমি" ।

*ক্ৰমশঃ*

## আপোচবিহীন কবি মেগন

(৪ পৃষ্ঠাৰ পৰা)

আলফাৰ প্ৰচাৰ সচিব মিথিংগা দৈমাৰী হিচাপে। বিদ্ৰোহী মিথিংগা দৈমাৰীৰ আন এটা পৰিচয় হ'ল মেগন কছাৰী। 'মেমচাহাব পৃথিৱী' হাত চাপৰিৰ দৰে কবিতা ৰচনা কৰি কম সময়ৰ ভিতৰতেই জনপ্ৰিয় হৈ পৰিল মেগন কছাৰী ...। 'মেমচাহাব পৃথিৱী'ত সংকলিত **"অপমানৰ বিৰুদ্ধে মোৰ প্ৰেমৰ দুহাত"** দৰে কবিতাই অসমৰ প্ৰতিজন সচেতন মানুহৰ হৃদয় স্পৰ্শ কৰিলে।

১৯৯৮ চনৰ ১১ আগষ্টৰ মাজনিশা দীপক কছাৰীৰ পৰিয়াললৈ নামি আহিল দুৰ্যোগৰ ধুমুহা। গুপ্তঘাতকে দীপকৰ মাতৃ ফুলেশ্বৰী শইকীয়া, জ্যেষ্ঠ ভাতৃ ডাঃ ধৰণীধৰ দাস, বৌয়েক ৰূপজ্যোতি শইকীয়া, ভনীয়েক লতিকা কছাৰীক নৃশংসভাৱে হত্যা কৰে। তাৰ নমাহৰ পিছতেই কৰ্কটৰোগাক্ৰান্ত দীপকৰ পিতৃ খগেন্দ্ৰ নাথ দাসৰ মৃত্যু হয়। দুৰ্যোগৰ ধুমুহাই কিছু পৰিমাণে নিষ্ক্ৰিয় কৰি দিয়ে মিথিংগাক।

জীৱনৰ বহুতো ঘাত প্ৰতিঘাতেও ভাঙি পেলাব পৰা নাই আপোচ-বিহীন কবিৰ মন। যোৱা ২৬ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ হোৱা মিথিংগাই কৈ উঠিল 'আলফাৰ স্বাধীন অসমৰ প্ৰাসংগিকতা আজিও হেৰাই যোৱা নাই। মুক্তি বাহিনীৰ সংগ্ৰাম আজিও অব্যাহত।"

*প্ৰতিবেদক*

# ঘৰেই হওক শিশুৰ প্ৰথম পঢ়াশালি

সান্ত্বনা শৰ্মা



## প্ৰাক্-প্ৰাথমিক স্তৰৰ শিশু শিক্ষা ঃ এটি সমস্যা

**শি**শু এটিক প্ৰাক্-প্ৰাথমিক পৰ্যায়ত কি ধৰণেৰে শিক্ষা দিয়া যাব সেই লৈ সকলো অভিভাৱক/অভিভাৱিকাক যথেষ্ট উদ্বিগ্ন হোৱা দেখা যায়। ৩ বা ৪ বছৰীয়া শিশু এটিক স্কুললৈ পঠোৱাৰ আগতে ঘৰতেই ইংৰাজী অসমীয়া সকলো বৰ্ণমালাৰ পাঠ দিয়া উচিত বুলি বহুতো অভিভাৱকে ভাবে আৰু সেইমতে ফলি, স্কেল, বৰ্ণমালা পুথি আদি ভাৰস্তিৰে গোটাই আনি মহা উৎসাহেৰে পঢ়োৱা দেখা যায়। বহুতে বিদ্যালয়ত নাম লগোৱাৰ এমাহমান পাছৰে পৰাই ক-ক-ম-ম লিখা-পঢ়া আৰম্ভ কৰা উচিত বুলি মত পোষণ কৰে। প্ৰায়েই শিশুক কেৱল খেলিবলৈ আৰু জলপান খাবলৈহে বিদ্যালয়লৈ পঠোৱা হৈছে বুলি বাক্-বিতণ্ডা হোৱাও দেখা যায়। অথবা 'কি বিদ্যালয় জানো? নপঢ়ায়, নেমেলে! ঘৰতে শিকোৱা যাওক' - এই মনোভাৱেৰে কোনো কোনোৱে ঘৰত পঢ়া-শুনা কৰোৱায় - য'ত মূলতঃ আখৰ চিনিলেই নহ'ব, লিখিবও লাগিব বুলি পুৱা-গধুলি নিয়ম কৰি লিখা - পঢ়া আৰম্ভ কৰে। আনকি ৩/৪ বছৰীয়া শিশুটিৰ পৰীক্ষা কিয় লোৱা নাই বুলিও বহুজনে সোধেহে।

প্ৰাক্-প্ৰাথমিক পৰ্যায়তনো শিশুক কেনেধৰণে শিক্ষা দিয়া উচিত সেই ধৰণৰ অভিভাৱকৰ উপযোগী হোৱাকৈ যথেষ্ট কিতাপ-পত্ৰ পাবলৈ নাই। বহুতো বিদ্যালয়ে অভিভাৱকসকলৰ এনেবোৰ প্ৰশ্নৰ নিৰসন ঘটাবলৈ চেষ্টা নকৰে বৰং বিদ্যালয়ৰ পৰিধিৰ পৰা অভিভাৱক সকলক সততে দূৰৈত ৰাখে। কিছুমান অভিভাৱকে আকৌ আন কিছুমান ইংৰাজী/হিন্দী মাধ্যমৰ বিদ্যালয়ৰ পিঠিত গধুৰ গধুৰ পকাবন্ধা বহীৰ মেটমৰা বোজা লৈ যোৱা শিশুটিক দেখি চমৎকৃত হয় আৰু ভাবে অসমীয়া মাধ্যমৰ বিদ্যালয়ত শৃংখলা নাই আৰু ভালধৰণে লিখা-পঢ়া নহয়। প্ৰায়েই এই কথাটো বুজাত ভুল হয় যে ইংৰাজী ভাষা আমাৰ মাতৃভাষা নোহোৱা হেতুকে কণমানি বয়সতে বৰ্ণ শিকাত গুৰুত্ব দিছিল। নিজৰ মাতৃভাষা নোহোৱা ভাষা এটা শিশুৱে কি বয়সত কেনেদৰে আয়ত্ত কৰে সেইটো তেওঁলোকেও থিৰাং কৰিব নোৱাৰিছিল। তেওঁলোকে যি সময়ত এনে শিক্ষা আমালৈ আনিছিল, তেতিয়া বিদ্যা-শিক্ষা গ্ৰহণ কৰাৰ পৰিবেশ সমূলি আনন্দময় হৈ থকা নাছিল। বৰং কঠোৰ শ্ৰমসাধ্য বিষয় বুলিহে মানুহৰ শ্ৰদ্ধা-অশ্ৰদ্ধা আদায় কৰিছিল। অথচ আজিৰ পৃথিৱীত শিক্ষাৰ প্ৰচুৰ সংস্কাৰ সাধন হৈছে। শিক্ষা এতিয়া জীৱনৰ প্ৰয়োজনত পৰিণত হৈছে, সেয়ে ইয়াক জনপ্ৰিয় কৰাতহে গুৰুত্ব দিয়া হৈছে।

দুৰ্ভাগ্যক্ৰমে এতিয়াও ইংৰাজী তথা অসমীয়া মাধ্যমৰ বহু বিদ্যালয়ে পুৰণিধৰণৰ শিক্ষাদান ব্যৱস্থাৰে পোষকতা কৰি আছে। তদুপৰি কোনো কোনো প্ৰস্তুতিকৰণ বিদ্যালয়েও প্ৰস্তুতিৰ নামত তিনিটামান ভাষাৰ বৰ্ণ চিনাকি কৰি দিয়ে। যদিহে এই বৰ্ণৰ চিনাকি বেলেগ বেলেগ ছাত্ৰ-ছাত্ৰীৰ বাবে বেলেগ বেলেগ মাতৃভাষা হ'লহেঁতেন তেতিয়া বেলেগ কথা। কিন্তু যিকোনো মাতৃভাষাৰ ছাত্ৰ-ছাত্ৰীকে তিনি-চাৰিটা বৰ্ণৰ চিনাকি সৰুতেই কৰালে ছাত্ৰ-ছাত্ৰীৰ মগজুত খেলিমেলিৰহে সৃষ্টি হয়। সঠিক প্ৰশিক্ষণ নাথাকিলে বৰ্ণ চিনাকিয়ে মাৰাত্মক ৰূপ লয়।

প্ৰকৃততে প্ৰস্তুতিকৰণৰ কামটো অভিভাৱকে এপইচাও ভগন নোহোৱাকৈ ঘৰতে কৰি ল'ব পাৰে। বয়স অনুসৰি শিশু এটিক কোনবোৰ কাৰ্যকলাপ কৰোৱাটো জৰুৰী সেই কথা জানিলে ই সহজহে হৈ পৰে। যিহেতু অসমীয়া ভাষাত এনেধৰণৰ হাতপুথিৰ অভাৱ, তদুপৰি সকলো বিদ্যালয়তে অভিভাৱকৰ সৈতে ভাব বিনিময়ৰ পৰামৰ্শ কেন্দ্ৰ চলোৱাটো সম্ভৱ নহ'ব পাৰে, সেয়ে চাহিদা বুজি এই লেখাটোত কিছুমান বিনম্ৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। তদুপৰি বিকাশৰ দিশ আৰু গুৰুত্ব সম্পৰ্কে অতি চমু ব্যাখ্যা আগবঢ়োৱা হৈছে।

কেতিয়াবা কোনো শিশুক উপযুক্ত প্ৰস্তুতিকৰণৰ সুবিধা থকা বিদ্যালয়ত নামভৰ্তি কৰিব পাৰিলেও বা নোৱাৰিলেও কিছুমান ক্ৰিয়া-কলাপ ঘৰতো কৰোৱাটো জৰুৰী। তেতিয়াহে আমাৰ দেশ তজবজীয়া, প্ৰাণচঞ্চল, হাঁহিমুখীয়া নিৰ্ভীক শিশুৰে ভৰি পৰিব।

## শিশুৱে কেনেকৈ শিকে? কৰ্মেন্দ্ৰিয়ৰ যোগেদি

**ব্যক্তি**ৰ ইন্দ্ৰিয় দহোটা। তাৰে ভিতৰত কৰ্মেন্দ্ৰিয়সমূহ হৈছে ঃ মুখ, হাত, ভৰি, গুহ্য, লিংগ। সেইদৰে জ্ঞানেন্দ্ৰিয় হ'ল - চকু, কাণ, নাক, জিভা আৰু ছাল। জন্মৰ পাছৰ পৰাই শিশুৱে ভৰি জোকাৰিবলৈ আৰম্ভ কৰে যদিও ভৰিতকৈ হাতৰ ওপৰত নিয়ন্ত্ৰণ অলপ সোনকালে হয়। ভৰিৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পৰা হয়গৈ থিয়দঙা দি নিজে খোজ কাঢ়িব পৰা হোৱাৰ পৰাহে। কিন্তু এই সময়ছোৱাত সি ভৰিৰ ব্যৱহাৰো শিকে। দুপদাপ বিছনাত ভৰি মাৰি থাকোঁতে গাৰ কাপোৰ আঁতৰি গৈ থাকে, লগে লগে ডাঙৰে ঢাকি দিয়ে। অলপ দেৰিৰ পাছত পুনৰ দুপদাপ ভৰি মাৰি গাৰ কাপোৰ আঁতৰাই দিয়ে। ডাঙৰে হয়তো আহি অভিযোগ ভৰা বাক্য এষাৰি কয় - 'এঃ এওঁ সাংঘাতিক হৈছে দেই'। হৈ গ'ল, লগে লগে সি সেইটো খেলত আনন্দ পাবলৈ ধৰিলে আৰু আগতকৈ অধিক খৰকৈ কাপোৰ আঁতৰাবলৈ ধৰে। বিছনাত থাকোঁতেই সি কেতিয়াবা ভৰি টানকৈ মেলি দিলে আৰু হঠাৎ অনুভৱ কৰিলে যে সি অলপ চলি গ'ল। এইদৰেই সি চোঁচৰাৰ প্ৰাৰম্ভিক কামটোৰ অনুশীলন কৰিবলৈ ধৰিলে। বিছনাৰ গাৰু বা কাঠত ভৰিবোৰ টানকৈ লগাই দোপ মাৰি কেইমাহমানৰ পাছত নিজেই বিছনাত বহিবলৈ শিকিলে। ডাঙৰে হাতৰ আঙুলি আগবঢ়াই দিলে জোৰকৈ ধৰি থিয়দঙা দিলে। পাছলৈ সি গোৰ মাৰি বস্তু এটা দূৰলৈ পঠালে। অথবা চুঁচৰি চুঁচৰি ঘৰখনত ভৰি থকা বস্তুৰ লগত পৰিচিত হ'ল। একে সময়তে সি হাতৰো ব্যৱহাৰ শিকে। **সি শিকে যে হাতে-ভৰিয়ে সমানে কাম কৰিলেহে গোটেই ঘৰখন ঘূৰি ফুৰিব পাৰি আৰু নতুন নতুন বস্তুৰ লগত চিনাকি হ'ব পাৰি।** মন কৰা ভাল, এইখিনি সময়তে সি বস্তুৰ নামো কাণেৰে শুনিছে আৰু জিভা লৰাই লৰাই মুখেৰে বিচিত্ৰ শব্দ কৰি কথা কোৱাৰ চেষ্টা চলাইছে। খোজ কাঢ়িব পৰা হোৱাৰ সময়তে শিশুৱে শব্দও ক'বলৈ শিকে।

এইদৰে শিশুৱে পৃথিৱীত জীয়াই থাকিবলৈ অতি প্ৰয়োজনীয় শিক্ষা লভিছে। আমি মনত ৰখা ভাল যে এই গোটেইখিনি শিক্ষা ল'বৰ বাবে তাক মাতৃ- এগৰাকীৰ হে প্ৰয়োজন। মাতৃভাষাৰ কিন্তু কোনো প্ৰয়োজন নাই। খাদ্য আৰু বিশ্ৰামৰ ব্যৱস্থা থাকিলে, প্ৰাকৃতিক নানা শব্দ আৰু বস্তু দেখি থকাৰ ব্যৱস্থা থাকিলে এটা শিশুৱে এইখিনি এনেয়েও কৰিব, কাৰণ সকলো ইতৰ প্ৰাণীয়ে এইদৰে শিকে। কিন্তু মানুহে হাতৰ বুঢ়া আঙুলিটো ভাঁজ কৰি হাতেৰে বস্তু ধৰিব পাৰে, তাৰ মগজু অতি জটিল ৰসায়নেৰে ভৰা, সৰ্বোপৰি মানুহৰ ভাষা আছে যাৰ দ্বাৰা সি আনবোৰ ইতৰ প্ৰাণীতকৈ শ্ৰেষ্ঠ। এইবোৰ সুবিধা আৰু ভাষাৰ ব্যৱহাৰে শিক্ষাৰ প্ৰক্ৰিয়াক খৰ কৰি তোলে। ❑

*ক্ৰমশঃ*

ক্ৰমশঃ

### মতামত বিচাৰি আহ্বান

মুখ্যমন্ত্ৰী তৰুণ গগৈ তিতাবৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হোৱাৰ লগে লগে সমষ্টিটোৰ ৰাইজে দেখিছিল উন্নয়নৰ সপোন। প্ৰায় আঢ়ৈটা বছৰ পাৰ হৈ যোৱাৰ পিছত জনসাধাৰণৰ মাজত স্বাভাৱিকতেই প্ৰশ্ন উঠিছে **"মুখ্যমন্ত্ৰী সমষ্টিলৈ উন্নয়ন আহিছেনে?"** - এই বিষয়ত আপুনিও অহা ১৫ জানুৱাৰীৰ ভিতৰত তলৰ ঠিকনাত আপোনাৰ মতামত আমালৈ প্ৰেৰণ কৰক।

সম্পাদক, মাহেকীয়া জনজীৱন
মেচাৰ্চ জিলাচ্
ষ্টেচন তিনিআলি (তিতাবৰ)
যোৰহাট, অসম
পিন - ৭৮৫৬৩০
অথবা
কাৰ্যালয়, মাহেকীয়া জনজীৱন
ডাক ঃ খৰিকটীয়া
যোৰহাট, অসম
পিন - ৭৮৫৬৩৩



# দেশ-বিদেশৰ ঘটনাপ্ৰবাহ

ৰমেন শইকীয়া

### পাকিস্তানী মহিলাৰ পচন্দৰ দৰাঃ

প্ৰাপ্তবয়স্ক পাকিস্তানী মহিলাই নিজৰ ইচ্ছামতে পচন্দৰ লোকৰ সতে বিবাহ পাশত আবদ্ধ হোৱাৰ ন্যায়িক অধিকাৰ লাভ কৰিছে, অলপতে পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে এই ৰায় দিছে। উল্লেখযোগ্য যে ইয়াৰ আগতে এক প্ৰাদেশীক ন্যায়ালয়ে পিতৃ বা জ্যেষ্ঠ ভাতৃৰ অনুমতি অবিহনে পাক মহিলাৰ বিয়াত বহা কাৰ্যক আইন বিৰুদ্ধ বোলা হৈছিল। ১৯৯৭ চনত লাহোৰ উচ্চ ন্যায়ালয়ে এই বিতৰ্কিত বিষয়টোক আইনৰ ৰূপ দিছিল। এই ৰায়ৰ বিৰুদ্ধে নাৰীবাদী শক্তি সমূহৰ প্ৰতিবাদে দেশে বিদেশে সমৰ্থন পাইছিল। এতিয়াও এই আইনৰ কবলত পৰা ২৫০ৰো অধিক মহিলা দেশখনৰ বিভিন্ন কাৰাগাৰত আবদ্ধ হৈ আছে।

### মহান আৰবী ছাদ্দাম ঃ

আচৰিত নহয়, আমেৰিকাৰ মষ্ট ৱাণ্টেদ ওচামা বিন লাডেন আৰু প্ৰাক্তন ইৰাকী ৰাষ্ট্ৰপতি ছাদ্দাম হুচেইনে পশ্চিম এছিয়াৰ সৰ্বকালৰ শ্ৰেষ্ঠ আৰবী নিৰ্বাচনৰ বাবে মনোনয়ন লাভ কৰিছে। বিবিচিৰ উদ্যোগত আয়োজন কৰা এই সমিক্ষাৰ বাবে মনোনয়ন লাভ কৰা আন উল্লেখযোগ্য ব্যক্তিসকল হৈছে পেলেষ্টাইনী ৰাষ্ট্ৰপতি যাছেৰ আৰাফট, ছোদি আৰবৰ নিৰ্মাতা ৰজা আব্দুল আজিজ অন ছৌদ আৰু ওমৰ শ্বৰীফ। অন্যহাতে অৰাজনৈতিক ব্যক্তি সকলৰ ভিতৰত উল্লেখযোগ্য ব্যক্তি হ'ল ইজিপ্তৰ প্ৰখ্যাত উপন্যাসিক নাগুৱাইব মহফুজ। নতুন বছৰৰ প্ৰথম ভাগতে মনোনয়ন পোৱা প্ৰথম ১০০ জন ব্যক্তিৰ নাম প্ৰকাশ কৰা হ'ব। যদিহে চাদ্দাম বা বিন লাডেনে শীৰ্ষ নিৰ্বাচন লাভ কৰে ই মাৰ্কিন মহলক নিশ্চয় বিৰক্ত কৰিব।

### দুৰ্নীতিৰ প্ৰতিযোগিতা ঃ

এনুৱেল ছাৰ্ভে অৱ ট্ৰেন্সপাৰেন্সি ইণ্টাৰনেচন নামৰ এটা এজেঞ্চিয়ে অলপতে প্ৰকাশ কৰা চাৰ্ভে ৰিপৰ্টৰ মতে ভয়াবহ দুৰ্নীতিগ্ৰস্ত দেশ ভাৰত ৮৩ তম দুৰ্নীতিগ্ৰস্ত দেশ হিচাপেহে চিহ্নিত হৈছে। চিংগাপুৰ (২৮), ভাৰততকৈ আগত থকা এছীয়দেশ। এই তালিকাত শীৰ্যত আছে ক্ৰমে ফিনলেণ্ড, আই চলেণ্ড, ডেনমাৰ্ক আৰু নিউজিলেণ্ড।

### উত্তৰপ্ৰদেশ শীৰ্যত ঃ

দেশৰ ৰাজনীতিৰ মেৰুদণ্ড স্বৰূপ উত্তৰ প্ৰদেশতে মানৱ অধিকাৰ উলংঘনৰ আটাইতকৈ বেছি ঘটনা ঘটে। বৰ্ত্তমান ৰাজনীতি আৰু দূৰ্নীতি যে একে মুদ্ৰাৰ দুটা পিঠি তাকে আঙুলিয়াব পাৰি। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ মতে মানৱ অধিকাৰ লংঘনৰ ঘটনাৰ বিষয়ে পোৱা দেশৰ মুঠ অভিযোগৰ ৬০ শতাংশৰো অধিক (প্ৰায় চল্লিচ হাজাৰ) কেৱল উত্তৰ প্ৰদেশৰ পৰাই পোৱা যায়। দিল্লী আৰু বিহাৰৰ পৰা পোৱা যায় বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। এই বৰ্ধিত অভিযোগৰ কাৰণ হিচাপে চৰকাৰ আৰু পুলিছ প্ৰশাসনৰ ৰচিত ভূৱা সংঘৰ্ষক অন্যতম কাৰণ বুলি ক'ব খোজে। বিশেষকৈ পুলিছৰ হাতত প্ৰাণ হেৰুৱাব লগা হোৱা নিৰপৰাধী ব্যক্তিসকলক নক্সাল পন্থী বা অপৰাধী সজায় গুলীয়াগুলীত নিহত হোৱা বুলি প্ৰচাৰ কৰা হয়। ৰাজনৈতিক লাভা লাভো ইয়াৰ সতে বহু পৰিমাণে জৰিত।

### বৃহত্তম ভাস্কৰ্য ঃ

বিশ্বৰ বৃহত্তম শিলা ভাস্কৰ্য হৈছে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ ৱাছিংটন, আব্ৰাহম লিংকন, থমাচ জেফাৰচন আৰু থিয়দৰ ৰুজভেল্টৰ আৱক্ষ মূৰ্তি কেইটাৰ থুঁতৰিৰ পৰা মুৰৰ শীৰ্ষস্থানলৈ উচ্চতা ২০ মিটাৰ। আমেৰিকাৰ চাউথ দেকতাৰ ব্লেক হিলচত থকা এই ঠাইক গণতন্ত্ৰৰ পীঠৰূপে গন্য কৰা হয়।

### আইফেল টাৱাৰ ঃ

ফ্ৰান্সৰৰাজধানী চহৰ পেৰিছৰ আইফেল টাৱাৰৰ লাখ লাখ পৰ্যতকৰ সপোনৰ পৰ্যটন স্থলী। তিনিশ মিটাৰ উচ্চতাৰ আইফেল টাৱাৰৰ কাৰণে ফ্ৰান্স চৰকাৰে প্ৰতিবছৰে দুই মিলিয়ন ডলাৰৰ অধিক ধন খৰচ কৰিব লগা হয়। পৰিবেশৰ পৰা হ'ব পৰা অনিষ্ট ৰোধ কৰিবলৈ চাৰিশকৰ্মী সদায় ব্যস্ত হৈ থাকে। এটা বিশেষজ্ঞৰ দৰে ইয়াৰ ওপৰত অলপ মামৰে ধৰা দেখা পালেই লগে লগে ৰং সানিব পৰাকৈ পৰীক্ষা কৰি থাকে দৰ্শনাৰ্থীৰ ভিৰৰ বাবে প্ৰতি সাত বছৰৰ মূৰে মুৰে ইয়াক সম্পূৰ্ণকৈ ৰংঘঁহা হয়।

### জিম্বাবুৱেৰ কমনৱেলথ ত্যাগঃ

ৰাষ্ট্ৰসংঘৰ পাছতে বৃহৎ আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান কমনৱেলথৰ পৰা জিম্বাবৱেই ৮ডিচেম্বৰ ২০০৩ ত সদস্যপদ প্ৰত্যাহাৰ কৰিছে। ৰাষ্ট্ৰপতি ৰবাৰ্ট মুগাবেৰ একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় স্তৰত হেঁচাৰ সন্মুখীন হৈ আহিছে যদিও এই প্ৰত্যাহাৰ মুগাবেৰ ইচ্ছাকৃত আছিল। তেওঁৰ অভিযোগ অনুষ্ঠানটোৱে জিম্বাবৱেক উপেক্ষা কৰি আহিছে। দক্ষিণ আফ্ৰিকাত অনুষ্টিত ক্ৰিকেট বিশ্বকাপত দেশখনৰ তাৰকা ক্ৰিকেটাৰ এণ্ডি ফ্লাৱাৰ আৰু হেনৰি অলংগাই খেলপথাৰত ক'লা বেণ্ড পৰিধান কৰি মুগাবেৰ শাসনৰ বিৰোধিতা কৰিছিল। বৰ্ত্তমান দুয়োজনে শাস্তিৰ ভয়ত দেশ ত্যাগ কৰিছে। আফ্ৰিকান দেশ হিচাপে নাইজেৰিয়া আৰু দক্ষিণ আফ্ৰিকা ইয়াৰ পূৰ্বে কমনৱেলথ্ৰ পৰা বিতাড়িত হৈছিল। আনদুখন নিলম্বনৰ সোৱাদ পোৱা দেশ হৈছে ছিয়েৰা লিয়ন আৰু পাকিস্তান (দুবাৰ)

### অষ্ট্ৰেলিয়াত নিবনুৱা নাথাকিব!

বিত্তীয় পৰিস্থিতি উন্নত কৰিবলৈ ভাৰতৰ দৰে উন্নয়নশীল দেশ বিলাকে চাকৰিৰ সংখ্যা হ্ৰাস, কৰাকে আদি কৰি কৰ্মচাৰী চাটাইকৰাৰ বিভিন্ন আঁচনি লৈ পৰিস্থিতি অধিক জটিলহে কৰি পেলাইছে। ভাৰতৰ লগতে অন্য উন্নত দেশ বিলাকো নিবনুৱা সমস্যাৰ ভয়াবহতাৰ সন্মুখীন হৈছে। কিন্তু অষ্ট্ৰেলিয়াৰ দিনে দিনে নিবনুৱা কমিব লাগিছে। দেশখনৰ ৫.৬ শতাংশ লোকহে বৰ্ত্তমান নিবনুৱা। নতুন নতুন কৰ্মসংস্থান সৃষ্টি আৰু বিকাশৰ যোগেদি আৰ্থনৈতিক প্ৰগতিত গুৰুত্ব দিয়াৰ ফলত দেশখনে এই সফলতা পাইছে বুলি বিশ্বাস কৰা হয়।❑

## দুদশাগ্ৰস্ত বিজয়পুৰ

(৩৩ পৃষ্ঠাৰ পৰা)

নোহোৱাৰ বাবে দুয়োখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে অনিশ্চয়তাত ভোগী থাকিব লগা হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বেঞ্চ-ডেস্কৰ অভাৱ। মিচিং গাওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিমল মিলি, বিজয়পুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দিব্যজ্যোতি শইকীয়া আৰু ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰা এই বিদ্যালয় কেইখনে গাঁৱৰ ৫৫ জন যুৱক মেট্ৰিকৰ দেউনা পাৰ কৰাবলৈ সক্ষম হৈছে। বৰ্তমান গাওঁখনৰ চাকৰীয়ালৰ সংখ্যা ৩০ জন তাৰে সবিতা বৰা, নৰেণ বণিয়া, মুহিকান্ত বণিয়া, গুণাৰাম কলিতা, নগেন বণিয়া, বিমল মিলি, দিব্যজ্যোতি শইকীয়াই শিক্ষক/শিক্ষয়িত্ৰী কৰি জীৱিকা নিৰ্বাহ কৰি আছে।

<u>কৃষি</u> ঃ- এই গাওঁবাসীৰ শতকৰা ৯৮ ভাগ লোকেৰে মূল জীৱিকাৰ পথ কৃষি যদিও এই ক্ষেত্ৰত কৃষি বিভাগে বৰ্তমানলৈ কোনো অভিলাষী আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। আনকি পানী যোগানৰ কোনো ব্যৱস্থা নথকাত প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰাৰ বাবে প্ৰতি বছৰে খৰাং পৰিস্থিতিয়ে কৃষকৰ মূৰত ৰাম টাঙোন সোধাই আহিছে।

<u>খোৱা পানী</u> ঃ- এই বিজয়পুৰ আৰু মিচিং গাঁৱৰ জনসাধাৰণে কুঁৱা আৰু নদীৰ পানী সেৱন কৰাৰ ফলত ভাইৰাচজনিত ৰোগত প্ৰায় আশী শতাংশ লোক বছৰি আক্ৰান্ত হয়। যোৱা দিনবোৰত কোনো এখন চৰকাৰ আৰু কোনো এজন বিধায়কে এই গাওঁ দুখনৰ উন্নয়নৰ বাবে গুৰুত্ব নিদিয়াৰ ফলত গাওঁবাসীৰ পানীত হাঁহ নচৰা অৱস্থা সৃষ্টি হৈছে বিভাগীয় কতৃপক্ষই উক্ত গাওঁবাসীক খোৱাপানীৰ বাবে দমকল যোগান ধৰাৰ লগতে বিশুদ্ধ খোৱা পানী যোগান আঁচনি প্ৰৱৰ্তনৰ বাবে দাবী জনাইছে। যি দুই এটা দমকল আছে সেই দমকলৰ পানী আইৰণৰ বাবে খোৱাৰ অনুপযোগী হৈ আছে।

<u>যাতায়ত</u> ঃ- গাওঁখন সৰ্বত্ৰে পিছ পৰি ৰোৱাৰ অন্যতম কাৰণ হ'ল শোচনীয় যাতায়ত ব্যৱস্থা গাওঁখনৰ মাজেৰে যোৱা ধোদৰ আলি সংলগ্ন গড়কাপ্তানি পথটিৰ অৱস্থা তথৈবচ যদিও সম্প্ৰতি মেৰামতিৰ নামত পথটি মাজত দুই এটা শিল পেলাইছে (এপাচি শাকত এটা জলকীয়া) পথত শিল দিয়াৰ সম্পৰ্কে মহৰিজনে অজ্ঞতা প্ৰকাশ কৰে। তাৰোপৰি বাহনি-বিজয়পুৰ সংলগ্ন পথটিৰ নাহৰ ভাগি জানৰ ওপৰত নিৰ্মাণ কৰি থকা দলংখন দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু যোৰহাট খণ্ড উন্নয়ণ বিষয়া (বাঘচোং) হেমাহিৰ বাবে আজি দুবছৰেও সম্পুৰ্ণ হৈ নুঠিল। যাৰ ফলস্বৰূপে কণ-কণ ছাত্ৰ-ছাত্ৰী, লগতে জনসাধাৰণে অতি কষ্টেৰে যাতায়ত কৰি থাকিব লগা হৈছে। তিতাবৰ মহকুমাৰ অৰ্ন্তগত মৰিয়নি সমষ্টিৰ ভিতৰতে আটাইতকৈ পিছপৰা এই গাওঁ দুখনে কেতিয়া চৰকাৰৰ কৃপাদৃষ্টি লাভ কৰিব। গাওঁদুখনৰ উন্নয়ন সাধন কৰিলে গাওঁবাসী সকলৰ মহান উপকাৰ সাধন কৰা হ'ব।❑



OKDISCD

# ঃ এটা বৰ্ষৰ পৰিসমাপ্তিত ঃ

*নবাব মুস্তাফা আহমেদ*

"জনজীৱন"ৰ প্ৰথম সংখ্যা পাঠকৰ হাতত পৰেগৈ মানে যুদ্ধ-শান্তি, আক্ৰমণ-প্ৰত্যাক্ৰমণ, ৰাজনীতি-দুৰ্নীতিৰে ধূসৰ একবিংশ শতিকাৰ তৃতীয় বৰ্ষক আমি বিদায় জনাম। যুদ্ধৰ ভয়াবহতা, সন্ত্ৰাসবাদ নিৰ্মূলৰ শ্লগান, অপাৰেচন অল ক্লিয়েৰ, বিহাৰ কাণ্ড - আদি প্ৰসংগ সমূহে এই হেৰাই যোৱা দিনবোৰক কৰি তুলিব নিঃসন্দেহে অধিক ঘটনাবহুল। ইৰাকৰ গণ-বিধ্বংসী অস্ত্ৰ-শস্ত্ৰবোৰৰ প্ৰকৃত ঠিকনা ক'ত? সন্ত্ৰাসবাদ নিৰ্মূলৰ ক্ষেত্ৰত বিশ্ববাসীক সন্মুখৰ পৰা নেতৃত্ব দিবলৈ আমেৰিকাৰ বিশ্বসযোগ্যতা কিমান? অপাৰেচন অল ক্লিয়েৰে উত্তৰ পূবৰ বিচ্ছিন্নতাবাদৰ স্থায়ী সমাধান আগবঢ়াব পাৰিবনে? আজিৰ তাৰিখলৈকে অসম আৰু অসমীয়াৰ হকে সিংহৰ দৰে গুজৰণি দিব পৰা নেতাৰ অভ্যুদয় হৈছেনে? এনেবোৰ দিশৰ সন্দৰ্ভত সংক্ষিপ্ত বিশ্লেষণ এই লেখাত যুগুত কৰা হৈছে।

<u>প্ৰসংগ ক ঃ ইৰাক বনাম আমেৰিকা; চুপাৰ পাৱাৰৰ বিশ্বাসযোগ্যতা</u>!

১১ চেপ্তেম্বৰৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যুবৰণ কৰা সকলৰ প্ৰতি বিশ্ব সম্প্ৰদায়ে যি অনুকম্পা আৰু মানৱীয়তা প্ৰৰ্দশন কৰিলে, সি নিশ্চিত ৰূপত প্ৰমাণ কৰে যে বিভিন্ন অজুহাতত বিশ্বৰ বিভিন্ন প্ৰান্তত আমেৰিকাই প্ৰাণ লোৱা হাজাৰ হাজাৰ জনসাধাৰণৰ তেজৰ মূল্য নিশ্চয় এজন আমেৰিকানৰ তেজৰ মূল্যতকৈ কোনো গুণে কম নহয়। এই কথা বুশ্ব প্ৰশাসনে অনুধাৱন কৰিব নোৱাৰাটো দুভাৰ্গ্যজনক। সম্পূৰ্ণ অৰ্থনৈতিক সাম্ৰাজ্যবাদ আৰু আগ্ৰাসন -বাদী নীতি বৰ্ত্তাই ৰখাৰ স্বাৰ্থত আজি আমেৰিকাই কি কৰিব নোৱাৰে তাৰ বাবে তলৰ উদাহৰণেই যথেষ্ট হ'ব ঃ

প্ৰশ্ন ঃ আমেৰিকা আজি কিহৰ দ্বাৰা আক্ৰান্ত?

উত্তৰ ঃ আমেৰিকা আজি সন্ত্ৰাসবাদীৰ দ্বাৰা আক্ৰান্ত।

প্ৰশ্ন ঃ সন্ত্ৰাসবাদী সকলৰ শক্তিৰ মূল উৎস কি?

উত্তৰ ঃ অস্ত্ৰ।

প্ৰশ্ন ঃ বিশ্বৰ সৰ্বাধিক অস্ত্ৰ উৎপাদনকাৰী আৰু ৰপ্তানিকাৰী দেশখনৰ নাম কি?

উত্তৰ ঃ আমেৰিকা।

(২ অক্টোবৰ, ২০০১)

এই সংখ্যাৰ আনন্দ বাজাৰ পত্ৰিকাত প্ৰকাশিত এজন ব্যংগকাৰৰ টিপ্পনীকেই যেন স্বীকাৰ কৰি লৈছে আমেৰিকাৰ পৰা প্ৰকাশিত "আৰ্মছ ট্ৰেড অভাৰছাইট প্ৰজেক্ট"ৰ প্ৰতিবেদনে। বিশাল অস্ত্ৰ বজাৰ আৰু যুদ্ধৰ পৰিবেশ পোৱা যাব আমেৰিকাৰেই এজন প্ৰাক্তন বৈদেশিক সচিব লৰেন্স ইগেলবাৰ্জাৰৰ এই মন্তব্যত ঃ We've presented to the rest of the world a vision of the bully on block who pushes a button, people out there die, we don't pay anything except the cost of a missiel . . . thst's going. সাম্প্ৰতিক সময়ৰ ইৰাকৰ ঘটনাৱলীয়েও স্পষ্টৰূপত প্ৰমাণ কৰে যে হোৱাইট হাউচে প্ৰথমৰে পৰা গণ বিধবংসী অস্ত্ৰ-শস্ত্ৰৰ মজুত ভাণ্ডাৰ ইৰাকত থকা বুলি কেৱল মাত্ৰ ইছ্যু সৃষ্টি কৰিছিল যদিও এই সময়লৈকে সেইয়া অৰণ্য ৰোদনতহে পৰিণত হৈছে। এতিয়া নিজে পতা জালত নিজেই বন্দী হোৱা মাৰ্কিন মহলে দুটা গুৰুত্বপুৰ্ণ প্ৰশ্নৰ উত্তৰ বিশ্ববাসীক কেনেদৰে দিয়ে, সি লক্ষণীয় হ'ব।

প্ৰশ্ন নং (ক) ঃ ইৰাকৰ মজুত ভাণ্ডাৰৰ গণ বিধ্বংসী অস্ত্ৰ-শস্ত্ৰবোৰ আমেৰিকাই উদ্ঘাটন কৰিব পাৰিলেনে? যদি পাৰিলে তাক বিশ্ববাসীৰ সন্মুখত তথ্য সহকাৰে প্ৰদৰ্শন কৰক আৰু যদি উদ্ঘাটন কৰিব পৰা নাই; তেনে ক্ষেত্ৰতো ইয়াৰ বাবে জৱাবদিহি হওক।

প্ৰশ্ন নং (খ) ঃ ছাদ্দাম ফৰিয়াত যুক্তৰাষ্ট্ৰ আৰু কিমান দিনলৈ আক্ৰান্ত হৈ থাকিব?

প্ৰসংগ নং খ ঃ দিল্লী, থিম্ফু আৰু দিছপুৰ ইত্যাদি।

প্ৰথমতে 'অপাৰেচন অল ক্লিয়েৰ' আৰু শেহতীয়াভাৱে 'অপাৰেচন ক্লীন আপ'ৰ ৰাগীত বৰ্তমান দিল্লী, থিম্ফু আৰু দিছপুৰ মহল মত্ত। আলফা আৰু এন.ডি. এফ.বি.ৰ সকলো বিষয়ত একমত নহলেও এই কথা অনস্বীকাৰ্য যে এন্নেধ্বৰণৰ সামৰিক অভিযানৰ দ্বাৰা বিদ্ৰোহী সংগঠনৰ পৰিকাঠামো ধ্বংস হোৱাৰ তিলমানো লক্ষণ নাই আৰু যদি এক মিনিটৰ বাবে এই কথা ধৰিও লোৱা হয় যে এনে সামৰিক অভিযানত বিদ্ৰোহী সংগঠন দুটা ধূলিস্যাৎ হৈ গ'ল, তেতিয়াও কিন্তু সংগঠনৰ মজিয়াৰ পৰা ইতিপুৰ্বে উত্থাপন কৰা কেইটামান মৌলিক প্ৰশ্ন প্ৰাসংগিক হৈয়ে থাকিব। সেই দৃষ্টিকোণৰ পৰাই এই সময়লৈকে বাস্তৱ ক্ষেত্ৰত বিদ্ৰোহী সংগঠন দুটাই ৰাজনৈতিক প্ৰাসংগিকতা বাহাল ৰাখিবলৈ সক্ষম হৈছে। দৰাচলতে উত্তৰ-পূবৰ বিচ্ছিন্নতাবাদৰ এনে কিছু যুক্তিসিদ্ধ কাৰণ আছে, যাক সুবুদ্ধি সম্পন্ন ব্যক্তি মাত্ৰেই চিন্তা আৰু মতাদৰ্শত ভিন্নতা থাকিলেও উলাই কৰিব নোৱাৰে। এই সমস্যা সমাধানৰ বেলিকা সংশ্লিষ্ট চৰকাৰৰ পৰা প্ৰকৃত দায়িত্ব আৰু আন্তৰিকতাপুৰ্ণ পদক্ষেপ কামনা কৰি আমিবোৰে পৰ্বতত কাছ কণী বিচাৰিছো নেকি . . . ??

**প্ৰসংগ নং গ ঃ অথঃবিহাৰ কাণ্ড**

আজিৰ তাৰিখত অসম আৰু অসমীয়াৰ ন্যায্য প্ৰাপ্য আহৰণৰ খাতিৰত সিংহৰ দৰে গুজৰণি দিব পৰা ৰাজনৈতিক নেতা যে কোনোটো ৰাজনৈতিক দলতে নাই সেই কথা "বিহাৰ কাণ্ডই" পুনৰবাৰ উদঙাই দেখুৱালে। আজি অসমৰ ৰাজনৈতিক নেতা সকলে লালু প্ৰসাদ যাদৱৰ পৰা শিক্ষা লোৱা উচিত। লালু যাদৱ প্ৰকৃততেই বিহাৰী নেতা, যি বিহাৰীৰ দুৰ্দশাৰ সময়ত হাত সাবটি বহি নাথাকি ক্ষিপ্ৰতা প্ৰদৰ্শনত সজাগ হৈ পৰিছিল। আমি আমাৰ ৰাজ্যৰ স্বাৰ্থত আমাৰ নেতা সকলৰ পৰা তেজস্বীতা আশা কৰাতো কিমানদুৰ যুক্তিসংগত হ'ব? এই প্ৰশ্ন আজি প্ৰতিজন অসমীয়াই নিজক কৰিছে; আৰু কৰাৰে কথা। কিয়নো আজি প্ৰতিজন অসমীয়াই জানিব জানিব বিচাৰিছে ৰাজনৈতিক ক্ষমতাপ্ৰাপ্ত সকলৰ ধৃতৰাষ্ট্ৰৰ চৰিত্ৰ কেতিয়া সলনি হ'ব? আমাৰ ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। ❑

## বিষয় - ভূটান সংঘৰ্ষ, বিশিষ্ট সকলৰ মন্তব্য

❑ "ল'ৰাহঁতক উচতনি দিয়া ডাঙৰ মানুহবোৰ এতিয়া ক'ত? মই তাক (পৰেশ বৰুৱাক) আলফা হ'বলৈ পঠোৱা নাছিলো। আগতে সিহঁতক ডাঙৰ ডাঙৰ মানুহে উচতনি দিছিল-সমৰ্থন দিছিল। এতিয়া প্ৰফুল্ল ভৃগুহঁতে ৰঙ চাইছে।" এই কথা পৰেশ বৰুৱাৰ মাতৃ মিলিকি বৰুৱাই আলফা আদি সংগঠনৰ বিৰুদ্ধে সম্প্ৰতি চলি থকা ব্যাপক অভিযানত উদ্বিগ্ন হৈ ইণ্ডিয়ান এক্সপ্ৰেছ, তেহেলকা আৰু জনসাধাৰণৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰাৰ লগতে পৰেশ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ বিমল বৰুৱাই অসম আন্দোলনৰ ফলশ্ৰুতিত এচামে গাদী দখল কৰিলে। দুমুখীয়া বুদ্ধিজীৱীৰ উচটনিত ভোল গৈ এচামে জংঘলত সোমাল। এই তথাকথিত বুদ্ধিজীৱী সকলে আলফাৰ শক্তি বঢ়াযেন দেখিলে সেই ফলীয়া হয় আৰু চৰকাৰৰ শক্তি বৃদ্ধি যেন পালেই চৰকাৰৰ গুণগানত মত্ত হৈ পৰে বুলি কয়।

'এই আক্ৰমণ ভুটান চৰকাৰে নিজাববীয়াকৈ চলাইছে বুলি কৈ আহিছে যদিও ই এশ শতাংশ মিচা। ভুটান সৈনিকৰ পোছাক পিন্ধা ভাৰতীয় সৈন্যই মধ্যম দুৰত্বৰ মৰ্টাৰ চলাইছে। সেয়ে কাৰ্গিল, আফগান অথবা বাগদাদৰ দৰে যুদ্ধথলীতে সাংবাদিকৰ কেমেৰাৰে গোটেই পৰিস্থিতিটো প্ৰচাৰ কৰিবলৈ দিয়া নাই'

*অৰবিন্দ ৰাজখোৱা*
*আলফাৰ সভাপতি*

❑ "যেতিয়াই হিন্দী লবীৰ বিৰুদ্ধে অসমত প্ৰতিক্ৰিয়া প্ৰকাশ হয়, তেতিয়াই অসমীয়াৰ ওপৰত ভাৰত ৰাষ্ট্ৰৰ অত্যাচাৰ-উৎপীড়ন আৰম্ভ হয়। আলফাৰ ওপৰত চলা এই আক্ৰমণ অসমীয়া তথা উত্তৰ-পূৰ্বাঞ্চল বাসীৰ প্ৰতি হিন্দী লবীৰ এক সকীয়নিহে। এইবোৰ কথাই ভাৰতৰ সাৰ্বভৌমত্বৰ আৰু একতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব।'

*প্ৰবীন বড়ো, সভাপতি*
**'আছু'**

❑ 'ভূটানত ভাৰত ভূটানৰ সেনাই আলফা, এন.ডি.এফ বি আৰু কে এল অ'ৰ বিৰুদ্ধে চলোৱা উচ্ছেদ অভিযানে এই সশস্ত্ৰ সংগঠনকেইটা ধ্বংস কৰিব পাৰিব বুলি মনে নধৰে। ভূটানত থকা এক অংশৰ ক্ষতিসাধনে সংগঠনকেইটাৰ বিনাশ আনিব নোৱাৰে। ভূটান চৰকাৰে শিশু মহিলা হত্যা কৰি যি নৃশংসতাৰে এই উচ্ছেদ অভিযান চলাইছে, সি মানৱতাৰ পৰিপন্থী। কোনো গণতান্ত্ৰিক মনোভাৱাপন্ন ব্যক্তিয়েই শিশু নাৰী হত্যা কৰি মৃতদেহবোৰৰ প্ৰতিও সন্মান প্ৰদৰ্শন নকৰা কাৰ্য সমৰ্থন কৰিব নোৱাৰে...।'

*লাচিত বৰদলৈ, অধ্যক্ষ মাছু*



OKDISCD



# ‘ৰঞ্জি ট্ৰফি’

প্ৰিয়ম মহন্ত

## বংগৰ বিৰুদ্ধে খেলত আম্পায়ৰৰ পক্ষপাতিত্ব ‘এলিট গ্ৰুপ’ত অসমৰ থৰক-বৰক স্থিতি

সম্মানীয় ‘এলিট গ্ৰুপ’ত অসমৰ স্থিতি থৰক-বৰক হৈ পৰিছে। গ্ৰুপ ‘বি’ৰ চাৰিখন খেলৰ সমাপ্তিত অসমে লাভ কৰিছে বংগৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতি সূত্ৰে লাভ কৰা মাত্ৰ দুই পইণ্ট। প্ৰথম দুখন খেলত ঘৰুৱা পৰিবেশৰ সুযোগ ল’ব নোৱাৰিলে অসমৰ ক্ৰিকেটাৰে। গুজৰাটৰ বিৰুদ্ধে নিজৰ শক্তিৰ উমান নোপোৱাকৈ ইনিংছ ঘোষণা কৰি পৰাজয় স্বীকাৰ কৰিলে অসমে।

আনহাতে হায়দৰাবাদৰ বিৰুদ্ধে আৰ.সতীশৰ অপৰাজিত শতৰাণ (১৩৩), সুখৱিন্দৰ সিংৰ (১১২) আৰু বসন্ত সৰ্বানিনৰ ৮৯ ৰাণেৰে ৯ উইকেটৰ বিনিময়ত ৫৩৭ ৰাণ কৰিলেও ৫ টাকৈ কেচৰ সুযোগ নষ্ট কৰি পইণ্ট অৰ্জনৰ সুযোগ হেৰুৱাই। খেলখনত অৰ্লেন কোঁৱৰে ৬৫ অভাৰ বলিং কৰি ১৪১ ৰাণত ছটাকৈ উইকেট দখল কৰাতো উল্লেখনীয় দিশ আছিল।

বংগৰ বিৰুদ্ধে খেলখনত জয়লাভৰ ওচৰ চাপিও আম্পায়ৰৰ পক্ষপাতিত্ব তথা বংগৰ খেলুৱৈ সকলৰ অখেলুৱৈসুলভ মনোবৃত্তিৰ ফলত অসমে খেলখনৰ গুৰুত্বপূৰ্ণ ২ পইণ্ট হেৰুৱাবলগীয়া হয়। বসন্ত সৰ্বানিন, সুখৱিন্দৰ সিংৰ (ক্ৰমে ১২৩ আৰু ১১৫) ৰাণেৰে ১০১ ৰাণৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ আগতে বংগই প্ৰথম ইনিংছৰ ২৪৬ ৰাণ কৰিছিল। দ্বিতীয় ইনিংছত বেট ধৰিবলৈ আহি বংগই অৰ্লেন আৰু ৰঘুৰামৰ বিধ্বংসী বলিঙৰ সন্মুখত পৰি ২৫০ ৰাণতে ইনিংছ সামৰে যাৰ ফলত অসমৰ জয়লাভৰ বাবে প্ৰয়োজন হয় ১৫০ ৰাণৰ। কিন্তু অন্তিম দিনা ২৫.৫ অভাৰত ৪ টা উইকেট হেৰুৱাই খেলি থাকোতে কম পোহৰৰ অভিযোগত বংগৰ আম্পায়াৰদ্বয়ে খেল সমাপ্তি ঘোষণা কৰে। অথচ সেই সময়ত অসমৰ জয়লাভৰ বাবে প্ৰয়োজন আছিল ২০.৫ অভাৰত মাত্ৰ ২০ ৰাণৰ। ক্ৰিজত মজুত আছিল দুজনকৈ নিৰ্ভৰযোগ্য বেটছমেন সৰ্বানিন আৰু জাকাৰিয়া জুফ্ৰি। তদুপৰি আম্পায়াৰদ্বয়ে বেটছমেন দুজনৰ কোনো মন্তব্য লোৱাৰো প্ৰয়োজন অনুভৱ নকৰিলে।

আই.চি.চি. ক্ৰিকেটৰ নিয়ম অনুসৰি পৰ্যাপ্ত পোহৰৰ অভাৱ অনুভৱ কৰিলে খেল বন্ধ কৰিব পাৰে যদিও এই ক্ষেত্ৰত বেটছমেনৰ মতামত ল’ব লাগে। কিন্তু আম্পায়াৰদ্বয় কে. মুৰলী আৰু এছ.বি. ৰমনীয়ে একপক্ষীয় সিদ্ধান্তই অসম ক্ৰিকেট দলৰ সকলো সদস্যক আচৰিত কৰি তোলে। তদুপৰি বংগৰ ফিল্ডাৰে অনাৱশ্যক ভাৱে ফিল্ডিং পজিশ্যন সলনি কৰাৰ লগতে বাউণ্ডেৰীৰ বাহিৰৰ বল পলমকৈ দলিয়াই সময়ৰ অপচয় ঘটাই ছিল। উল্লেখযোগ্য যে ইয়াৰ আগতেও বংগই খেল বন্ধৰ আবেদন জনাইছিল হিমাচল প্ৰদেশৰ বিৰুদ্ধে য’ত তেওঁলোকে পৰাজয়ৰ মুখত পৰিছিল। এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়লৈকে অসম ক্ৰিকেট সন্থাৰ পৰা কোনো দৃঢ় পদক্ষেপ লোৱা দৃষ্টিগোচৰ হোৱা নাই। বিষয়টোৰ ওপৰত ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল বৰ্ডৰ দৃঢ় পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে। অন্যথা থলুৱা নিযুক্তিৰ দৰে ইও অসমত এক গভীৰ সমস্যাৰ উদ্ভৱ হ’ব পাৰে।

এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত অসম আৰু তামিলনাডুৰ মাজত চতুৰ্থখন খেলৰ ফলাফল ওলাইছে আৰু খেলখনত অসম তামিলনাডুৰ হাতত ২৯৫ ৰাণৰ বিশাল ব্যৱধানত পৰাজয় বৰণ কৰে। খেলখনত বেটিঙত সফল হয় মাত্ৰ সৰ্বানিন (৬২)।

হৈ যোৱা চাৰিওখন খেললৈ দৃষ্টি দিলে দেখা যায় ঘৰুৱা দলটোৰ সৰ্বানিন, সুখৱিন্দৰ আৰু সতীশৰ বাহিৰে আনকেওজন বেটছমেনে ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাই। শুভ্ৰজিত শইকীয়াই পৰাগ দাসৰ সৈতে ইনিংছ মুকলি কৰি সুন্দৰ আৰম্ভণি ঘটাব পৰা নাই। বেয়াকৈ ব্যৰ্থ হৈছে জাকাৰিয়া। আনহাতে বলিঙত গৌতম দত্তৰ বলিঙত পৰ্বৰ চোক নাই। বংগৰ বাহিৰে আনকেইখন খেলত তেওঁ সফল হোৱা নাই। সুখৱিন্দৰ সিঙৰ বলিঙো প্ৰত্যাশা অনুযায়ী হোৱা নাই। ব্যতিক্ৰম মাত্ৰ অৰ্লেন কোঁৱৰ।

অসমে এতিয়া এলিট গ্ৰুপত স্থান লাভৰ বাবে বাট চাব লাগিব অহা (১৭-২০ডিচেম্বৰত) গুৱাহাটীত হ’বলগীয়া ৰাজস্থান আৰু কৰ্ণাটকৰ বিৰুদ্ধে (২৫-২৮) ডিচেম্বৰত হ’বলগীয়া খেল দুখনৰ বাবে। এই দুয়োখন মেচেই হ’ব অসমৰ জীৱন-মৰণ যুঁজ। ❑

**‘বি’ গ্ৰুপৰ দলীয় অৱস্থান**

| দল | খেল | পইণ্ট |
| --- | --- | --- |
| তামিলনাডু | ৫ | ১৫ |
| হায়দৰাবাদ | ৪ | ৮ |
| গুজৰাট | ৪ | ৭ |
| বংগ | ৫ | ৭ |
| কৰ্ণাটক | ৪ | ৬ |
| ৰাজস্থান | ৪ | ৪ |
| অসম | ৪ | ২ |

(প্ৰতিবেদন প্ৰস্তুত কৰা সময়লৈ)



মাহেকীয়া
জনজীৱন

**সম্পাদক :**
বিনয় শইকীয়া

**কাৰ্যবাহী সম্পাদক :**
নগেন গগৈ

**সহঃ সম্পাদক :**
নৱদ্বীপ কছাৰী
অভিজিৎ কছাৰী
বিশ্ববিকাশ শইকীয়া
বিজয় মহন্ত

**বিশেষ প্ৰতিনিধি :**
অনন্ত কছাৰী

**প্ৰকাশক :**
শোভন কছাৰী

**যোগাযোগৰ ঠিকনা :**
কাৰ্যালয়, মাহেকীয়া জনজীৱন
খৰিকটীয়া স্কুল চাৰিআলি
ডাক : খৰিকটীয়া
যোৰহাট, অসম
পিন - ৭৮৫৬৩৩
অথবা
সম্পাদক, মাহেকীয়া জনজীৱন
মেচাৰ্চ জিলাচ্
ষ্টেচন তিনিআলি, তিতাবৰ
যোৰহাট, অসম
পিন : ৭৮৫৬৩০

জনজীৱন প্ৰকাশন গোষ্ঠীৰ হৈ শোভন কছাৰীৰ দ্বাৰা মেচাৰ্চ জিলাচ্‌ত প্ৰকাশিত আৰু প্ৰচাৰিত।
দূৰভাষ : (০৩৭৭১) ২৪৮১০১
তিতাবৰ

e-mail mahekiajanajivan 04@indiatimes.com
Fax : 953771248655



## *নৱবৰ্ষ আহে, কিন্তু আমাৰ আশা আৰু সপোনবোৰ . . .*

*এটা বৰ্ষৰ শেষত নৱবৰ্ষ আহে আৰু পুৰণি বৰ্ষ হৈ পুনৰ গুছি যায়। নৱবৰ্ষ আহিলেই আশাই আমাৰ বুকুত নতুন পোখা মেলে, আমি পুনৰ সপোন দেখো, জীৱনৰ সফলতা-বিফলতাৰ খতিয়ান লওঁ, নতুন বছৰৰ বাবে নতুন আঁচনি সাজো। এটা বছৰৰ শেষত আন এটা নৱবৰ্ষক আদৰিবৰ কাৰণে উৎসৱৰ আয়োজন চলে। প্ৰাত্যহিক একঘেমীয়া জীৱন যাত্ৰাৰ পৰা ফালৰি কাটি মানুহবোৰ বনভোজলৈ যাবৰ বাবে লৰা-ঢপৰা লগায়। নানা তৰহৰ ৰঙীন গ্ৰীটিংছ কাৰ্ডে ভৰি পৰে দোকান-পোহাৰ। চৰকাৰী ব্যৱস্থামতেই ‘ৱাইন চপ্’ত ভীৰ বাঢ়ে, নৱবৰ্ষৰ উপলক্ষে উচ্চ গ্ৰামত বাজি উঠে অনুভাষ যন্ত্ৰ। তথাকথিত আধুনিক যুৱক-যুৱতীয়ে পশ্চিমীয়া সংগীতৰ তালে তালে উদ্দাম নৃত্য প্ৰদৰ্শন কৰে।*

*এইদৰে নৱবৰ্ষ আহে আৰু পুৰণি বৰ্ষ হৈ আমাৰ আঙুলিৰ ফাঁকেদিয়েই গুছি যায় সময়ৰ ঐন্দ্ৰজালিক গতি। অথচ শ্ৰমজাৱি-কৃষিজীৱি সৰ্বসাধাৰণ ৰাইজৰ সপোনবোৰ সপোন হৈয়ে ৰয়। আমেৰিকান সামাজ্ৰবাদীৰ হাতৰ মুঠিত জব্দ হোৱা আমাৰ দেশৰ ধূৰ্ত নেতাবোৰে ওলোটা খট্ মাৰে। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি কেৱল প্ৰতিশ্ৰুতি হৈয়েই থাকে। সৰ্বসাধাৰণ ৰাইজৰ সপোনবোৰ নফলিয়াই। স্বাধীনোত্তৰ ৫৬ টা নৱবৰ্ষ পুৰণি হৈ যোৱাৰ পিছত, আজি ভাৰতৰ অগণন নৰ-নাৰীয়ে অনুভৱ কৰিছে ‘স্বাধীনতাৰ স্বপ্ন ভঙা’ৰ যন্ত্ৰণা। প্ৰতিটো নৱবৰ্ষতে বাঢ়ি গৈছে দুৰ্নীতি-ভ্ৰষ্টাচাৰ, হত্যা-ধৰ্ষণ-লুণ্ঠনৰ হিচাপ। সাতাম পুৰুষীয়া মানৱীয় প্ৰমূল্যৰে ঐতিহ্যমণ্ডিত আমাৰ সমাজ-সংস্কৃতিত ক্ৰমে অৱক্ষয় ঘটিছে। বিশ্বায়ণৰ প্ৰচণ্ড জোৱাৰত উটি-ভাঁহি নিজকে ধন্য মানিছে তথাকথিত সুবিধাবাদী শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে। সেয়ে হৃদয়ৰ শুভেচ্ছা, ভালপোৱা ও হৈ পৰিছে কোনোবা ব্যৱসায়ীক গোষ্ঠীয়ে প্ৰস্তুত কৰা ৰঙচঙীয়া গ্ৰীটিংছ কাৰ্ড মাত্ৰ। নকলেও হ’ব যে নৱবৰ্ষৰ নামত আমাৰ সমাজত ঠাই পোৱা এই সস্তীয়া আদৱ-কায়দাবোৰ আৰু উশৃংখলতাবোৰ সাম্ৰাজ্যবাদী শোষক গোষ্ঠীয়ে প্ৰস্তুত কৰা ‘সাংস্কৃতিক সাম্ৰাজ্যবাদ’ৰ কাৰ্যসূচী ৰূপায়ণৰে একাংশ মাত্ৰ।*

*সেয়ে আমি অনুভৱ কৰো যে পুৰণি কেলেণ্ডাৰ এখন সলনি হোৱাৰ বাদে সৰ্বসাধাৰণ ৰাইজৰ বাবে নৱবৰ্ষত বিশেষ নতুনত্ব একো নাই। এইবাৰ নৱবৰ্ষ আহিছে গোষ্ঠীগত সাম্প্ৰদায়িক সংঘৰ্ষৰ মাজেদি, প্ৰতিবাদী যুৱকৰ মৃতদেহৰ ওপৰেদি, স্বজনৰ তেজেৰে ৰাঙলী হৈ . . .।*

*তথাপিতো শ্ৰমজীৱী-কৃষিজীৱী, শোষিত--নিষ্পেষিত মানুহৰ আশা আৰু সপোনৰ কোনো দিনাই অন্ত নপৰে। মৰি মৰিও জীয়াই আছে মানুহ সুদিনৰ আশাত। আজিও মানুহে দেখে শান্তিৰ সেউজীয়া, প্ৰেমৰ শইচময় সোণালী সপোন। এই সপোনৰ শেষ নাই। এদিন ই ফলিয়াবই।*



OKDISCD